Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MARCH 27, 2025 ■ বৃহস্পতিবাৰ, ১৩ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮৯ Guwahati, Assam ।। মূল্যঃ এটকা

## জৰুৰীকালীন অৱস্থা অসমতঃ মনোজ চৌহান

ই-সংবাদ, ২৬ মাৰ্চঃ অসমত এতিয়া অঘোষিত জৰুৰকালীন অৱস্থা চলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব ৬ পৃষ্ঠাত চাওক

# স্বৈৰতন্ত্ৰ! হাতে-হাত ধৰি ৰাজপথত সাংবাদিক

## ৰাজপথ কঁপালে ৰাজ্যৰ সাংবাদিকে

### স্বৈৰাচাৰিতাৰ অৱসানৰ দাবী

ই-সংবাদ, ২৬ মাৰ্চঃ ৰাজ্যত এতিয়া অঘোষিত জৰুৰীকালীন অৱস্থা। কবিতা লিখিলে কাৰাগাৰলৈ নিক্ষেপ কৰা শেষাংশ ৫ পৃষ্ঠাত

## এপেক্স বেংক কেলেংকাৰীৰ অভিযোগ নস্যাৎ বিশ্বজিত ফুকনৰ

### সাংবাদিক দিলোৱাৰ হুছেইনৰ গ্ৰেপ্তাৰৰ সৈতে বেংকৰ কোনো সম্পৰ্ক নাই বুলি মন্তব্য

ই-সংবাদ, ২৬ মাৰ্চঃ এপেক্স বেংকত ২৮ কোটি টকীয়া কেলেংকাৰীৰ অভিযোগ আৰু বেংকৰ এজাহাৰৰ ভিত্তিত সাংবাদিকৰ গ্ৰেপ্তাৰ সন্দৰ্ভত অসম কো-অপাৰেটিভ এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকনে শেষাংশ ৪ পৃষ্ঠাত

## 'এয়া গণতন্ত্ৰৰ জয়!' দিলোৱাৰক জামিন কৰ্টৰ



ই-সংবাদ, ২৬ মাৰ্চঃ প্ৰায় ২৪ ঘণ্টীয়া যুঁজৰ অন্তত গুৱাহাটীৰ সাংবাদিক সমাজৰ জয় হ'ল। ২৫ মাৰ্চৰ দুপৰীয়াৰ পৰা গুৱাহাটী আৰক্ষীয়ে পাণবজাৰ আৰক্ষী শেষাংশ ৬ পৃষ্ঠাত


## 'গণতন্ত্ৰৰ বাবে দিলোৱাৰৰ মুক্তি এক শুভ লক্ষণ'

ই-সংবাদ, ২৬ মাৰ্চঃ জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ বিৰুদ্ধে আৰক্ষীয়ে সঠিক তথ্য-প্ৰমাণ দাখিল কৰিব শেষাংশ ৪ পৃষ্ঠাত

## লোকসভাত বিৰোধীৰ কোনো স্থান নাইঃ ৰাহুল

নতুন দিল্লী, ২৬ মাৰ্চঃ গণতন্ত্ৰৰ মন্দিৰত বিৰোধীৰ স্থান নাই! সংসদ ৩ পৃষ্ঠাত

## সাংবাদিকক গ্ৰেপ্তাৰৰ গৰিহণা শচীন গগৈৰ



ই-সংবাদ, শিৱসাগৰ, ২৬ মাৰ্চঃ প্ৰেছ ফ্ৰীডম অৱ ইনডেক্সৰ ক্ষেত্ৰত ৩ পৃষ্ঠাত



মহানগৰীৰৰ ৰাজপথলৈ ওলাই অহা সংবাদকৰ্মীক বাধা দিয়াৰ চেষ্টা আৰক্ষীৰ

## সাংবাদিক গ্ৰেপ্তাৰ! তীব্ৰ ভাষাৰে গৰিহণা প্ৰেছ ক্লাৱ ইণ্ডিয়াৰ

ই-সংবাদ, ২৬ মাৰ্চঃ গুৱাহাটীৰ এটা প্ৰতিষ্ঠিত সংবাদ প্ৰতিষ্ঠানত কৰ্মৰত জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰক কঠোৰ ভাষাৰে গৰিহণা দিছে প্ৰেছ ক্লাব অৱ ইণ্ডিয়া চমুকৈ পিচিআয়ে। পিচিআইৰ সভাপতি গৌতম লাহিড়ী আৰু শেষাংশ ২ পৃষ্ঠাত

## পৰিৱেশ সুৰক্ষা আৰু বনাঞ্চল ধ্বংস যজ্ঞক লৈ গুৰুত্বপূৰ্ণ ৰায় ছুপ্ৰিম কৰ্টৰ

# 'গছ কটাটো মানুহ হত্যা কৰাতকৈ বেছি ডাঙৰ অপৰাধ'

■ তাজমহলৰ সংৰক্ষিত অঞ্চলত গছ কটা গোচৰত এডাল গছত এক লাখ টকাকৈ জৰিমনা আদালতৰ



নতুন দিল্লী, ২৬ মাৰ্চঃ গোলকীয় উষ্ণতাৰ ফলত সলনি হৈছে জলবায়ু, তাৰ পিছতো নিৰ্বিচাৰে অব্যাহত আছে বন ধ্বংস যজ্ঞ। এনে পৰিস্থিতিত উচ্চতম ন্যায়ালয়ৰ কঠোৰ পৰ্যবেক্ষণ- "গছ কটা মানুহ হত্যাতকৈও ডাঙৰ ৩ পৃষ্ঠাত চাওক

## দিলোৱাৰৰ গ্ৰেপ্তাৰত হস্তক্ষেপ শইকীয়াৰ!

## বিজেপিৰ সভাপতিৰ ওপৰত খৰ্গহস্ত হিমন্ত শিবিৰ!



ই-সংবাদ, ২৬ মাৰ্চঃ বিজেপিৰ ৰাজ্যিক নতুন সভাপতি দিলীপ শইকীয়া এতিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বাবে ৫ পৃষ্ঠাত চাওক

### সাংবাদিকৰ পক্ষত আছু

## 'চৰকাৰে কেৱল সাংবাদিকৰ মুখত 'হয় হুজুৰ' বিচাৰে'

ই-সংবাদ, ২৬ মাৰ্চঃ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা কাৰ্যৰ বিৰোধিতা কৰিছে সদৌ শেষাংশ ২ পৃষ্ঠাত

## সাংবাদিকৰ কণ্ঠ ৰোধৰ চেষ্টা! চেন্নাইত প্ৰতিবাদ সাব্যস্ত



ই-সংবাদ, ২৬ মাৰ্চঃ জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে আজি ৰাজধানী ৬ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিক গ্ৰেপ্তাৰ! তীব্ৰ ভাষাৰে

মহাসচিব নীৰজ ঠাকুৰে পৰিয়ালক অৱগত নকৰাকৈ আৰু কোনো লোকক সাক্ষাৎ কৰিবলৈ নিদি সংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক কেইবাঘণ্টা ধৰি থানাত বহুৱাই ৰাখি পিছত গ্ৰেপ্তাৰ কৰা কাৰ্যক কঠোৰ ভাষাৰে নিন্দা কৰিছে। এক বিবৃতিত পিচিআয়ে কয় যে এই বিষয়ত অসম আৰক্ষীৰ উচ্ছৃংখলতাক গৰিহণা দিছো। পৰিয়াল আৰু সহকৰ্মীসকলক প্ৰথমতে কি কাৰণত আটক কৰা হৈছিল সেই বিষয়ে অৱগত কৰিবলৈ অস্বীকাৰ কৰিছে আৰক্ষীয়ে। এজন সাংবাদিকক তেওঁৰ কৰ্তব্য পালন কৰাত বাধা দিয়াটো সংবাদ মাধ্যমৰ স্বাধীনতাৰ এক গুৰুতৰ উলংঘন। সংবিধানৰ অনুচ্ছেদ ১৯ (১) (এ)ৰ অধীনত অধিকাৰ নিশ্চিত কৰা হৈছে। পিচিআয়ে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বিষয়টোত হস্তক্ষেপ কৰি সম্পূৰ্ণ আন্তৰিকতাৰে চাবলৈ আৰু আৰক্ষীয়ে আইনৰ প্ৰকৃত আত্মাক সন্মান কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। মজুমদাৰৰ বিৰুদ্ধে কোনো মিছা অভিযোগ থাকিব নালাগে, এক পিছপৰা সংখ্যালঘু সম্প্ৰদায়ৰ লোক। মিছাকৈ অভিযুক্ত কৰাৰ বাবে অনুসূচিত জাতি-জনজাতি আইনৰ অপব্যৱহাৰ নকৰিবলৈ নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ নিজৰ কৰ্তব্য পালন কৰি দুৰ্নীতি সম্পৰ্কীয় এক সংবেদনশীল প্ৰতিবাদৰহে কভাৰ কৰি আছিল বুলি উল্লেখ কৰে পিচিআয়ে। আনহাতে প্ৰেছ ক্লাব অৱ ইণ্ডিয়াই সকলো সাংবাদিকে দিলোৱাৰ হুছেইন মজুমদাৰৰ সপক্ষে থিয় দিয়াৰ কথা ব্যক্ত কৰি কয় যে ২৬ মাৰ্চৰ মাজনিশা অসম আৰক্ষীয়ে ডিজিটেল মিডিয়াৰ জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰাৰ বিৰুদ্ধে আজি গুৱাহাটী প্ৰেছ ক্লাবে কৰা প্ৰতিবাদক সমৰ্থন জনাইছে প্ৰেছ ক্লাব অৱ ইণ্ডিয়াই। গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক মজুমদাৰক পৰিয়াল বা দ্য ক্ৰছ কাৰেণ্টক অৱগত নকৰাকৈ ২৫ মাৰ্চৰ আবেলিৰ পৰা গুৱাহাটীৰ পাণবজাৰ আৰক্ষী থানাই আটক কৰিছিল। পিছত তেওঁক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ২৫ মাৰ্চৰ আবেলি পাণবজাৰত ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত বেংক অসম কো-অপাৰেটিভ এপেক্স বেংকৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত আঞ্চলিক দল অসম জাতীয় পৰিষদৰ এটা ভগ্নী সংগঠনে কৰা প্ৰতিবাদৰ বাতৰি সংগ্ৰহ কৰিবলৈ গৈছিল। অসম আৰক্ষীয়ে মজুমদাৰক মাতি পঠিয়ায়। বেংকৰ নিযুক্তি প্ৰক্ৰিয়াৰ কেলেংকাৰীৰ বিৰুদ্ধে এই প্ৰতিবাদ কৰা হৈছিল যদিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বেংকৰ সঞ্চালক, ইয়াৰ অধ্যক্ষ হৈছে বিজেপি বিধায়ক বিশ্বজিৎ ফুকন। যেতিয়া বেংকৰ মেনেজিং ডাইৰেক্টৰ ডম্বৰু শইকীয়া ঘটনাস্থলীত উপস্থিত হৈছিল মজুমদাৰ তেওঁৰ ওচৰলৈ মন্তব্যৰ বাবে গৈছিল। শইকীয়াক সুধিছিল যে তেওঁৰ প্ৰশ্নৰ উত্তৰ দিবলৈ ৰ'ব পাৰিবনে? কেমেৰাত শইকীয়াক তেওঁৰ ওপৰৰ কাৰ্যালয়লৈ নিমন্ত্ৰণ কৰা শুনা গৈছিল, যিটো কথা মজুমদাৰে মানি লৈছিল। অৱশ্যে, বেংকৰ পৰা ওলাই অহাৰ পিছত পাণবজাৰ আৰক্ষী থানাৰ পৰা ফোন পাইছিল। থানাত উপস্থিত হোৱাত তেওঁক আটক কৰা হৈছিল। আৰক্ষী থানাত উপস্থিত হোৱাৰ অলপ পিছতে এটা ফেচবুক পোষ্টত মজুমদাৰে কয় যে কথিত কেলেংকাৰীৰ বিষয়ে এম ডিক প্ৰশ্ন সোধাৰ বাবে তেওঁক আটক কৰা হৈছিল। ক্ৰছ কাৰেণ্টে পিছত প্ৰতিবেদন দিছিল যে তেওঁক আটক কৰাৰ আনুষ্ঠানিক কাৰণ আছিল যে তেওঁ বেংকত অনধিকাৰ প্ৰৱেশ কৰিছিল যদিও এজন শীৰ্ষ বিষয়াই তেওঁক আমন্ত্ৰণ জনাইছিল। কিন্তু আৰক্ষী থানাত তেওঁক লগ কৰিবলৈ অনুমতি দিয়া হোৱা নাছিল। তেওঁৰ অধিবক্তাক প্ৰৱেশ কৰিবলৈ দিয়া নাছিল। সাংবাদিকসকলে আটকৰ বিষয়ে তথ্য প্ৰাপ্ত কৰিবলৈ চেষ্টা কৰি পুৱা ১ বজালৈ বাহিৰত আছিল। যিহেতু মজুমদাৰে উপবাস কৰি আছিল, তেওঁৰ পত্নীয়ে সন্ধিয়া ইফতাৰৰ সামগ্ৰী লৈ আৰক্ষী থানাত উপস্থিত হৈছিল। কিন্তু পত্নীক ইফতাৰৰ সামগ্ৰী দিবলৈ অনুমতি দিয়া হোৱা নাছিল। মজুমদাৰ এজন ডায়েবেটিছ ৰোগী যদিও দৰব দিবলৈ দিয়া হোৱা নাছিল। নিশা ১১ বজাত সাংবাদিকসকলৰ নিৰন্তৰ অনুৰোধত পত্নীক অলপ সময়ৰ বাবে তেওঁক লগ কৰিবলৈ অনুমতি দিয়া হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'চৰকাৰে কেৱল সাংবাদিকৰ মুখত

অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। সাংবাদিকগৰাকীক গ্ৰেপ্তাৰ কৰা কাৰ্যক তীব্ৰ নিন্দা আৰু গৰিহণা দিছে মুখ্য উপদেষ্টাগৰাকীয়ে। লগতে আজি গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত প্ৰতিবাদ সাব্যস্ত কৰাত সাংবাদিকৰ গাত আৰক্ষীয়ে হাত দিয়া কাৰ্যৰ বিৰোধিতা কৰিছে ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। এক্সত এটা পোষ্ট দি সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক আৰক্ষীয়ে আটক কৰা কাৰ্যক তীব্ৰ গৰিহণা জনাইছো। এই আটকৰ প্ৰতিবাদ জনাবলৈ যাওঁতে আৰক্ষীয়ে গুৱাহাটী প্ৰেছ ক্লাবৰ বিষয়ববীয়া আৰু আৰু সাংবাদিকসকলক চলোৱা নিৰ্যাতন নিতান্তই গৰ্হিত। ই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ স্বাধীনতাত আঘাত হানিছে। আনহাতে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মায়ো সাংবাকিগৰাকীক গ্ৰেপ্তাৰত তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে। উৎপল শৰ্মাই কয় যে সাংবাদিকক গ্ৰেপ্তাৰ কৰি চৰকাৰ যে অসহিষ্ণু হৈছে তাৰ প্ৰমাণ দিছে। চৰকাৰখনে সাংবাদিকৰ পৰা এতিয়া মাত্ৰ দুটা শব্দহে শুনিবলৈ বিচাৰে সেয়া হৈছে 'হয় হুজুৰ'। উৎপল শৰ্মাই সাংবাদিকজনক বিনাচৰ্তে
মুকলি কৰি দিবলৈ দাবী জনায়। অসমত এইটো এটা নভবা-নিচিন্তা ধৰণৰ ঘটনা ঘটিছে। গ্ৰাউণ্ড ৰিপৰ্ট সংগ্ৰহ কৰিবলৈ যোৱা এগৰাকী সাংবাদিকক আৰক্ষী থানালৈ মাতি নি ঘণ্টাৰ পিছত ঘণ্টা ধৰি বহুৱাই ৰাখি গোচৰ কি আছে নজনোৱাকৈ, অধিবক্তাক সাক্ষাতৰ সুযোগ নিদি মাজৰাতি গ্ৰেপ্তাৰ কৰা হৈছে। এটা কথা স্পষ্ট যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত গণতন্ত্ৰৰ কণ্ঠ ৰুদ্ধ কৰাৰ অপচেষ্টা চলিছে। এয়া তাৰ প্ৰতিফলন। এইটো প্ৰথম ঘটনা নহয়। 'এডেও দুডেও লোটা নিয়াৰ ছেও'। এনে ঘটনা এইখন চৰকাৰে ধাৰাবাহিকভাৱে ঘটাই আছে। মুখ্যমন্ত্ৰীক সংবাদমেলত যদি তেওঁৰ মনে বিচৰা ৰণে প্ৰশ্ন নকৰে তেন্তে সাংবাদিকক তুচ্ছ-তাচ্ছিল্য কৰে। সাংবাদ গোষ্ঠীয়ে যদি চৰকাৰৰ নীতিৰ বিৰুদ্ধে বাতৰি পৰিৱেশন কৰে সেই সংবাদ গোষ্ঠীটোক আক্ৰমণ কৰে। এইখন অসমত বাতৰি পৰিৱেশন কৰিবলৈ যোৱা সাংবাদিকে আৰক্ষীৰ কন্দুৱা গেছ খাবলগীয়া হৈছে। কালি গ্ৰউণ্ড জিৰত সংবাদ সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক গ্ৰেপ্তাৰ কৰিছে। তেওঁৰ বিৰুদ্ধে গোচৰ জাপি দিছে। যদি গ্ৰেপ্তাৰ কৰিবলগীয়া আছিল, এজাহাৰ দিছিল, তেন্তে সাংবাদিকজনক জাননী এখন কিয় নিদিলে? অধিবক্তাক সাক্ষাতৰ বাবে ন্যূনতম সুবিধাখিনি কিয় নিদিলে। কিহৰ বাবে থানাত বহুৱাই ৰাখি মাজনিশা গ্ৰেপ্তাৰ কৰিলে তাৰে উত্তৰ এইখন চৰকাৰে দিব লাগিব- কয় উৎপল শৰ্মাই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিকক গ্ৰেপ্তাৰৰ গৰিহণা

১৮০ খন দেশৰ ভিতৰত ভাৰতৰ স্থান ১৫৯। এয়া নিম্ন স্থান। দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰাটো গ্ৰহণযোগ্য নহয়। এনে কাৰ্যই সাংবাদিকতাৰ স্বাধীনতাত আঘাত হানিছে। দিলোৱাৰক গ্ৰেপ্তাৰৰ ঘটনা গণতন্ত্ৰৰ বাবে অশনি সংকেত। আজি শিৱসাগৰ ই-মিডিয়া সংস্থাৰ উদ্যোগত তথা শিৱসাগৰ ছোৱালী কলেজৰ সহযোগত অনুষ্ঠিত সংবাদ কৰ্মশালা আৰু বাৰ্তালাপ অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি এই মন্তব্য কৰে দেশৰ বিবিচিৰ এছিয়া পেচিফিক শচীন গগৈয়ে। জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে 'বৃত্তি হিচাপে সাংবাদিকতা' বিষয়ত বক্তৃতা প্ৰদান কৰি আজিৰ সাংবাদিকতাই যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বুলি উদ্বেগ প্ৰকাশ কৰে। অৱশ্যে নতুনকৈ সাংবাদিকতা কৰিব খোজাসকল হতাশ হোৱাৰ প্ৰয়োজন নাই বুলি ব্যক্ত কৰে। তেওঁ কয় যে সাংবাদিকতা আন দহটা বৃত্তিৰ দৰে একে নহয়। সাংবাদিকতা মনোজগতক প্ৰভাৱিত কৰা এক বৃত্তিমূলক সেৱা। যিসকল সাংবাদিকতাৰ প্ৰতি আগ্ৰহী তেওঁলোকে অধ্যয়ন কৰিব লাগিব, কষ্ট কৰিব লাগিব। সাংবাদিকতাৰ পৰিসৰ এতিয়া কেৱল টেলিভিছন, বাতৰি কাকত বা ৰেডিঅ'ৰ মাজতে আবদ্ধ নহয়। পৰিসৰ যথেষ্ট বৃদ্ধি পাইছে। শিৱসাগৰ ই-মিডিয়া সংস্থাৰ যুটীয়া সম্পাদক প্ৰদীপ গগৈয়ে আঁত ধৰা অনুষ্ঠানত শচীন গগৈয়ে সম্প্ৰতি সাংবাদিকতা অধিক মনোৰঞ্জনধৰ্মী হোৱাটো শুভ লক্ষণ নহয় বুলি উদ্বেগ প্ৰকাশ কৰে। আগতে বাতৰিত তথ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। এতিয়া মনোৰঞ্জনধৰ্মী, চাঞ্চল্যৰ ওপৰত গুৰুত্ব দিয়া কাৰ্যই ক্ষতি কৰিছে। ইয়াৰ উপৰি সাংবাদিকসকলে কাৰো পৰা উপঢৌকন, সা-সুবিধা আদায় নকৰিলেহে নিজৰ গুৰুত্ব থাকিব বুলি পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় 'আনে আমাক ক্ৰয় কৰিবলৈ সাহস কৰিব নালাগিব। সততাৰে সাংবাদিকতা কৰিলেহে এয়া সম্ভৱ। অনুষ্ঠানৰ আৰম্ভণিতে সংস্থাৰ সভাপতি জয়জ্যোতি গগৈ, শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড° প্ৰতিম শৰ্মা, জ্যেষ্ঠ সাংবাদিক মনোজ কুমাৰ বৰঠাকুৰ, ইনামুল হাজৰিকা আৰু ভৈৰৱ মুণ্ডাক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। কৰ্মশালাৰ প্ৰাকক্ষণত শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড০ প্ৰতিম শৰ্মাই শচীন গগৈৰ জীৱনপঞ্জী সন্দৰ্ভত ব্যাখ্যা কৰে। ৮০ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰী, সাংবাদিকে অংশগ্ৰহণ কৰা কৰ্মশালাত জ্যেষ্ঠ সাংবাদিক মনোজ কুমাৰ বৰঠাকুৰে সাংবাদিকতা কৰাটো সহজ নহয় বুলি দোহাৰে। সাংবাদিকতাক বৃত্তি হিচাপে ল'ব বিচৰাসকলে কলেজীয়া দিনৰে পৰা অতি অধ্যয়নশীল হ'ব লাগিব বুলি পৰামৰ্শ আগবঢ়ায়। সংস্থাৰ সভাপতি জয়জ্যোতি গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত জ্যেষ্ঠ সাংবাদিক মণিৰুল ইছলাম বড়া, ই-মিডিয়া সংস্থাৰ যুটীয়া সম্পাদক মুজাক্কিৰ আহমেদসহ বহুসংখ্যক সাংবাদিক উপস্থিত থাকে। আনহাতে কৰ্মশালাৰ প্ৰাকক্ষণত শিৱসাগৰ বাবুপট্টীত শিৱসাগৰ ই-মিডিয়া সংস্থাৰ মুখ্য কাৰ্যালয় ফিতা কাটি মুকলি কৰে সাংবাদিক শচীন গগৈয়ে। নতুন কাৰ্যালয়টোতে শ্বহীদ সাংবাদিক কমলা শইকীয়া, পৰাগ কুমাৰ দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'গছ কটাটো মানুহ হত্যা কৰাতকৈ

অপৰাধ!" প্ৰতিজোপা গছ কাটিলে এক লাখ টকাৰ জৰিমনা বিহাৰ নিৰ্দেশ দি পৰিৱেশ সুৰক্ষাৰ বাবে কঠোৰ বাৰ্তা প্ৰেৰণ কৰিছে উচ্চতম ন্যায়ালয়ে। আলোচিত এই গোচৰটো তাজমহলৰ সংৰক্ষিত অঞ্চল 'তাজ ট্ৰেপেজিয়াম জ'ন'ৰ সৈতে জড়িত। অভিযোগ অনুসৰি শিৱশংকৰ আগৰৱালা নামৰ এজন ব্যক্তিয়ে এই অঞ্চলত ৪৫৪ জোপা গছ কাটিছে, যাৰ ফলত পৰিবেশৰ ওপৰত ভ য়ংকৰ প্ৰভাৱ পৰিব। ন্যায়াধীশ অভয় এছ ওকা আৰু উজ্জ্বল ভূঞাৰ বিচাৰপীঠে কয়, "এই গছবোৰ পুনৰ ৰোপণ কৰি প্ৰাপ্তবয়স্ক হোৱালৈ কমেও ১০০ বছৰ সময় লাগিব, কিন্তু অভিযুক্তই অনুমতিৰ বাবে বিন্দুমাত্ৰও চিন্তা নকৰিলে।" ইয়াৰ পিছতে আদালতে শিৱশংকৰৰ আগৰৱালক ৪৫৪ জোপা গছ কটাৰ বাবে কটা প্ৰতিজোপা গছৰ বিপৰীতে ১ লাখ টকা জৰিমনা ভৰিব লাগিব বুলি নিৰ্দেশ দিয়ে। অভিযুক্তৰ অধিবক্তাই জৰিমনা হ্ৰাস কৰাৰ বাবে আবেদন জনায় যদিও উচ্চতম ন্যায়ালয়ে আবেদন নাকচ কৰি কয়, "বন ধ্বংসৰ দায়িত্ব কোনো ধৰণে হ্ৰাস কৰিব নোৱাৰি"। মন কৰিবলগীয়া যে ২০১৯ চনত তাজমহলৰ কাষৰীয়া অঞ্চলটোক উচ্চতম ন্যায়ালয়ে 'তাজ ট্ৰেপেজিয়াম জ'ন' হিচাপে ঘোষণা কৰিছিল, য'ত গছ কটাৰ বাবে নিৰ্দিষ্ট অনুমতি বাধ্যতামূলক। কিন্তু নিয়ম উলংঘা কৰি গছবোৰ কাটি পেলোৱা হৈছিল, যাৰ বাবে অভিযুক্তই যথেষ্ট জৰিমনা ভৰিবলগীয়াত পৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকসভাত বিৰোধীৰ কোনো

চৌহদত থিয় হৈ বিস্ফোৰক অভিযোগ উত্থাপন কৰে বিৰোধী নেতা ৰাহুল গান্ধীয়ে। তেওঁ দাবী কৰে যে যোৱা ৭-৮ দিন ধৰি তেওঁক সংসদত কথা ক'বলৈ দিয়া হোৱা নাই। যেতিয়াই অধ্যক্ষক অনুৰোধ কৰা হৈছে তেতিয়াই তেওঁ এই প্ৰসংগ এৰাই চলিছে। কংগ্ৰেছে অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৮ মাৰ্চত সংসদত কুম্ভমেলা সন্দৰ্ভত বক্তব্য দিছিল। ৰাহুলে সেইদিনা নিবনুৱা সমস্যা আৰু কুম্ভমেলা সন্দৰ্ভত কথা ক'ব বিচাৰিছিল, কিন্তু সুযোগ নাপালে। তাৰ পিছৰে পৰা একাধিক অনুৰোধৰ পিছতো তেওঁক কথা ক'বলৈ দিয়া হোৱা নাই। বুধবাৰে সংসদ চৌহদত থিয় হৈ ৰাহুলে কয়, "সংসদত বিৰোধীৰ সৈতে কথা পতাৰ পৰম্পৰা আছে। মই অধ্যক্ষক অনুৰোধ কৰিছিলো, কিন্তু তেওঁ এৰাই চলা দেখা দেখা গ'ল। সংসদে এনেদৰে কাম কৰিব নোৱাৰে।" ৰাহুলে অভিযোগ কৰে যে "সংসদে এতিয়া কেৱল চৰকাৰৰ কথা শুনিছে। বিৰোধীৰ কোনো স্থান নাই। প্ৰধানমন্ত্ৰীয়ে কুম্ভৰ বিষয়ে কৈছিল, মই নিবনুৱা সমস্যাৰ কথা ক'ব বিচাৰিছিলো, কিন্তু মই সেই সুযোগ নাপালোঁ। এই সংসদ সম্পূৰ্ণ একপক্ষীয় হৈ পৰিছে।" ৰাহুলৰ অভিযোগৰ পিছতে অধ্যক্ষৰ ওচৰলৈ গৈ কংগ্ৰেছৰ ৭০ জন সাংসদে ক্ষোভ প্ৰকাশ কৰে। কে চি ভেনুগোপাল, গৌৰৱ গগৈকে ধৰি কেইবাজনো নেতাই ওম বিৰলাক প্ৰশ্ন কৰে যে বিৰোধী দলৰ নেতাক কিয় সংসদত কথা ক'বলৈ দিয়া হোৱা নাই।অৱশ্যে এয়া প্ৰথমবাৰৰ বাবে নহয়। অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে ২০২৪ চনৰ লোকসভাৰ আগত একেলগে এশৰো অধিক সাংসদক নিলম্বন কৰাৰ অভিযোগ উত্থাপন হৈছিল। এইবাৰো তেওঁৰ বিৰুদ্ধে পক্ষপাতিত্বৰ অভিযোগ উত্থাপন হোৱাত ৰাজনৈতিক মহলত তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপেক্স বেংক কেলেংকাৰীৰ

প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। আজি ফুকনে সাংবাদিকৰে মুখামুখি হৈ কয় যে এপেক্স বেংকত এটা ঘটনা ঘটিছিল, য'ত ৰাজেশ বাজাজে প্ৰায় ২০ কোটি টকা বেংক কৰ্তৃপক্ষই গম নোপোৱাকৈ বেংক মেনেজাৰৰ সৈতে লগ হৈ একাউন্টৰ পৰা উলিয়াই নিছিল। এইটো কোনো ঋণ নাছিল আৰু সেই বিষয়টো মই নিজেই চেয়াৰমেন হিচাপে গোচৰ তৰিছিলো বিআইইউত। এই গোচৰটো এতিয়া ইডিত বিচাৰাধীন হৈ আছে। এই গোচৰটো বহুতে কোৱা শুনিছো, কোনোবা জাতীয় অনুষ্ঠানক কোৱা শুনিছো যে ইয়াৰ তদন্ত কৰিবলৈ সাহস হোৱা নাই। আচলতে চেয়াৰমেন হিচাপে এই গোচৰটোময়েই দিছো, গোচৰটো ইডিৰ হাতত আছে। গতিকে ইডিয়ে নিশ্চয় তদন্ত কৰিব, আমি দাবী জনাইছো যাতে তেওঁৰ সম্পত্তি বাজেয়াপ্ত কৰি হ'লেও আমাৰ বেংকৰ জমাধন আমাক ঘূৰাই দিব লাগে। আনহাতে দাতা মজুতকৰণ ব্যৱস্থাক লৈ কেলেংকাৰী সংঘটিত হোৱা বুলি উত্থাপিত অভিযোগক লৈ ফুকনে কয় যে টেণ্ডাৰ সম্পৰ্কত নিউজ ওলাইছিল, এইটো ভুৱা, ভিত্তিহীন আৰু মিছা নিউজ। অপেন টেণ্ডাৰ হৈছে, যি আটাইতকৈ কম ৰেট মাৰিছে তেওঁলোকক দাম দিয়া হৈছে, তাকো ব'ৰ্ড অৱ ডাইৰেক্টৰত আলোচনা হোৱাৰ পাছত, তেওঁলোকক মাতি আনি ৪০ লাখ টকা নেগচিয়েশ্যন কৰি কমোৱা হৈছে। য'ত নাবাৰ্ডৰ চিজিএম আছে। অসম চৰকাৰৰ সমবায় বিভাগৰ মানুহ আছে। এই কথাখিনি নজনাকৈ আক্ৰোশমূলকভাৱে বেংকটোৰ প্ৰতি যি নিগেটিভ এটা ধাৰণা সৃষ্টি কৰিব বিচৰা হৈছে ই অসমৰ জাতীয় অনুষ্ঠানটোৰ প্ৰতি আক্ৰমণ হৈছে। গতিকে এইখিনি আমি বেয়া পাইছো। এই কথাখিনি কোৱাৰ আগত প্ৰকৃত কথাখিনি জানি লওক। কালি বেংকত প্ৰতিবাদ কৰা সাংবাদিকক গ্ৰেপ্তাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ফুকনে কয় যে আচলতে কালি মই বিধানসভাত আছিলো। ৩.৩০ বজাৰ পৰা বিধানসভা হৈছে, পাছত মই মিছ কল পাইছো। মই তেতিয়া এই বিষয়টো গম পোৱা নাছিলো। পিছত গম পালো যে বেংকৰ এজন কৰ্মচাৰী আৰু এজন ব্যক্তিৰ মাজত হোৱা সংঘাত। ইয়াত বেংক প্ৰত্যক্ষভাৱে জড়িত নহয়, এয়া তেওঁলোকৰ বিষয়। গতিকে বিষয়টোক লৈ মই বিশেষ নাজানো। কালিৰে পৰা বিধানসভাত ব্যস্ত আছিলো। এই বিষয়টো কি হৈছে পুলিচে ভালকৈ জানিব আৰু তেওঁলোকেহে ভালকৈ জনাব পাৰিব। চাওক, বেংকৰ খৰচপাতিবিলাক এনেকুৱা- এসময়ত বেংকত জমা আছিলে ৫০০ কোটি টকা, সেই সময়ত বেংকৰ ১০০ কোটি টকা লোকচান আছিল। এতিয়া ৩৫০০ কোটি টকা জমা আছে, এশ কোটি টকা লোকচান অতিক্ৰম কৰি আমি ডেৰশ কোটি টকা প্ৰফিট কৰিলো। আপুনি ২০০০ চনৰ কথা যদি ভাবে, সেই সময়ত এটা ছাৰ্ট আপুনি ৫০ টকাত কিনিছিল, এতিয়া আপুনি ছাৰ্ট কিনিলে ইমান খৰচ হয়। কিন্তু ৫০ লাখটো এটা অবাস্তৱ সংখ্যা, ইমান খৰচ হোৱা নাই। বেংকৰ এটা বাজেট থাকে, সেই বাজেটটো বাৰ্ষিক সাধাৰণ সভাত এপ্ৰ'ভ কৰে, বাজেটত যিবিলাক পইচা খৰচ কৰিবলৈ দিয়ে, সেই এপ্ৰ'ভেল মতে বেংকে খৰচ কৰে। এই বিষয়বিলাক আমাৰ লেভেলত চোৱা নহয়। আমি ফুল টাইম ডাইৰেক্টৰ নহয়। আমি ব'ৰ্ড ডাইৰেক্টৰ মিটিং যেতিয়া আহে তেতিয়া আহো। গুৰুত্বপূৰ্ণ বিষয়বিলাক, ফাইলবিলাক আমাক চাবলৈ দিয়ে। বেংক এটা ছিষ্টেমত চলে। সমবায় সমিতি আইনৰ অধীন, এইটো সমবায় বেংক। গতিকে দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কি তথ্যৰ ভিত্তিত কৈছে নাজানো, তেখেত আহিলে বেংকত চাব পাৰিব যোৱা ৩০ বছৰত প্ৰত্যেক বছৰে এজিএমত কিমান খৰচ হৈছে। আজিৰ তাৰিখত এক লাখতকৈ বেছি শ্বেয়াৰ হোল্ডাৰ আছে। নিয়মমতে এক লাখতকৈ বেছি শ্বেয়াৰ হোল্ডাৰ থাকিলে সকলোৱে ইয়ালৈ আহিব লাগে। আহিব নোৱাৰে বাবে জ'নেল লেভেলত একো একোখন মিটিং হয়, তালৈ আহে। প্ৰায় ৩ হাজাৰ সমবায় সমিতি আমাৰ সদস্য। তেওঁলোক আহিব লাগে। ইমান মানুহ যদি সংযুক্ত হৈ থাকে, তাততো কেইটকামান খৰচ হ'বই, তালৈ অহা মানুহখিনিক ভাত খুওৱাটো তেওঁ বেয়া পাইছে। আমাৰ খৰচ ক'ত হয়, প্ৰত্যেকজন শ্বেয়াৰ হোল্ডাৰক আমি এনুৱেল ৰিপ'ৰ্ট দিব লাগে, কিছু ডকুমেণ্ট দিব লাগে, এটা ফাইল দিব লাগে। তেওঁলোকক আমি এসাজ ভাত খুৱাও। তাৰ বাহিৰেতো বেলেগ খৰচ একো নহয়। বেংক কৰ্তৃপক্ষৰ এজাহাৰখন এখন সাধাৰণ এজাহাৰ, এইখন জামিনযোগ্য। বেংকত যিহেতু এটা ঘটনা ঘটিছিল, ধৰ্ণা হৈছিল, বেংকত মানুহ সোমাইছিল, সাধাৰণভাৱে সেই সময়ত পুলিচক যিহেতু জনালে ফোন কৰি যে আমাৰ বেংকত এনেকুৱা এটা ঘটনা ঘটিছে। পুলিচক ফোন কৰি জনোৱা কাৰণে নিয়মমাফিক বেংকৰ পৰা সেই কাগজখন দিয়া হৈছিল কয় বিশ্বজিৎ ফুকনে। আনহাতে বেংকটোৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াই কালিৰ ঘটনাৰ বিৰুদ্ধে আজি ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ কৰা বুলি উল্লেখ কৰে। তেওঁ কয় যে আমাৰ এজন ছিকিউৰিটি গাৰ্ডক জাতত ধৰি গালি পাৰিছে। সেই মানুহজনে ব্যক্তিগতভাৱে গোচৰ দিছে। আনহাতে কালি প্ৰতিবাদৰ সময়ত বেংকত এট অবাঞ্ছিত পৰিস্থিতি সৃষ্টি হোৱাৰ অভিযোগ আনি শইকীয়াই কয় যে একেটা চৌহদতে গুৱাহাটী শাখাৰ কাৰ্যালয় আছে। ফলত বহু গ্ৰাহকে হাৱাশাস্তিৰ সন্মুখীন হয়। ওপৰৰ পৰা তললৈ যাব নোৱাৰা হ'ল। তলৰ পৰা ওপৰলৈ যাব নোৱাৰ হ'ল। বেয়া পৰিস্থিতিৰ ওপৰত বেংকৰ তৰফৰ পৰা ব্যৱস্থা লোৱা হৈছে। যিহেতু তেওঁ বেয়া পৰিস্থিতি কৰিছিল সেয়েহে ব্যৱস্থা লোৱা হৈছে। তথ্য চুৰিৰ প্ৰয়াস কৰা হৈছিল। ফলত আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি হৈছিল। সেয়ে আমি আৰক্ষীক ফোন কৰিছিলো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'দিলোৱাৰৰ মুক্তি গণতন্ত্ৰৰ

নোৰৰা কথাটোৱে প্ৰমাণ কৰিছে যে আৰক্ষী ৰাজনৈতিকভাৱে ব্যৱহাৰ হৈছে। আদালতে জামিন মঞ্জুৰ কৰাটো গণতন্ত্ৰৰ বাবে এক শুভ লক্ষণ বুলি উল্লেখ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কয় যে সাংবাদিকসকলে দুৰ্নীতিৰ বিৰুদ্ধে যি যুদ্ধ অব্যাহত ৰাখিছে কংগ্ৰেছে তাক সমৰ্থন কৰি আহিছে। বিশেষকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ ঘনিষ্ঠসকলে অবাধ দুৰ্নীতি কৰি অসমৰ সম্পদ যি হাৰত লুণ্ঠন কৰিছে তাৰ বিৰুদ্ধে সাংবাদিকসকলৰ বলিষ্ঠ পদক্ষেপৰ বাবে বিৰোধী দল হিচাপে কংগ্ৰেছ সাংবাদিকসকলৰ ওচৰত কৃতজ্ঞ। চৰকাৰখনৰ অগণতান্ত্ৰিক আৰু অসাংবিধানিক কাম-কাজৰ বিৰুদ্ধে অসমৰ সাংবাদিকসকলে চিৰ জাগ্ৰত প্ৰহৰী হিচাপে কাম কৰি অহাৰ বাবে জাতিৰ অস্তিত্ব সুৰক্ষিত বুলি আমি বিশ্বাস কৰো। সকলো জাতি-জনগোষ্ঠীক লৈ এখন বিকশিত অসম গঢ়াৰ ক্ষেত্ৰত কংগ্ৰেছ দলে গণতান্ত্ৰিতভাৱে গ্ৰহণ কৰা কৰ্মসূচীত সাংবাদিকসকলৰ প্ৰত্যক্ষ সহযোগিতা কামনা কৰিছো- এইদৰে কয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজপথ কঁপালে ৰাজ্যৰ সাংবাদিকে

হয় ছাত্ৰীক। নেতাৰ নামত ৰুজু গোচৰৰ তথ্য উল্লেখ কৰি টুইট কৰিলে বিৰোধী দলৰ নেতাক কাৰাগাৰত প্ৰক্ষেপ কৰা হয়। এইবাৰ মনেসজা আৰু ভিত্তিহীন গোচৰত সাংবাদিকক গ্ৰেপ্তাৰ কৰা হৈছে। এপেক্স বেংকৰ নিয়োগ কেলেংকাৰী আৰু দাতা মজুতকৰণৰ ঠিকাৰ নামত ২৮ কোটিটকীয়া কেলেংকাৰী সংঘটিত হোৱাৰ বাতৰি সংগ্ৰহ কৰিবলৈ গৈ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰাত জাঙুৰ খাই উঠিল সাংবাদিক সমাজ। আজি সাংবাদিকৰ প্ৰতিবাদত উত্তাল হ'ল গুৱাহাটী মহানগৰী। সাংবাদিকৰ অধিকাৰ হনন আৰু গণতন্ত্ৰক ভূলুণ্ঠিত কৰি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা ঘটনাৰ বিৰুদ্ধে আজি কেইবাশ সাংবাদিকে আমবাৰীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আনৰ প্ৰতিবাদী কাৰ্যসূচী কভাৰ কৰাত ব্যস্ত থকা সাংবাদিকে আজি নিজেই ৰাজপথ উত্তাল কৰে। কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিক তথা মুখ্য সম্পাদক, সম্পাদকৰ উপস্থিতিত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কিন্তু আৰক্ষীয়ে প্ৰতিবাদী সাংবাদিকক বাধা দিয়ে লগতে প্ৰহাৰ কৰিবলৈ উদ্যত হয়। ৰাজপথত সাংবাদিক আৰু আৰক্ষীৰ মাজত-হতাহতি হয়। সাংবাদিকক গঁতিয়াই প্ৰতিবাদক বাধা দিবলৈ প্ৰয়াস কৰা হয়। দীৰ্ঘ সময় সাংবাদিকে ৰাজপথ উত্তাল কৰি ৰাখে। গুৱাহাটী প্ৰেছ ক্লাবৰ আহ্বানত আজি পুৱা ১১ বজাত কেইবাশতাধিক সাংবাদিক প্ৰেছ ক্লাবৰ আমবাৰীস্থিত কাৰ্যালয়ত সমৱেত হয়। প্ৰায় ১২ বজাত ক'লা বেজ পৰিধান কৰি সাংবাদিকসকলে প্ৰতিবাদ আৰম্ভ কৰে। গুৱাহাটী প্ৰেছ ক্লাবৰ সন্মুখৰ পল্টনবজাৰ ৰেল ষ্টেচন-চানমাৰি সংযোগী পথত সাংবাদিকসকলে ধৰ্ণা দিয়ে। কিন্তু সাংবাদিকসকলে প্ৰতিবা আৰম্ভ কৰাৰ পূৰ্বেই বৃহৎসংখ্যক আৰক্ষী বাহিনী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হয়। প্ৰেছ ক্লাবৰ গেটত সাংবাদিকসকলে অসম চৰকাৰ হায় হায়, সাংবাদিক আজি জাগিছে, দিলোৱাৰ মুজমদাৰক মুক্তি দিয়ক, অসম আৰক্ষী হায় হায় আদি শ্ল'গানৰ লগতে ধৰ্ণা দিয়ে। সেই সময়ত এজন আৰক্ষী বিষয়াই এটা নিউজ চেনেলৰ জ্যেষ্ঠ সাংবাদিকৰ গাত হাত দিয়ে। ফলত পৰিস্থিতি উত্তপ্ত হয়। এটা সময়ত সাংবাদিকসকলে পাণবজাৰ অভিমুখে ৰাওনা হৈছিল যদিও আৰক্ষীয়ে বাধা দিয়ে। আৰক্ষীৰ বাধা নেওচি প্ৰতিবাদকাৰী সাংবাদিকে হাতে হাত ধৰি ৰেলী কৰিছিল যদিও পুনৰ আৰক্ষীয়ে বাধা দিয়ে। দীৰ্ঘ সময় আৰক্ষী আৰু সাংবাদিকৰ হতাহতি হয়। পুনৰ সাংবাদিকসকল ৰাজপথত একত্ৰিত হৈ শ্ল'গান দি যায়। দীৰ্ঘ সময় ৰাজপথত যান-জঁট হোৱা দেখা যায়। একাংশ সাংবাদিকে কয় যে সাংবাদিক দিলোৱাৰে কোনো জনজাতীয় লোকক লক্ষ্য কৰি অপমানজনক আচৰণ-মন্তব্য কৰিব নোৱাৰে। সেই অভিযোগ বিশ্বাসযোগ্য নহয়। এপেক্স বেংকৰ শীৰ্ষ বিষয়াই দিলোৱাৰক অভিযোগৰ প্ৰতিক্ৰিয়া দিবলৈ ওপৰলৈ মাতি পঠিয়াইছিল। তাৰ ভিডিঅ' প্ৰমাণ আছে। এতিয়া বেংক কৰ্তৃপক্ষই জনজাতীয় লোকক অপমান কৰা বুলি অভিযোগ আনিছে। চিচি টিভি ফুটেজ দি প্ৰমাণ কৰক। ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীৰ ৰাজপথ উত্তাল হৈ পৰাৰ সময়ত জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজগুৰুৱে কয় যে প্ৰায় ১০ ঘণ্টা সময় থানাত বহুৱাই গ্ৰেপ্তাৰ কৰা হৈছে সাংবাদিকক। মজুমদাৰক মনেসজা আৰু ভিত্তিহীন গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। ২৫ মাৰ্চত জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা হয়। সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰে নিজ দায়িত্ব পালন কৰিবলৈ যোৱাৰ সময়তে বেআইনীভাৱে গ্ৰেপ্তাৰ কৰাত জাঙুৰ খাই উঠে ৰাজ্যৰ সাংবাদিক সমাজ। ২৫ মাৰ্চৰ দুপৰীয়াৰ পৰা ১০ ঘণ্টা পাণবজাৰ আৰক্ষী থানাত বহুৱাই ৰাখি নিশা প্ৰায় ১২ বজাত গ্ৰেপ্তাৰ কৰা হৈছে সাংবাদিকজনক। সাংবাদিকক কৰ্তব্য পালন কৰাত বাধা দি সংবাদ মাধ্যমৰ স্বাধীনতা উলংঘন কৰি সাংবাদিকৰ বিৰুদ্ধে মনেসজা আৰু ভিত্তিহীন গোচৰ ৰুজু কৰা হৈছে। সংবিধানৰ অনুচ্ছেদ ১৯ (১) (এ)ৰ অধীনত সাংবাদিকৰ প্ৰাপ্য অধিকাৰ হনন কৰি আৰক্ষী আৰু চৰকাৰীতন্ত্ৰই ১০ ঘণ্টা সময় সাংবাদিকক বহুৱাই ৰাখি নিশা ১২ বজাত গ্ৰেপ্তাৰ কৰাত নিশাই একাংশ সাংবাদিকে পাণবজাৰ আৰক্ষী থানাত ভিৰ কৰিছিল। কিন্তু আৰক্ষীয়ে ভিৰ নকৰিবলৈ বাৰে বাৰে বাধা দিছিল। ইপিনে গুৱাহাটী আৰক্ষীয়ে সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰৰ কাৰণ দেখি একাংশ লোকৰ চকু কপালত উঠিছে। আৰক্ষীয়ে প্ৰায় তিনিটা গোচৰ ৰুজু কৰিছে। দিলোৱাৰ হুছেইনক বেংকৰ এজন বড়ো জনগোষ্ঠীৰ ছিকিউৰিটিক 'বড়ো জাতি হৈ তুমি বেছি কৰা' এনে মন্তব্য প্ৰদান কৰা বুলি অভিযোগ আনিছে। জনজাতীয় লোকক অপমান কৰাৰ অভিযোগত শিশুপাল বড়ো নামৰ বেংকৰ ছিকিউৰিটিৰ এজাহাৰৰ ভিত্তিত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইনৰ ধাৰাত গোচৰ ৰুজু কৰা হয়। যিটো গোচৰ জামিনযোগ্য নাছিল। আনহাতে বেংকৰ তথ্য চুৰিৰ প্ৰয়াস আৰু বিষয়াক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগত এজাহাৰ দাখিল কৰিছিল। বহু অধিবক্তা আৰু সাংবাদিকে মজুমদাৰৰ গ্ৰেপ্তাৰক অগণতান্ত্ৰিক বুলি অভিহিত কৰি অধিকাৰ উলংঘনৰ অভিযোগ আনে। দৰাচলতে এপেক্স বেংকৰ ভিতৰছোৱাত সংঘটিত ২৮ কোটি টকীয়া কেলেংকাৰীৰ তদন্তৰ দাবীত পাণবজাৰস্থিত বেংকটোৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তিয়ে ২৫ মাৰ্চত বেংকটোৰ পাণবজাৰৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ কৰিছিল। প্ৰতিবাদৰ সময়ত এপেক্স বেংকৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াৰ পৰা উত্তৰ বিচাৰিছিল দিলোৱাৰ হুছেইনে। সাংবাদিকজনক প্ৰশ্নৰ উত্তৰ দিবলৈ কাৰ্যালয়লৈ মাতে। কাৰ্যালয়লৈ মাতি নি বেংক কৰ্তৃপক্ষই পাণবজাৰ আৰক্ষীক খবৰ দিয়ে। পিছত আৰক্ষীয়ে দিলোৱাৰক পাণবজাৰ থানাত বহুৱাই থয়। নিশা প্ৰায় ১২ বজালৈ থানাত বহুৱাই ৰাখি পিছত গ্ৰেপ্তাৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ সভাপতিৰ ওপৰত

ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। দাদা ব্ৰিগেড বিশেষকৈ মুখ্যমন্ত্ৰীৰ সোঁৱে-বাঁৱে থকা মন্ত্ৰী-বিধায়কসকলৰ অতপালিত বিজেপিৰ প্ৰায়সকল জ্যেষ্ঠ নেতা-কৰ্মী অতিষ্ঠ হৈ পৰাত নতুন সভাপতিৰ দায়িত্ব লৈ দিলীপ শইকীয়াই দলটোত ব্যাপক সংস্কাৰ সাধনৰ পদক্ষেপ গ্ৰহণ কৰে। আনকি তেওঁ দাদা ব্ৰিগেডৰ অন্যতম বিধায়ক ৰূপজ্যোতি কুৰ্মীক বিধানসভাত কৰা আচৰণৰ বাবে ক্ষমা খুজিবলৈ নিৰ্দেশ দিয়ে আৰু কুৰ্মীয়ে সভাপতিৰ নিৰ্দেশ মানি মাধৱদেৱৰ ঘোষা গাই ৰাজহুৱাভাৱে ক্ষমা বিচাৰে। ইয়াতে দাদা ব্ৰিগেডৰ বিধায়কসকল ক্ষুণ্ণ হৈ মুখ্যমন্ত্ৰীৰ ওচৰত অভিযোগ দাখিল কৰিছিল। ইয়াৰ মাজতে এপেক্স বেংকৰ দুৰ্নীতিৰ বিৰুদ্ধে বাতৰি কৰিবলৈ গৈ আৰক্ষীৰ হাতত আটক হয় ক্ৰচ কাৰেন্টৰ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰ। এই ঘটনাত সাংবাদিকসকল ক্ষুণ্ণ হৈ পৰে আৰু কালি এগৰাকী জ্যেষ্ঠ সাংবাদিকে ৰাজ্যিক বিজেপিৰ সভাপতিক টেলিফোন কৰি হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে নীতি-বৰ্হিভূতভাৱে পাণবজাৰ থানাত দিলোৱাৰ হুছেইনক আটক কৰি থোৱা বুলি অভিযোগ কৰে। পাণবজাৰ আৰক্ষী থানাৰ পৰা দীঘলীয়া সময় সাংবাদিকৰগৰাকীৰ লগত বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে বাৰ্তালাপ কৰে। পৰৱৰ্তী সময়ত বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে যোগাযোগ কৰে আৰু ইয়াতে ক্ষুণ্ণ হৈ পৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। আন এক সূত্ৰৰ মতে দিলোৱাৰ হুছেইনৰ বিৰুদ্ধে গোচৰ ৰুজু নকৰাকৈ সন্ধিয়া সময়ত পাণবজাৰ থানাৰ পৰা মুকলি কৰি দিবলৈ মুখ্যমন্ত্ৰীৰ এক ঘনিষ্ঠ সূত্ৰই চেষ্টা অব্যাহত ৰাখিছিল। কিন্তু ৰাজ্যিক সভাপতি শইকীয়াই হস্তক্ষেপ কৰাৰ বাবেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শিবিৰ ক্ষুণ্ণ হৈ পৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে গোলাঘাট জিলাৰ হিমন্ত বিশ্ব শৰ্মাৰ শিবিৰৰ নেতা আকাশ ফুকনকো সকলো পদৰ পৰা অব্যাহতি দিছিল দিলীপ শইকীয়াই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জৰুৰীকালীন অৱস্থা অসমতঃ মনোজ

শৰ্মাই সাংবিধানিক অধিকাৰ ভৰিৰে মোহাৰি সাংবাদিক-সাংসদকে ধৰি সকলোকে আৰক্ষীৰ দ্বাৰা নিৰ্যাতন চলাইছে। এই নিৰ্যাতন বন্ধ কৰিবৰ বাবে কংগ্ৰেছ দলে জনতাৰ ওচৰলৈ সংগ্ৰাম কঢ়িয়াই লৈ যাব। আজি নিখিল ভাৰত কংগ্ৰেছৰ অসমৰ দায়িত্বত থকা সম্পাদক মনোজ চৌহানে গুৱাহাটীৰ ৰাজীৱ ভৱনত এক সংবাদমেলত এইদৰে কয়। কংগ্ৰেছ নেতা চৌহানে কয় যে হিমন্ত বিশ্ব শৰ্মাই সকলো পক্ষৰ ওপৰত এতিয়া হেঁচা প্ৰয়োগ কৰা আৰম্ভ কৰিছে। ক্ষমতাৰ ৰাগীত মুখ্যমন্ত্ৰী জনে মানুহৰ মৌলিক অধিকাৰ খৰ্ব কৰিছে। তেওঁ যিমানে হেঁচা প্ৰয়োগ কৰিব তাৰ ওলোটা প্ৰতিক্ৰিয়া হ'বই আৰু ২০২৬ চনত অসমৰ ৰাইজে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰ ওফৰাই দিব। চৌহানে কয় যে এক্স হেণ্ডলত গ্ৰোক নামৰ এপছটোত ভাৰতৰ আটাইকেইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী কোন বুলি প্ৰশ্ন কৰিলে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নাম আহে। হিমন্ত বিশ্ব শৰ্মাৰ যদি দম আছে ভাৰতত গ্ৰোক এক্স হেণ্ডল বন্ধ কৰক আৰু এলন মাস্কৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ সাহস দেখুওৱাক। চৌহানে কয় দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰত নিমজ্জিত হিমন্ত বিশ্ব শৰ্মাই গণতান্ত্ৰিক প্ৰক্ৰিয়াবোৰক ভয় কৰে। অসম বিধানসভাত বিজেপিৰ এজন বিধায়কে বিৰোধিৰ বিধায়কক আক্ৰমণ কৰিবলৈ খেদি যোৱাৰ পিছতো বিজেপিৰ বিধায়কৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। অসমৰ সাংসদ লোকসভাৰ উপ-দলপতি গৌৰৱ গগৈৰ ভাৱমূৰ্তি ম্লান কৰিবৰ বাবে তেওঁৰ আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে ভুৱা অপপ্ৰচাৰ চলালে। নগাঁৱত সাংসদ ৰকিবুল হুছেইনৰ ওপৰত দিন-দুপৰতে আক্ৰমণ চলিল। গোগামুখত কংগ্ৰেছ কৰ্মীৰ ওপৰত নিৰ্যাতন চলিল। আৰু এতিয়া ক্ৰছ কাৰেণ্টৰ সাংবাদিক দিলোৱাৰ হুছেইনক ষড়যন্ত্ৰমূলকভাৱে গ্ৰেপ্তাৰ কৰা হৈছে। আইন হাতত তুলি লোৱাটো হিমন্ত বিশ্ব শৰ্মাৰ নীতি হৈ পৰিছে বুলি উল্লেখ কৰি চৌহানে কয় যে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে দেশৰ সকলো মুখ্যমন্ত্ৰীৰ ভিতৰত আটাইতকৈ ভ্ৰষ্টাচাৰী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বুলি বহু দিন পূৰ্বেই আখ্যা দি থৈছিল। আৰু আজি সেই কথা প্ৰমাণিত হৈছে। দেশৰ সংবিধান সলনি কৰিবলৈ বিজেপিয়ে ষড়যন্ত্ৰ কৰি লোকসভাত ৪০০ খন আসন লাভ কৰাৰ যি পৰিকল্পনা কৰিছিল সেয়া জনতা নেতা ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ পিছত সম্ভৱ হৈ নুঠিল আৰু প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈ নৰেন্দ্ৰ মোদীয়ে সংবিধান শিৰত ল'বলগীয়া হ'ল। কংগ্ৰেছ নেতাজনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেলেংকাৰীৰ সকলো তথ্য লৈ ৰাইজৰ ওচৰলৈ লৈ যাব বুলি উল্লেখ কৰি কয় যে অপৰাধৰ তথ্য লুকুৱাবৰ বাবে এইখন চৰকাৰে থানাসমূহত গোচৰ ৰুজু কৰাৰ ক্ষেত্ৰতো বাধ্যবাধকতা সৃষ্টি কৰিছে। বহু আৰক্ষী থানাই গোচৰ ৰুজু নকৰাৰ অভিযোগ আছে। তৎস্বত্বেও এনচিআৰবিৰ তথ্যত অসমত মহিলাৰ ওপৰত চলা নিৰ্যাতন দেশৰ ভিতৰত অন্যতম বুলি উল্লেখ কৰে। দেশৰ আইন শৃংখলাৰ পৰিস্থিতি বেয়া হোৱাৰ বাবে আমেৰিকা-অষ্ট্ৰেলিয়া, কানাডাকে ধৰি ছয়খন বিদেশী ৰাষ্ট্ৰই অসম ভ্ৰমণ সুৰক্ষিত নহয় বুলি হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীয়ে সদনত তথ্য দাখিল কৰা বুলিও চৌহানে উল্লেখ কৰে। সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা আৰু মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিলোৱাৰক জামিন কৰ্টৰ

থানাত বহুৱাই ৰাখি গ্ৰেপ্তাৰ কৰা সাংবাদিকক দিলোৱাৰ হুছেইন মজুমদাৰক আদালতে জামিন প্ৰদান কৰিছে। আৰক্ষীয়ে অভিযোগৰ প্ৰমাণ দিব নোৱাৰিলে আদালতত, যাৰ বাবে জামিন প্ৰদান কৰা হয়। আৰক্ষীয়ে ৫ দিনৰ জিম্মাত বিচাৰিছিল যদিও আদালতে জিম্মাত দিবলৈ সন্মত নহ'ল। কালিৰে পৰা গুৱাহাটীৰ সাংবাদিক সমাজে পাণবজাৰ আৰক্ষী থানাত ভিৰ কৰিছিল। তাৰ লগতে আজি গুৱাহাটীৰ প্ৰায়সংখ্যক সাংবাদিকে তীব্ৰ প্ৰতিবাদ আৰম্ভ কৰিছিল। বেআইনী আৰু মনেসজা গোচৰত দিলোৱাৰ হুছেইনক গ্ৰেপ্তাৰ কৰাত ক্ষুণ্ণ সাংবাদিকে এয়া গণতন্ত্ৰৰ প্ৰতি ভাবুকি আৰু সাংবাদিকৰ কণ্ঠ ৰুদ্ধ কৰাৰ প্ৰয়াস বুলি কৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। চৰকাৰ বিৰোধী শ্ল'গান দি আজি কেইবাঘণ্টা ধৰি সাংবাদিকসকলে গুৱাহাটীৰ আমবাৰীত গুৱাহাটী প্ৰেছ ক্লাবৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰি দিলোৱাৰ হুছেইনক মুক্তি দিয়াৰ দাবী জনাইছিল। কিন্তু আৰক্ষী আছিল নাচোৰবান্দা। বেংকৰ তথ্য চুৰিৰ প্ৰয়াস, পৰিচালন সঞ্চালকক দুৰ্ব্যৱহাৰ আৰু বেংকৰ ব্যক্তিগত ছিকিউৰিটিক জাতি ভিত্তিত মন্তব্য দিয়াৰ বিৰুদ্ধে কঠোৰ ধাৰাত গোচৰ ৰুজু কৰি আজি দিলোৱাৰক আদালতত হাজিৰ কৰোৱা হয়। কামৰূপ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ জামিন আৱেদন কৰা হয়। জামিনৰ শুনানি গ্ৰহণ কৰি আদালতে জামিন মঞ্জুৰ কৰিছে। কিন্তু আজি আদালত বন্ধ হোৱাত মুকলি আকাশৰ তললৈ আহিব নোৱাৰিলে সাংবাদিকগৰাকী। বেইল বণ্ড জমা দিব নোৱৰাৰ বাবে আজি নিশাটো ন্যায়িক জিম্মাত কটাব লাগিব। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যজুৰি সাংবাদিকে দিলোৱাৰৰ গ্ৰেপ্তাৰ কৰাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে মজুমদাৰৰ হৈ আদালতত যুক্তি দৰ্শাইছিল। মজুমদাৰৰ বিৰুদ্ধে ১১০/২০২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ৩৫১(২) আৰু অনুসূচিত জাতি-জনজাতি (অত্যাচাৰ নিবাৰণ) আইন, ১৯৮৯ৰ ধাৰা ৩(১)(আৰ) ধাৰাত গোচৰ ৰুজু কৰা হৈছিল। আনহাতে সাংবাদিক মজুমদাৰক আদালতৰ পৰা উলিয়াই অনাৰ সময়ত এয়া গণতন্ত্ৰৰ জয় আৰু সকলো সাংবাদিক, সকলো সংবাদ প্ৰতিষ্ঠানৰ জয় বুলি কয়। দুৰ্নীতিৰ বিৰুদ্ধে সাংবাদিকসকলৰ যুঁজ অব্যাহত থাকিব। জয় সংবাদিকসকল। জয় আই অসম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিকৰ কণ্ঠ ৰোধৰ চেষ্টা!

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সাংবাদিক সংগঠন আৰু অন্যান্য দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। বিনাচৰ্তে সাংবাদিক দিলোৱাৰক মুক্তি দিয়াৰ লগতে গুৱাহাটীত কেইবাশতাধিক সাংবাদিকে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সাংবাদিক দিলোৱাৰৰ গ্ৰেপ্তাৰ বেআইনী বুলি অভিযোগ উত্থাপন কৰে দল-সংগঠনে। এই কাণ্ডৰ বিৰুদ্ধে অসমতে নহয় বহিঃৰাজ্যতো প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। বহিঃৰাজ্যত অসমৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকে প্ৰতিবাদ সাব্যস্ত কৰিছে। পৰিয়ালৰ লোকৰ চিকিৎসাৰ বাবে চেন্নাইত থকা নিউজ নেক্সট ওৱানৰ অনলাইন দৈনিক 'ই-সংবাদ'ৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিয়ে চেন্নাইত হাতত পোষ্টাৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰিছে। পৰিয়ালৰ লোকৰ চিকিৎসাৰ বাবে বিগত কিছুদিন ধৰি চেন্নাইত থকা নিউজ নেক্সট ওৱানৰ অনলাইন দৈনিক 'ই-সংবাদ'ৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিয়ে চেন্নাইৰ ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰে। নিউজ নেক্সট ওৱানৰ অনলাইন দৈনিক 'ই-সংবাদ'ৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিয়ে সামাজিক মাধ্যমযোগে কয় যে বিগত কিছুদিন ধৰি চেন্নাইত আছো। ব্যক্তিগত দুখৰ খবৰৰ মাজতে অসমত দুৰ্নীতিৰ বাতৰি কৰা সাংবাদিকৰ মুখ বন্ধ কৰিবলৈ চলোৱা অপচেষ্টাৰ খবৰে ক্ষুব্ধ কৰি তুলিছে। এনে কাৰ্যত মৌন হৈ থাকিব পৰাটো সাংবাদিক হিচাপে মোৰ পক্ষে সম্ভৱ নহয়। সেয়ে চেন্নাইৰ ৰাজপথত থিয় হৈ সাংবাদিকৰ প্ৰশ্ন সোধাৰ অধিকাৰ কাঢ়ি ল'বলৈ শাসকপক্ষই কৰা ষড়যন্ত্ৰৰ বিৰুদ্ধে এইদৰেই প্ৰতিবাদ সাব্যস্ত কৰিলো।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223


**সাংবাদিকৰ নাম লৈ মৃতকৰ পৰিয়ালৰ অজ্ঞাতে নাৰ্ছিং হোমৰপৰা সৰকালে লক্ষাধিক টকা**

# মৃতদেহক লৈ দৰ-দাম জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ শীৰ্ষ নেতাৰ

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া,২৬ মাৰ্চঃ** এটা জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ তিনিচুকীয়া জিলাৰ তিনি শীৰ্ষ নেতাৰ কৰ্মকাণ্ডই এতিয়া তিনিচুকীয়া জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। মৃতকৰ পৰিয়ালৰ আত্মীয়ৰ সৈতে ফোনৰ কথোপকথন আৰু নাৰ্ছিং হোমৰ কৰ্তৃপক্ষৰ সৈতে হোৱা কথা-বাৰ্তাৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ পিছতে সমগ্ৰ ঘটনাটো পোহৰলৈ আহিছে। দুখৰ বিষয় এয়ে যে সম্প্ৰতি দুয়োটা কিডনী বিকল হৈ চিকিৎসাধীন অৱস্থাত জীৱন-মৃত্যুৰে যুঁজি আছে মৃতকৰ পত্নী। এটা জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ কেন্দ্ৰীয় উপ-সভাপতি, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক আৰু তিনিচুকীয়া জিলাৰ সভাপতিৰ বিৰুদ্ধে উত্থাপিত হৈছে এই ভয়ংকৰ অভিযোগ। মৃতদেহক লৈ দৰ-দাম কৰাৰ অভিযোগ উত্থাপিত হৈছে এই তিনি শীৰ্ষ নেতাৰ বিৰুদ্ধে। প্ৰায় দুমাহৰ পূৰ্বে সংঘটিত হৈছিল উক্ত ঘটনা। ঘটনাৰ বিৱৰণী অনুসৰি কাকপথাৰ ডিৰাক চুমনিৰ ৰমেন শইকীয়া নামৰ এগৰাকী লোকৰ গ'ল্ড ব্লাডাৰ অস্ত্ৰোপচাৰ হৈছিল ডুমডুমাৰ ৰূপাই চাইডিংস্থিত ডাঃ ডি চি বৰা নাৰ্ছিং হোম নামৰ এখন ব্যক্তিগত চিকিৎসালয়ত। লেপাৰস্ক'পীৰ সহায়ত অস্ত্ৰোপচাৰ কৰা পিছত লোকজনক নাৰ্চিং হোমখনৰপৰা ঘৰলৈ যাব দিয়াৰ পিছতেই পুনৰ বিষ অনুভৱ কৰে লোকজনে। পৰিয়ালৰ লোকে লোকজনক পুনৰ নাৰ্ছিং হোমখনলৈ লৈ অহাত নাৰ্ছিং হোমখনৰ চিকিৎসকে অন্য ৰোগৰ সমস্যা দেখুওৱাই পুনৰ ভৰ্তি কৰাই চিকিৎসা কৰে লোকজনক। চাৰিদিনৰ চিকিৎসাৰ অন্তত ৰমেন শইকীয়াৰ স্বাস্থ্যৰ অধিক অৱনতি হোৱাত উন্নত চিকিৎসাৰ বাবে পৰিয়ালৰ লোকে নাৰ্ছিং হোমখনৰপৰা যোৱা ২৪ জানুৱাৰীত তেওঁক ডিব্ৰুগড়লৈ লৈ যায়। ডিব্ৰুগড়ত পৰীক্ষা-নিৰীক্ষাৰ অন্তত চিকিৎসকে ৰমেন শইকীয়া ভুল চিকিৎসাৰ বলি হোৱা বুলি জানিবলৈ দিয়ে। চিকিৎসকে লোকজনক ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্ছিং হোমৰ আই চি ইউত ৰাখি চিকিৎসা আৰম্ভ কৰে যদিও লোকজনৰ স্বাস্থ্যৰ অৱস্থা অধিক অৱনতি ঘটাত চিকিৎসকে ৰোগী ৰমেন শইকীয়াৰ পৰিয়ালৰ লোকক ডিব্ৰুগড়ৰপৰা গুৱাহাটীলৈ নিয়াৰ পৰামৰ্শ দিয়ে। পৰিয়ালৰ কাতৰ অনুৰোধত চিকিৎসালয়খনৰ তৰফৰপৰা ৰমেন শইকীয়াক গুৱাহাটীলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থাও কৰি দিয়ে যদিও তেতিয়ালৈ বহুত পলম হ'ল। ২৬ জানুৱাৰীৰ প্ৰায় ১ বজাত ৰমেন শইকীয়াৰ মৃত্যু ঘটে। পৰিয়ালৰ লোকে মৃতদেহটো এখন এম্বুলেন্সেৰে ঘৰলৈ বুলি লৈ অহাৰ পিছতেই আৰম্ভ হ'ল এখন নাটকৰ। মৃতকৰ ভাতৃয়ে জানিবলৈ দিয়া অনুসৰি, নিজকে এটা জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ বিষয়ববীয়াৰ পৰিচয়েৰে কোনো লোকে তেওঁলৈ ফোন কৰি ৰমেন শইকীয়াৰ মৃতদেহটো পোনে পোনে প্ৰথমতে ভৰ্তি কৰোৱা ডাঃ ডি চি বৰা নাৰ্ছিং হোমলৈ লৈ অহাৰ পৰামৰ্শ আগবঢ়ায়। উদ্দেশ্য, মৃতদেহক লৈ সংগঠনটোৱে পৰিয়ালৰ সহায়ত ভুল চিকিৎসাৰ বাবে ৰমেন শইকীয়াৰ মৃত্যু হোৱাৰ অভিযোগ তুলি ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিব লগতে ডাঃ ডি চি বৰা নাৰ্ছিং হোমে ক্ষতিপূৰণ দিব লাগিব মৃতকৰ পৰিয়ালক। সংগঠনটোৰ নাম লৈ ফোন কৰা লোকজনে পৰিয়ালৰ লোকক বিশ্বাস জন্মায় যে সঁচাকৈ পৰিয়ালটো উচিত ক্ষতিপূৰণৰ যোগ্য। তেতিয়ালৈ এই খবৰ নাৰ্ছিং হোমৰ কৰ্তৃপক্ষৰ কাণত পৰেগৈ। কিন্তু পৰিয়ালৰ লোকে মৃতদেহ লৈ প্ৰতিবাদ কৰাৰ সিদ্ধান্তত হয়ভৰ নিদিলে, কাৰণ মৃতদেহ দাহ কৰিবলৈ সেই সময়ত গাঁৱৰ বহু ৰাইজ ৰৈ আছিল। ঘটনাৰ তিনিটা দিনৰ পিছত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ডাঙৰীৰ দিপনজ্যোতি সোণোৱাল, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰূপাইৰ নিবাসী বিদ্যুৎ শইকীয়া, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ধলা (ছৈখোৱা) অঞ্চলৰ ঋতুপৰ্ণ সোণোৱালে ডাঃ ডি চি বৰা নাৰ্ছিং হোমৰপৰা সংবাদ মাধ্যম তথা মিডিয়াক মেনেজ কৰাৰ নামত ১ লাখ টকা লোৱাৰ অভিযোগ তুলিছে পৰিয়ালৰ লোকে। উল্লেখ্য যে মৃত ৰমেন শইকীয়াৰ পত্নীও সম্প্ৰতি দুয়োটা কিডনী বিকল হৈ চিকিৎসালয়ত জীৱন-মৃত্যুৰে যুঁজি আছে। সপ্তাহত তিনিবাৰকৈ ডায়'লাইচিছ কৰিবলগীয়া হয়। পৰিয়ালৰ আত্মীয়ৰ সৈতে সংগঠনটোৰ নেতা কেইগৰাকীৰ ফোনযোগে হোৱা কথোপকথনৰ লগতে নাৰ্ছিং হোমখনত টকাৰ দৰ-দাম হোৱাৰ এক ভিডিঅ'ও ভাইৰেল হৈ পৰিছে। সকলোৱে প্ৰশ্ন কৰিছে তথাকথিত ছাত্ৰনেতা কেইগৰাকীয়ে এটা মৃতদেহকলৈ দৰ-দাম কৰিবলৈও পিছ নোহোঁকা একপ্ৰকাৰ দানৱৰূপী নেতা কেইগৰাকী প্ৰকৃততে কি শাস্তিৰ যোগ্য ? এই সন্দৰ্ভত মঙলবাৰে কাকপথাৰৰ ডিৰাক চুমনিত অনুষ্ঠিত হয় এক বিশাল ৰাজহুৱা সভা। সভাত বানপানীয়ে জুৰুলা কৰা গাঁওখনৰ শতাধিক ৰাইজৰ লগতে স্থানীয় যুৱ সংঘৰ উপৰিও তিনিচুকীয়া জিলাৰ জাগুন, ডাঙৰী, মেগেলা, চেঙেলী আদি বহুকেইখন গাঁৱৰ যুৱ সংঘৰ বিষয়ববীয়া উপস্থিত থাকে। সমান্তৰালকৈ সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক আৰু উপ-সভাপতিও উপস্থিত থাকে। সভাস্থলীৰ পৰাই সংগঠনটোৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতেও ফোনযোগে যোগাযোগ কৰাত সংগঠনটোৰ কেন্দ্ৰীয় নেতৃত্বই ৰাইজৰ পক্ষত থকাৰ কথা জানিবলৈ দিয়ে। দিনজোৰাকৈ অনুষ্ঠিত হোৱা সভাৰ অন্তত মৃতদেহক লৈ মিডিয়া তথা সংবাদ মাধ্যমক মেনেজ কৰাৰ নামত টকা সৰকোৱা তিনি তথাকথিত নেতাক তাৎক্ষণিকভাৱে সংগঠনৰ পৰা বহিষ্কাৰ, বিষয়টো নিষ্পত্তি নোহোৱাপৰ্যন্ত সংগঠনটোৰ যিকোনো কাৰ্যসূচী বৰ্জন, সংগঠনটোৰ অধ্যুষিত গাঁৱৰ নামঘৰসমূহলৈ উক্ত নেতাকেইজনৰ সন্দৰ্ভত পত্ৰ প্ৰেৰণ, ঘটনাৰ সন্দৰ্ভত তিনি নেতাৰ লগতে ডাঃ ডি চি বৰা নাৰ্ছিং হোমৰ ওপৰত আৰক্ষীৰ থানাত লিখিত অভিযোগ দাখিল কৰা, ধন লোৱা ঘটনাৰ সৈতে সঁচাকৈ যদি কোনোবা সাংবাদিক জড়িত আছে, তেন্তে উক্ত তিনি নেতাই সেয়া স্পষ্ট কৰাকে মুখ্য কৰি বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ ৰাজহুৱা সভাই গ্ৰহণ কৰে। তথাকথিত তিনি নেতাৰ কৰ্মকাণ্ডক লৈ সভাই ক্ষোভ প্ৰকাশ কৰাৰ লগতে উপস্থিত ৰাইজে ধিক্কাৰ দিয়ে।

## নগাবন্ধাত অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষকৰ পৰলোকপ্ৰাপ্তি

**নগাঁও, ২৬ মাৰ্চঃ** মৰিগাঁও জিলাৰ নগাবন্ধাৰ নিবাসী দক্ষিণ গৰৈমাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিজাম উদ্দিন আহমেদ ( ৮৫ ) ৰ আজি পৰলোকপ্ৰাপ্তি ঘটে। নগাবন্ধা আৰু গৰৈমাৰী অঞ্চলৰ প্ৰয়বোৰ শৈক্ষিক, সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত নিজাম উদ্দিন আহমেদ এগৰাকী সৎ



আৰু ধৰ্মপ্ৰাণ ব্যক্তি আছিল। সৰলমনৰ, অমায়িক স্বভাৱৰ লোকগৰাকীৰ বিয়োগত গ্ৰামাঞ্চলটোত শোকৰ ছাঁ বিৰাজ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীসহ বহু ইষ্ট কুটুম্বক ইহ-সংসাৰত এৰি থৈ যায়। বিশিষ্ট সমাজকৰ্মীগৰাকীৰ বিয়োগত স্থানীয় সকলোবোৰ সামাজিক, শৈক্ষিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰিছে।

# কামৰূপৰ ব্ৰহ্মপুত্ৰ চৰত অবৈধ বালি খনন, পাহাৰ খনন বন্ধৰ দাবী কামৰূপ আছুৰ

**ই-সংবাদ, শুৱালকুছি, ২৬ মাৰ্চঃ** কামৰূপৰ বিভিন্ন অঞ্চলত সেউজ পাহাৰ আৰু নদীৰ বালি-পলসুৱা মাটি অবৈধভাৱে খনন কাৰ্য তথা বনজ সম্পদ ধ্বংসৰ কাৰ্য বন্ধ কৰাৰ দাবী জনাইছে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থায়ে। সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই অভিযোগ কৰি কয় যে জিলাখনৰ বিভিন্নপ্ৰান্তত অবৈধভাৱে বালি, মাটি তথা সেউজীয়া পাহাৰৰ অবাধ খনন কাৰ্যই জিলাখনৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। কামৰূপৰ চিলা আৰু হাজো বনাঞ্চলিক কাৰ্য্যালয়ৰ অধীনত চৰকাৰী নীতি-নিৰ্দেশনাক নেওচি দুষ্ট চক্ৰই সেউজীয়া পাহাৰ, নদীৰ বুকুত বালিৰ অবৈধ খনন কাৰ্য চলাই ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। এইক্ষেত্ৰত আছুৱে অভিযোগ দিলেও কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে বন বিভাগ তথা সংশ্লিষ্ট বিভাগসমূহে। চিলা আৰু হাজো বন বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ প্ৰত্যক্ষ সহযোগিতাত দিনকদিনে বাঢ়ি অহা এনেধৰণৰ বালিৰ অবৈধ খননে ক্ৰমে ভাবুকি কঢ়িয়াই আনিছে সৰ্বসাধাৰণ ৰাইজৰ জনজীৱন তথা পাৰিপাৰ্শ্বিকতালৈ। শেহতীয়াভাৱে হাজো আৰু চিলা বনাঞ্চলিক কাৰ্য্যালয়ৰ অন্তৰ্গত পছৰীয়া মলং পাহাৰ, সানপাৰা পৰ্বত, চকমা, পছৰীয়া মেকুৰী পাহাৰ, বঙলাগড় বামুন্দীৰ ব্ৰহ্মপুত্ৰৰ বালিচৰ, নিজ গন্ধমৌ ৰাক্ষসিনী চৰ, আজ্ঞাঠুৰিৰ ব্ৰহ্মপুত্ৰৰ চৰ আদিত এচাম অসাধু মাফিয়া চক্ৰই দিনটোৰ ২৪ ঘন্টাই অহৰহ খনন কাৰ্য চলাই থকাৰ ফলত ধূলিময় পৰিৱেশৰ সৃষ্টি কৰি মানুহৰ যাতায়াতত ব্যাঘাত জন্মাইছে বুলি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি দাসে অভিযোগ কৰে। আছুৰ কেন্দ্ৰীয় নেতা ভৰজ্যেতি ডেকাই কয় যে দিনে-নিশাই খনন কাৰ্য চলি থকাৰ ফলত মাটি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য বৃদ্ধি পোৱাত সৰ্বসাধাৰণ ৰাইজৰ জনজীৱন অতিষ্ঠ হৈ পৰিছে। ইতিমধ্যে ডাম্পাৰসমূহ তীব্ৰ গতিত চলোৱাৰ ফলত কেইবাটাও দুৰ্ঘটনা সংঘটিত হৈছে। একাংশ চৰকাৰী দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ সহযোগত এনেদৰেই এচাম দুষ্টচক্ৰই অবৈধভাৱে খননকাৰ্য চলাই চৰকাৰী নিয়ম সম্পূৰ্ণৰূপে উলংঘা কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে কামৰূপ জিলা আয়ুক্ত কাৰ্য্যালয় আৰু কামৰূপ জিলাৰ আৰক্ষী অধীক্ষৰ নাতিদূৰতেই ব্ৰহ্মপুত্ৰ বালিচৰৰ লগতে বিভিন্ন সেউজ পাহাৰত দিনে-নিশাই অবৈধ খনন চলি আছে। যাৰফলত ছাত্ৰ-ছাত্ৰী, সৰ্বসাধাৰণ ৰাইজে যমৰ যাতনা ভুগিব লগা হৈছে। তীব্ৰবেগী ডাম্পাৰৰ চলাচলে ব্যস্ত ৰাজপথত যাতায়াত কৰাত তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। তেওঁ বনমন্ত্ৰীক এই অবৈধ খনন বন্ধ কৰিবলৈ দাবী জনোৱাৰ লগতে এই অবৈধ খনন কাৰ্যত জড়িত দুৰ্নীতিগ্ৰস্ত চৰকাৰী বন বিষয়া, কৰ্মচাৰী, আৰক্ষী প্ৰশাসনৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা আৰু জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী জনায়। উল্লেখ্য, কামৰূপত অবৈধভাৱে চলি থকা সেউজীয়া পাহাৰৰ খনন, নদীৰ বালিয়া মাটি খনন তথা তীব্ৰ ডাম্পাৰৰ দৌৰাত্মৰ বিৰুদ্ধে কামৰূপ আয়ুক্তলৈ স্মাৰক-পত্ৰও প্ৰদান কৰিছিল সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই।

# ডিব্ৰুগড় ঈদগাহত ৩১ মাৰ্চত ঈদ-উল-ফিতৰৰ নামাজ

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ মাৰ্চঃ** ইছলামধৰ্মী লোকসকলে এমাহ ৰোজাব্ৰত পালন কৰাৰ পিছত এইবাৰো ন-জোনৰ ওপৰত ভিত্তি কৰিয়েই ঈদ উৎসৱ পালন কৰিব। ডিব্ৰুগড়ত থকা ৩০ টা মছজিদৰ উপৰিও গ্ৰাহাম বজাৰত থকা ডিব্ৰুগড় কেন্দ্ৰীয়
ঈদগাহ আৰু আমোলাপট্টিত থকা আলহজ্ব জালাল উদ্দিন আহমদ ঈদগাহত ঈদৰ নামাজ অনুষ্ঠিত হ'ব। সেয়েহে আৰবী ছাৱাল মাহৰ এক তাৰিখ অৰ্থাৎ ইংৰাজী ৩১ মাৰ্চত ন-জোন দেখাৰ ওপৰত ভিত্তি কৰিহে ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহত ঈদৰ নামাজ অনুষ্ঠিত হ'ব। পুৱা ৯ বজাত অনুষ্ঠিত হ'বলগীয়া এই নামাজত ইমামতি কৰিব ডিব্ৰুগড়ৰ পল্টন বজাৰ মছজিদৰ পেচ ইমাম হাফিজ কাৰী মৌলানা মহম্মদ তনৱীৰ চাকৰী আশ্ৰফীয়ে। ঈদগাহলৈ আহোঁতে নিজ নিজ জায়নামাজ বা নামাজ পঢ়াৰ কাপোৰ আনিবলৈ অনুৰোধ জনাইছে ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ কমিটিৰ সভাপতি আলহজ্ব আমানুল্লা আনচাৰী আৰু সম্পাদক আলহজ্ব চৌকত আলীয়ে।

# মুছলপুৰত বিজেপিৰ প্ৰতিবাদ

**ই-সংবাদ, মুছলপুৰ, ২৬ মাৰ্চঃ** অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনক সোমবাৰে কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই আক্ৰমণ কৰা ঘটনাক কেন্দ্ৰ কৰি বাক্সা জিলা ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জনজাতি মৰ্চাই এক প্ৰতিবাদী অৱস্থান কাৰ্যসূচী ৰূপায়ণ কৰে। মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত এই প্ৰতিবাদী অৱস্থান কাৰ্যসূচীত উপস্থিত থাকি বাক্সা জিলা ভাৰতীয় জনতা পাৰ্টীৰ উপ-সভাপতি ডাঃ সুৰেশ স্বৰ্গিয়াৰীয়ে কংগ্ৰেছী বিধায়ক নুৰুল হুদাৰ আচৰণে অসম বিধানসভাৰ গৰিমাত কালিমা সানি সংসদীয় বিধিকো সম্পূৰ্ণৰূপে উলংঘা কৰা বুলি মন্তব্য কৰে। তেওঁ কংগ্ৰেছৰ গুণ্ডাৰূপী বিধায়কগৰাকীক এই দুষ্কাৰ্যৰ বাবে তদন্তৰ ব্যৱস্থা কৰি শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। আজিৰ কাৰ্যসূচীত ভাৰতীয় জনতা পাৰ্টীৰ বাক্সা জিলা সমিতিৰ বিষয়ববীয়া, অনুসূচিত জনজাতি মৰ্চাৰ বিষয়ববীয়া, যুৱ মৰ্চাকে ধৰি বিভিন্ন মৰ্চাৰ বিষয়ববীয়া, ভিচিডিচিৰ অধ্যক্ষৰ লগত শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে।

# কীৰ্ত্তনপাৰাত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাচনিত খেলিমেলি

**ই-সংবাদ, কোকিলা ২৬ মাৰ্চঃ** অভয়াপুৰী সম জিলাৰ কীৰ্ত্তনপাৰা গাঁও পঞ্চায়তত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাচনিৰ ক্ষেত্ৰত যথেষ্ট খেলমেলি, দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ তুলি একাংশ ৰাইজে এজন লোকৰ বিৰুদ্ধে আৰক্ষীক এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। অভয়াপুৰী সমজিলাৰ সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত কীৰ্তনপাৰা গাঁও পঞ্চায়তৰ সাজালপাৰা গাঁৱঁত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাচনিৰ ক্ষেত্ৰত গাঁওখনৰে প্ৰাক্তন গাঁও সদস্য ছবুৰ উদ্দিন মণ্ডল নামৰ লোকজনে ব্যাপক খেলিমেলি কৰিছে। গাঁওখনৰ বিধৱা আৰু দুখীয়া মহিলাৰ নাম কৰ্তন কৰাৰ ক্ষেত্ৰত তেওঁ আগভাগ লয়। অভিযোগ মতে, সাজালপাৰা গাঁৱৰ প্ৰাক্তন পঞ্চায়ত সদস্য ছবুৰ উদ্দিন মণ্ডলে অৰুণোদয় আঁচনিৰ কমিটিত থাকি ধনৰ বিনিময়ত দৰিদ্ৰ মহিলাৰ নাম কৰ্তন কৰি একাংশ ধনী চাকৰীয়াল আৰু নিজৰ পৰিয়ালৰ ৬ জন লোকৰ নাম অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাৰ গোপনে অভিসন্ধি কৰিছে। আজি ক্ষোভিত ৰাইজে ছবুৰ উদ্দিন মণ্ডল বিৰুদ্ধে সাজালপাৰাত বিভিন্ন শ্লোগান দি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে অভয়াপুৰী থানাত এজাহাৰ দাখিল কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# মুছলপুৰত কলিতা জনগোষ্ঠী সন্মিলনৰ ধৰ্ণা

**ই-সংবাদ, মুছলপুৰ, ২৬ মাৰ্চঃ** অসমৰ প্ৰাচীন ভূমিপুত্ৰ হিচাপে দাবী কৰা কলিতা জনগোষ্ঠী আজি পুনৰ ওলাই আহি বাক্সাৰ সদৰ মুছলপুৰত প্ৰতিবাদ সাব্যস্ত কৰে। মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত বাক্সা জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ উদ্যোগত ২ ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আমাৰ দাবী মানিবই লাগিব, সমগ্ৰ অসমতে কলিতাসকলক ভূমিৰ অধিকাৰ প্ৰদান কৰক, 'মিছন বসুন্ধৰা ৩.০'ত কলিতাসকলক বিনাচৰ্তে অন্তৰ্ভুক্ত কৰক, কলিতাসকলক ভূমিপুত্ৰৰ স্বীকৃতি প্ৰদান কৰক, কলিতাসকলক জনজাতিকৰণ কৰক, কলিতাসকলক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰক, প্ৰাগজ্যোতিষপুৰ নামেৰে কলিতা স্বায়ত্তশাসিত পৰিষদ গঠন কৰক ইত্যাদি শ্ল'গানেৰে কলিতা জনগোষ্ঠীয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ধৰ্ণাস্থলীত উপস্থিত থাকি সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি সোণেশ্বৰ কলিতাই অসম চৰকাৰক দাবী জনাই কয় যে অসমত বাস কৰা ৭০ লাখ খিলঞ্জীয়া কলিতাসকলৰ বাবে 'প্ৰাগজ্যোতিষপুৰ' নামেৰে কলিতা স্বায়ত্তশাসিত পৰিষদ গঠন কৰিব লাগে। ৭০ লাখ কলিতাৰ আৰ্থ-সামাজিক জৰীপ আৰু কলিতা স্বায়ত্তশাসিত পৰিষদৰ বাবে এহাজাৰ কোটি টকাৰ আবণ্টনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ২২ ডিচেম্বৰ দিনটো বীৰ ৰজা ভগদত্তৰ স্মৃতিত প্ৰাগজ্যোতিষপুৰ দিৱস হিচাপে চৰকাৰীভাৱে স্বীকৃতি দিব লাগে। অন্যান্য জাতি-জনগোষ্ঠীৰ দৰে কলিতা জনগোষ্ঠীৰ পুৰোধা ব্যক্তিৰ প্ৰতিমূৰ্তি নিৰ্মাণ, নিম্ন আয়ৰ ব্যক্তিক আৰ্থিক সাহায্য প্ৰদান, দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ বিশেষ জলপানি দিয়াৰ বাবে শীঘ্ৰে পাঁচ শ কোটি টকা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেওঁ ঐতিহাসিক বীৰ ৰজা ভগদত্ত প্ৰকল্প নিৰ্মাণৰ বাবে প্ৰয়োজনীয় দহ বিঘা মাটি গুৱাহাটীত আবণ্টন আৰু কুমাৰ ভাস্কৰ বৰ্মা প্ৰকল্প নিৰ্মাণৰ বাবে নলবাৰীত দহ বিঘা মাটিৰ আবণ্টন দিবলৈও চৰকাৰী পক্ষক আহ্বান জনায়। উক্ত দুয়োটা প্ৰকল্প নিৰ্মাণৰ বাবে অতি শীঘ্ৰে দুশ কোটি পুঁজিৰ ব্যৱস্থা কৰি অতি শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা ল'বলৈ আহ্বান জনায়। ইপিনে, মুছলপুৰৰ সমীপৱৰ্তী নিকাচিত প্ৰস্তাৱিত দখলীকৃত ভূমিৰ পট্টা দি ভগদত্ত সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে ৫০ কোটি টকাৰ আবণ্টন বিচাৰে জনগোষ্ঠীটোৱে। তদুপৰি ড০ বাণীকান্ত কাকতিৰ নামত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এখনকৈ আসন প্ৰতিষ্ঠা কৰা আৰু ড০ বাণীকান্ত কাকতিৰ নামত 'অসমীয়া ভাষা আৰু জনগোষ্ঠীয় ভাষাৰ অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান' গুৱাহাটীত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। লগতে প্ৰয়াত মঞ্চপ্ৰভাকৰ অচ্যুত লহকৰৰ স্মৃতিত বজালীত এখন ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় স্থাপন কৰিবলৈ দাবী জনায়। অসম আন্দোলনৰ প্ৰথম শহীদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মস্থানত প্ৰতিমূৰ্তি স্থাপন কৰাৰ লগতে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও দাবী জনায়। কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদত কলিতা জনগোষ্ঠীৰ বাবে ১০ শতাংশ আসন সংৰক্ষণ কৰাৰ লগতে অন্যান্য স্বায়ত্তশাসিত পৰিষদসমূহত অতি কমেও দুগৰাকীকৈ কলিতা জনগোষ্ঠীৰ সদস্য অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈও আহ্বান জনায়। এইসমূহ দাবী মানি নল'লে দিছপুৰ চলো কাৰ্যসূচী ৰূপায়ণৰ হুংকাৰ প্ৰদান কৰে। সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি সোণেশ্বৰ কলিতাই।

## ৰঙিয়া ৰে'ল ষ্টেচনত ৰাজধানী এক্সপ্ৰেছৰ পৰা পিচলি কৰুণ মৃত্যু মহিলাৰ

**ই-সংবাদ, ৰঙিয়া, ২৬ মাৰ্চঃ** ৰঙিয়া ষ্টেচনত যোৱা নিশা ৰাজধানী এক্সপ্ৰেছ ৰে'লগাড়ীৰ পৰা পিচলি এগৰাকী মহিলা যাত্ৰীয়ে কৰুণ মৃত্যুক সাবটি লয়। নিহত মহিলাগৰাকী লক্ষীমপুৰ জিলাৰ জোনমণি দেউৰী বুলি জানিব পৰা গৈছে।ৰাজস্থানৰ মাউন টাবুৰ পৰা লক্ষীমপুৰ অভিমুখে অহা প্ৰজাপিতা ঈশ্বৰীয় ব্ৰহ্মা কুমাৰী সংস্থাৰ দলটিৰ সৈতে ৰাজধানী এক্সপ্ৰেছ ৰে'লগাড়ীৰে মহিলাগৰাকী আহি ৰঙিয়া ষ্টেচনত উপস্থিত হৈছিল। ৰঙিয়াৰ ষ্টেচনৰ পৰাই লক্ষীমপুৰলৈ ৰে'ল সলনি কৰাৰ উদ্দেশ্যে দলটিৰ সৈতে মহিলাগৰাকীও ৰে'লখনৰ পৰা নামিছিল। ১২৪২৪ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছখনৰ পৰাই জোনমণি দেউৰী নামৰ মহিলাগৰাকীয়ে সংগীসকলৰ সৈতে নামিবলৈ লওঁতে অপ্ৰত্যাশিতভাৱে পিছলি পৰে। লগে লগে ঘটনাস্থলীৰ পৰা মহিলাগৰাকীক মুমূৰ্ষু অৱস্থাত ৰে'ল আৰক্ষীয়ে উদ্ধাৰ কৰি বিভাগীয় চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মহিলাগৰাকীৰ মৃতদেহ ৰঙিয়া ৰে'ল আৰক্ষীয়ে জিম্মাত লৈ মৰোণোত্তৰ পৰীক্ষাৰ বাবে আজি দিনৰ ভাগত প্ৰেৰণ কৰে।

## হালাকুৰাত ৰঙালী বিহুৰ প্ৰস্তুতি

**ই-সংবাদ, গোলকগঞ্জ, ২৬ মাৰ্চঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰ হালাকুৰাত অহা ২৮ আৰু ২৯ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে ৪৯ সংখ্যক ৰঙালী বিহু উৎযাপন কৰা হ'ব। এই উদ্দেশ্যে উপেন্দ্ৰ নাথ ভকতক সভাপতি, কাজী ফিৰোজ আলম, খনিন্দ্ৰ শৰ্মা, জাহাংগীৰ সৰকাৰক উপ-সভাপতি, আজিনুৰ হোসেনক সাধাৰণ সম্পাদক, হংশ নাৰায়ণ ভকত, বাপ্পা কৰ্মকাৰক সহঃ সাধাৰণ সম্পাদক, পৰিতোষ ভকতক সাংস্কৃতিক সম্পাদক, ৰমা ৰঞ্জন বেপাৰীক মুখ্য পৃষ্ঠপোষক, প্ৰবীৰ কুমাৰ



সৰকাৰক মুখ্য উপদেষ্টা, বিষ্ণু বেপাৰী, আলতাফ হুছেইন মণ্ডল, জছিম সৰকাৰক উপদেষ্টা হিচাপে লৈ ৭০ জনীয়া এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়।


## পাৰৰছৰাত ব্যাপক হাৰত কৃষি ভূমি খনন

**ই-সংবাদ, গোলকগঞ্জ, ২৬ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিলাত ব্যাপক হাৰত বৃদ্ধি পাইছে অবৈধ কৃষি ভূমি খনন। এই সন্দৰ্ভত বাৰে বাৰে বিভিন্ন দল-সংগঠনে সমজিলা আয়ুক্ত, জিলা আয়ুক্তক অভিযোগ দিয়া সত্ত্বেও কোনো সুফল লাভ কৰা নাই। কৃষি ভূমি খনন কৰা ছিণ্ডিকেট বাহিনী বন বিভাগৰ বাবে খিৰতী গাইত পৰিণত হৈছে। শেহতীয়াকৈ ছাগলীয়া বন গাণনিক কাৰ্যালয়ৰ অধীনৰ পাৰৰছৰা গাঁৱত বৃদ্ধি পাইছে কৃষি ভূমি খনন। গাঁওখনৰ হৰিমন্দিৰৰ কাষত পিবিএফ নামৰ ইটা ভাটা স্থাপন হোৱাৰ পাছত ভাটাত মাটি যোগানৰ নামত কৃষি ভূমি ধ্বংস যজ্ঞ চলিছে। উত্তৰ পাৰৰছৰা ঘন আমতলাৰ ওচৰে পাজৰে আজি দুই স্থানত জেচিবিৰে মাটি খনন কৰি ত্ৰিছ-চল্লিশখন ট্ৰেক্টৰেৰে ইটা ভাটাত মাটি যোগান ধৰি আছে। ট্ৰেক্টৰসমূহ গাঁৱৰ মাজেৰে দৌৰি থকাত চৰম সমস্যাত পৰিছে স্থানীয় ৰাইজ। এই সন্দৰ্ভত জিপিএছ মেপৰ সৈতে ফটো সংগ্ৰহ কৰি ধুবুৰী বন সংমণ্ডল বিষয়া হিৰণ্য পাঠক, ছাগলীয়া বন গাণনিক বিষয়া কবিন বৰাকে ধৰি বিভিন্ন বিষয়াক প্ৰেৰণ কৰে যদিও কোনো গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, বন বিষয়াৰ লগত গোপন বুজাবুজি কৰি ছিণ্ডিকেট বাহিনীয়ে অবৈধ খনন কাৰ্য অব্যাহত ৰাখিছে। একে ধৰণে মটৰঝাৰ বীটৰ অধীনৰ হৰিৰহাট অঞ্চলতো চলিছে কৃষি ভূমি খনন। হৰিৰহাট চৰাইখোলাৰ পৰা ডাম্পাৰেৰে মাটি কঢ়িয়াই বালাজান আৰু গৌৰীপুৰৰ বিভিন্ন ইটা ভাটাত যোগান ধৰি আহিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# টুংপ্ৰেঙত অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভা সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ২৬ মাৰ্চঃ** আজি পশ্চিম কাৰ্বি আংলং জিলাৰ নৱগঠিত ৰংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত টুংপ্ৰেংস্থিত বন বিভাগৰ ডাক বাংলাত অসম জনজাতি সাংস্কৃতিক মহাসভাৰ পশ্চিম কাৰ্বি আংলং জিলা সমিতি গঠনৰ উদ্দেশ্যে এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। জিলাখনৰ ভিন ভিন প্ৰান্তৰ কাৰ্বি, ডিমাছা, গাৰো, তিৱা, হাজং, বড়ো আদি জনজাতি সাংস্কৃতিক কৰ্মীসকলে অংশগ্ৰহণ কৰা সভাত সভাপতিত্ব কৰে কাৰ্বি কালচাৰেল ছ'চাইটিৰ প্ৰাক্তন সভাপতি চন্দ্ৰ সিং ক্ৰয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰি আহ্বায়ক দিব্যজ্যোতি বৰদলৈয়ে কয়- "পশ্চিম কাৰ্বি আংলং অঞ্চলৰ জনজাতি সাংস্কৃতিক কৰ্মীসকল সৰ্বদিশতে পিছ পৰি আছে। প্ৰতিভা আছে, বিকাশৰ সুযোগৰ মঞ্চ নাই। প্ৰতিটো জনজাতি সাংস্কৃতিক কৰ্মীসকলক আগবঢ়াব নিয়াই আমাৰ লক্ষ্য।" সভাত মুখ্য অতিথি হিচাপে অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰীয়ে অংশগ্ৰহণ কৰি কয়- "চৰকাৰে জনজাতিসকলৰ কৃষ্টি-সংস্কৃতি চিৰ যুগমীয়া কৰাৰ প্ৰয়াস কৰিব লাগে। জনজাতি লোকসকলৰ লোক-সংস্কৃতি, লোক বৈভৱ, লোক সম্পদসমূহ অসমীয়া জাতিৰ বৰ ভেটি নিৰ্মাণত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। আমি প্ৰতিটো জনজাতিক বিশ্ব দৰবাৰত উপনীত কৰিব পাৰিব লাগিব।" মুগাচুং ৰাংকে টেৰণ হাইস্কুলৰ প্ৰধান শিক্ষক নৃপেন পাটৰে কয়- "জনজাতিসকলে নিজৰ ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে বহু সংগ্ৰাম কৰিবলগীয়া হয়।সভাই সৰ্বসন্মতিক্ৰমে বিমল সিং বেক সভাপতি, মাণিক হাফলংবাৰক উপ-সভাপতি, গোপাল মশ্ৰংক সম্পাদক, ধনী চন কামশ্ৰা, মীনা মাৰাকক সহকাৰী সম্পাদক, নিপেন মশ্ৰং, সদানন্দ হাজং, ৰমেন বড়ো আৰু দ্বীজেন আমচিক সাংগঠনিক সম্পাদক, কিৰণ পাটৰক প্ৰচাৰ সম্পাদক হিচাপে লৈ পশ্চিম কাৰ্বি আংলং জিলা জনজাতি সাংস্কৃতিক মহাসভা গঠন কৰে।




# শতবৰ্ষ অতিক্ৰম কৰা চুলতান আলী শইকীয়াৰ মৃত্যুত কংগ্ৰেছ পৰিয়ালৰ সমবেদনা

**ই-সংবাদ, মথুৰাপুৰ, ২৬ মাৰ্চঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰা আৰম্ভ কৰি অসমৰ ভাষা আন্দোলন, বিদেশী বহিস্কাৰ আন্দোলন আদিত ওতঃপ্ৰোতভাৱে জড়িত চুলতান আলী শইকীয়া যোৱা ২০ মাৰ্চত ১০৩ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। চৰাইদেউ জিলাৰ অন্তৰ্গত দিখৌ ৰাঙলী অঞ্চলৰ তৰাণি পথাৰ গাঁৱৰ শতাধিক বৰ্ষ অতিক্ৰম কৰা অঞ্চলটোৰ জ্যেষ্ঠ ব্যক্তি তথা সদ্য প্ৰয়াত চুলতান আলী শইকীয়াৰ পৰিয়াল বৰ্গক মঙলবাৰে আবেলি জিলাখনৰ মাহমৰা ব্লক কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা সমবেদনা জ্ঞাপন কৰি এক শোকবাৰ্তা প্ৰদান কৰা হয়। প্ৰয়াত চুলতান আলী শইকীয়া এজন ধৰ্মপৰায়ণ, সৰবৰহী ব্যক্তিৰ উপৰি এজন প্ৰাক্তন কংগ্ৰেছ কৰ্মী আছিল। সমবেদনা জ্ঞাপন অনুষ্ঠানটোত চৰাইদেউ জিলা কংগ্ৰেছ কমিটীৰ উপ-সভাপতি ড০ প্ৰসেনজিৎ মহন, মাহমৰা ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি কেশৱ গগৈ, সাংগাঠনিক সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম খনিকৰ, সম্পাদক ধ্ৰুৱজ্যোতি ফুকন, শোভজিৎ গগৈ, ৰাজু আহমেদ, সমাজকৰ্মী অভিনৱ চেতিয়া, ইছমাইল আলী শইকীয়া, সাংবাদিক ফৰিদ আলী আদি উপস্থিত থাকে।

# বৰপেটাৰোড আৰক্ষীৰ অভিযানত দুই আই পি এল জুৱাৰী গ্ৰেপ্তাৰ

**ই-সংবাদ, বৰপেটাৰোড, ২৬ মাৰ্চঃ** আই পি এল খেলক লৈ বিভিন্ন সময়ত ৰাজ্যত বৃহৎ জুৱাৰ ৰমৰমীয়া বেহা চলি থকা সময়তেই সক্ৰিয় হৈ পৰিছে বৰপেটাৰোড আৰক্ষী। আই পি এল জুৱাৰীৰ বিৰুদ্ধে বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত চলোৱা অভিযানত নিশা বৰপেটাৰোডৰ বেলতলাৰ পৰা দুই কুখ্যাত আই পি এল জুৱাৰীক আটক কৰিবলৈ সক্ষম হয়। আটক কৰা আই পি এল জুৱাৰী দুজন বৰপেটাৰোডৰ বেলতলাৰ বৰুণ দাস আৰু ইনামুল হক। আই পি এল জুৱাৰী দুজনৰ পৰা দুটা ম'বাইল ফোনৰ লগতে আই পি এল জুৱাখেলত ব্যৱহৃত সামগ্ৰী জব্দ কৰে বৰপেটাৰোড আৰক্ষীয়ে।জুৱাৰী দুজনৰ বিৰুদ্ধে বৰপেটাৰোড আৰক্ষীয়ে নিজাববীয়াকৈ ৩০/২৫ নম্বৰত কেচ ৰুজু কৰি গ্ৰেপ্তাৰ কৰি আজি বৰপেটা জে'ললৈ প্ৰেৰণ কৰে।

# সাংবাদিক দিলোৱাৰ হুছেইনক গ্ৰেপ্তাৰৰ ঘটনাক গৰিহণা বৰপেটাৰোড প্ৰেছ ক্লাবৰ

**ই-সংবাদ, বৰপেটাৰোড, ২৬ মাৰ্চঃ** সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা কাৰ্যই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ মৰ্যাদা হানি কৰিছে বুলি উল্লেখ কৰি বৰপেটাৰোড প্ৰেছ ক্লাবে এই কাৰ্যক গৰিহণা দিছে। বৰপেটাৰোড প্ৰেছ ক্লাবৰ সভাপতি ড০ ৰূপনজিৎ দাস আৰু সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি নাথে গণতন্ত্ৰৰ মৰ্যাদা হানি কৰি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা হৈছে বুলি কোৱাৰ লগতে সাংবাদিকজনক বিনাচৰ্তে মুকলি কৰি দিবলৈ চৰকাৰ তথা প্ৰশাসনক দাবী জনায়।

# নালিয়াৰ ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰিকাণ্ডত জড়িত চাৰিজনক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২৬ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ নালিয়া বজাৰত যোৱা নিশা ব্যৱসায়িক প্ৰতিষ্ঠানৰ চুৰিকাণ্ডত জড়িত চাৰিটা গভাইত চোৰক যোৱা নিশা আৰক্ষীয়ে আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, পুৱতি নিশা তিনি বজাত বজাৰখনৰ মাধৱী ৰায় আৰু ফৰিদুল ইছলামৰ দোকানত চোৰে চুৰি কৰে। দুখন দোকানৰ পৰা লক্ষাধিক নগদ ধনৰ লগতে চিগাৰেট, গুটখা, প্ৰসাধন সামগ্ৰী আদি চুৰি কৰে। কিন্তু দৈৱক্ৰমে মাধৱী ৰায়ৰ দোকানত থকা চিচিটিভিৰ কেমেৰাত আবদ্ধ হয় সমগ্ৰ চুৰিকাণ্ড। এই সন্দৰ্ভত ভুক্তভোগীয়ে নালিয়া আৰক্ষী নিৰীক্ষণ চকীত এজাহাৰ দাখিল কৰে। গোলকগঞ্জ থানাত গোচৰ ৰুজু কৰি ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাই চিচিটিভিৰ কেমেৰাৰ ফুটেজৰ ভিত্তিত অভিযান চলাই যোৱা নিশা কেদাৰ তৃতীয় খণ্ড গাঁৱৰ আউৱাল মজিদৰ পুত্ৰ এশ্ৰাফুল হক(২৪), ইউনুছ আলীৰ পুত্ৰ ইয়াকুব আলী(২১), নালিয়া প্ৰথম খণ্ড গাঁৱৰ প্ৰয়াত দেলদাৰ সেখৰ পুত্ৰ হাসেন আলী(৪৮) আৰু ছামান আলীৰ পুত্ৰ সহিদুল আলী(১৯)ক গ্ৰেপ্তাৰ কৰে। ২৪ ঘণ্টা পাৰ নৌহওঁতেই আৰক্ষীয়ে চাৰিটাকৈ গভাইত চোৰক আটক কৰিবলৈ সক্ষম হোৱাত স্থানীয় ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে। উল্লেখ্য যে এই চোৰকেইটাই চুৰি কৰি সীমান্ত অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰিছে।

# বকো-ছয়গাঁৱত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ ৰাজ্যিক উপ-সভাপতি দুলু আহমেদৰ

**ই-সংবাদ, বকো, ২৬ মাৰ্চঃ** অহা ২ এপ্ৰিলত অনুষ্ঠিত হ'বলগা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদত প্ৰথমবাৰৰ বাবে নিৰ্বাচনী ৰণত অৱতীৰ্ণ হোৱা ৰাষ্ট্ৰীয় দল তৃণমূল কংগ্ৰেছেও দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযান সম্প্ৰতি তুংগত কৰি তুলিছে। সোমবাৰে নিশাপৰ্যন্ত ৰাষ্ট্ৰীয় দলটোৰ নেতৃত্বই বকো-ছয়গাঁও সমষ্টিৰ ৰাভা হাছং এলেকাধীন কেবাঠাইত দলীয় প্ৰাৰ্থীৰ হৈ চলায় নিৰ্বাচনী প্ৰচাৰ। প্ৰাপ্ত বাতৰি মতে, কামৰূপ জিলাৰ ছয়গাঁৱৰ ৰাজাপাৰা, বকোৰ কাকৰাবড়ি আৰু বনগাঁৱত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় অসম তৃণমূল কংগ্ৰেছৰ উপ-সভাপতি দুলু আহমেদৰ লগতে দলটোৰ নেতৃত্বই। উল্লেখ্য, দলটোৱে উত্তৰবনগাঁও পৰিষদীয় সমষ্টিত প্ৰতাপ সাহা, বামুণীগাঁৱত পলাশ দাস, বন্দাপাৰাত শ্যামল ৰাভা আৰু দক্ষিণ বনগাঁৱত ৰূপ কুমাৰ বড়োক প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰিছে। অসম তৃণমূল কংগ্ৰেছৰ উপ-সভাপতি তথা নামনি অসমৰ তত্বাৱধায়ক দুলু আহমেদে দক্ষিণ বনগাঁৱৰ প্ৰাৰ্থী ৰূপ কুমাৰ বড়োৰ হৈ অসম-মেঘালয় সীমান্তৱৰ্তী ৰাজাপাৰাত আৰু উত্তৰ বনগাঁৱৰ প্ৰাৰ্থী প্ৰতাপ সাহাৰ হৈ কাকৰাবড়িত ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে বামুণীগাঁৱত প্ৰতাপ সাহাৰ এটি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। নিৰ্বাচনী প্ৰচাৰকালত ৰাভা হাছঙৰ এই নিৰ্বাচনত তৃণমূল কংগ্ৰেছ দ্বিতীয় স্থানত থাকিব লগতে বিজেপি অথবা ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ লগতহে তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰে অসম তৃণমূল কংগ্ৰেছৰ উপ-সভাপতি দুলু আহমেদে। এই নিৰ্বাচনী প্ৰচাৰ অভিযানত তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সাধাৰণ সম্পাদক তৰিফ চেটাৰ্জী আৰু লাৱন্য বড়োৰ লগতে ৰাজ্যিক তথা জিলা পৰ্যায়ৰ কেবাগৰাকী নেতৃত্বই সহযোগ কৰে।

# মুছলপুৰত নতুন শিক্ষাবৰ্ষৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণ

**ই-সংবাদ, মুছলপুৰ, ২৬ মাৰ্চঃ** বাক্সা জিলাৰ মুছলপুৰত আজি বাস্কা প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত চৰকাৰী বিদ্যালয়সমূহত ২০২৫-২৬ নতুন শিক্ষাবৰ্ষৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে আজি শিক্ষাখণ্ডৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক ভৱেন ৰয়ৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকে বাক্সা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জেহেৰুল ইছলাম। সভাত উপস্থিত থাকি বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীয়ে কয় যে বাক্সা জিলাৰ বাস্কা প্ৰাথমিক শিক্ষাখণ্ডত মুঠ ৩৮৫ খন বিদ্যালয় আছে আৰু প্ৰতিখন বিদ্যালয়ত পাঠ্যপুথি বিতৰণ কৰা হ'ব। আজি মাথোঁ শুভাৰম্ভহে হৈছে বুলি উল্লেখ কৰি তেওঁ সকলোৰে সহযোগিতা কামনা কৰে। বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰা কাৰ্যক এক মহৎ কাৰ্য্য আখ্যা দি বিদ্যালয়সমূহৰ পৰিদৰ্শক জেহেৰুলইছলামে চৰকাৰক কৃতজ্ঞতা জ্ঞাপন কৰে। পৰিদৰ্শকগৰাকীয়ে অহা ১ এপ্ৰিলৰপৰা নতুন শিক্ষা বৰ্ষ আৰম্ভ হ'ব বুলিও জানিবলৈ দিয়ে। আনুষ্ঠানিকভাৱে পাঠ্যপুথি বিতৰণ কাৰ্যসূচীত বাস্কা প্ৰাথমিক শিক্ষাখণ্ডৰ শিক্ষা বিষয়া সোণা মাইনাও বড়ো, মুছলপুৰ আঞ্চলিক এবছুৰ সভাপতি টনী বসুমতাৰী, সম্পাদক ৰামলাল ব্ৰহ্ম উপস্থিত থাকে।

# ৰাইদঙীয়াত ডাম্পাৰৰ খুন্দাত গুৰুতৰভাৱে আহত বাইক আৰোহী

**ই-সংবাদ, বেবেজীয়া, ২৬ মাৰ্চঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলত বিগত কেইমাহমানৰ পৰা মাটি কঢ়িওৱা ডাম্পাৰৰ চৰম দৌৰাত্ম্য অব্যাহত থকাৰ মাজতে মঙলবাৰে জিলাখনৰ ৰাইদঙীয়াত তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত দুই বাইক আৰোহী গুৰুতৰভাৱে আহত হোৱা ঘটনাই ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ মতে, নগাঁও-বটদ্ৰৱা-মৈৰাবাৰী সংযোগী গড়কাপ্তানী পথৰ ৰাইদঙীয়াত নগাঁও চহৰৰ পৰা মৈৰাবাৰীৰ দলৈগাঁও অভিমুখে গৈ থকা এ এছ-২১-এন ৮২১৪ নম্বৰৰ বাইকখনক এ এছ-০২-৩২৩১ নম্বৰৰ এখন মাটি কঢ়িওৱা ডাম্পাখনে পাছফালৰ পৰা প্ৰচণ্ড জোৰেৰে খুণ্ডা মাৰে। ফলত বাইকখনৰ চালক শ্বফিকুল ইছলামৰ লগতে এটি শিশু গুৰুতৰভাৱে আহত হয়। লগে লগে উক্তস্থানত থকা স্থানীয় লোকে আহত বাইক আৰোহীদ্বয়ক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে নগাঁও চহৰলৈ প্ৰেৰণ কৰে। ইফালে, দুৰ্ঘটনাটো সংঘটিত কৰিয়েই ডাম্পাৰখনে পলায়নৰ চেষ্টা কৰে যদিও স্থানীয় ৰাইজে তৎপৰতাৰে ডাম্পাৰখন জব্দ কৰি আৰক্ষীক গতাই দিয়ে।

# নগাঁৱত বুজন পৰিমাণৰ ড্ৰাগছসহ আটক তিনি কুখ্যাত সৰবৰাহকাৰী

**ই-সংবাদ, বেবেজীয়া, ২৬ মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো দীৰ্ঘদিনৰেপৰা আৰক্ষীয়ে চলাই আহিছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান। তথাপি আৰক্ষীলৈ কেৰেপ নকৰি দুষ্ট চক্ৰই জিলাখনত অব্যাহত ৰাখিছে ড্ৰাগছৰ গোপন বেহা। ইয়াৰ মাজতে জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ জুৰীয়া আৰক্ষী থানাৰ এলেকাধীন মাহগুৰিত আৰক্ষীয়ে চলোৱা ড্ৰাগছ বিৰোধী অভিযানত বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছৰ সৈতে তিনিটা সৰবৰাহকাৰী আটক হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত জুৰীয়া আৰক্ষীৰ দলে অতৰ্কিতে মাহগুৰিৰ ফকৰ উদ্দিন নামৰ সৰবৰাহকাৰীটোৰ ঘৰত অভিযান চলায়। এই অভিযানত আৰক্ষীয়ে ফকৰ উদ্দিনৰ লগতে জিয়াবুৰ ৰহমান আৰু মুকছেদুল ইছলাম নামৰ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীকেইটাক কৰায়ত্ত কৰে। তদুপৰি আৰক্ষীয়ে তিনিটা পেকেটত থকা ৫৯.৭৬ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। জব্দ কৰা ড্ৰাগছখিনি কেৰেলালৈ নিবৰ বাবে সৰবৰাহকাৰীকেইটাই মজুত কৰি ৰাখিছিল বুলি জানিব পৰা গৈছে।

# অসম-মেঘালয় সীমান্তত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, বৈঠালাংছ' ২৬ মাৰ্চঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ তথা অসম-মেঘালয় সীমান্তৰ আম-ইহ গাঁৱত আজি এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ড সংঘটিত হোৱা বাসগৃহটো সীমান্তঞ্চলৰ আম-ইহ গাঁৱৰ চুৰেশ তেৰাঙৰ জানিব পৰা গৈছে। খবৰ মতে আজি পুৱা ভাগতে চুৰেশ তেৰাং আৰু পৰিয়ালৰ লোক মেঘালয়ৰ জোঁৱাইলৈ গৈছিল। ঘৰত কোনো নথকাৰ সুযোগ লৈ দুৰ্বৃত্তই অগ্নিসংযোগ কৰে বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে। অগ্নিকাণ্ডত তেৰাঙৰ বাসগৃহটি সম্পূৰ্ণৰূপে ভষ্মীভূত হৈ যায়।

# চেঙাৰ বাঘমাৰাত ড্ৰাগছসহ কুখ্যাত বেপাৰী আটক

**ই-সংবাদ, শিমলীতোলা, ২৬ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতি চৰ আৰক্ষী থানাৰ অন্তৰ্গত ২ নং বাঘমাৰা চৰ গাঁৱত আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই ১২.৪১ গ্ৰাম ড্ৰাগছ জব্দ কৰাৰ লগতে ড্ৰাগছ সৰবৰাহকাৰী নজমুল হকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, সংশ্লিষ্ট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱাশীষ কাশ্যপৰ নেতৃত্বত আৰক্ষীৰ এটি দলে গোপন খবৰৰ ভিত্তিত স্থানীয় ৰাইজ তথা দল-সংগঠনৰ সহযোগত গাঁওখনৰ মন্তাজ আলীৰ পুত্ৰ নজমুল হকৰ ঘৰত অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা নজমুল হকক হাতে-লোটে গ্ৰেপ্তাৰ কৰি নিশাই থানালৈ আনে। ইতিমধ্যে কেইবাৰো ড্ৰাগছসহ গ্ৰেপ্তাৰ হৈ নজমুল জে'ললৈ গৈছিল যদিও পৰিমাণত কম থকাত বাৰে বাৰে জামিন লাভ কৰি আকৌ একে ব্যৱসায় কৰি থকাত সচেতন সমাজ উদ্বিগ্ন হৈ পৰিছে। ইয়াৰ কেইদিনমান আগতে চুৰি মটৰকে ধৰি বিভিন্ন চুৰি সামগ্ৰী আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। সাম্প্ৰতিক পৰিস্থিতিত বহু ভাল ভাল ঘৰৰ ল'ৰাই গোপনে ড্ৰাগছ সেৱন কৰা আৰম্ভ কৰিছে। বহুতেই টকাৰ অভাৱত বিভিন্ন সামগ্ৰী চুৰি কৰি বিক্ৰী কৰি সেই টকাৰে বা চুৰি সামগ্ৰী ৰদ বদল কৰি ড্ৰাগছ লোৱা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে এইজন কুখ্যাত ড্ৰাগছ বেপাৰীৰ কাৰণে স্থানীয় বহু ল'ৰাই ভয়ানক নিচাজাতীয় এই ড্ৰাগছৰ প্ৰতি আসক্ত হোৱাৰ আশংকা ব্যক্ত কৰে স্থানীয় ৰাইজে। নিচাজাতীয় দ্ৰব্যৰে বাৰে বাৰে সমাজ ধ্বংসৰ দৰে নিকৃষ্ট কাণ্ডৰে জড়িত ধৃত নজমুল হকৰ দৰে ব্যক্তিয়ে এইবাৰ যাতে অইন অইন বাৰৰ দৰে সহজতে জে'লৰ পৰা ওলাই আকৌ ড্ৰাগছ ব্যৱসায়ৰ দৰে ভয়ানক বেহাত জড়িত হ'ব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনক স্থানীয় ৰাইজে দাবী জনাইছে।



কানৈ কমাৰ্চ কলেজৰ নতুন অধ্যক্ষ ড০ জয়দেৱ গগৈ

# ডাঃ নোমল মমিনৰ আক্ৰমণৰ বিৰুদ্ধে হামৰেণত প্ৰতিবাদ

**ই-সংবাদ, বৈঠালাংছ', ২৬ মাৰ্চঃ** অসম বিধানসভাৰ উপাধ্যক্ষ তথা বোকাজানৰ বিধায়ক ডাঃ নোমল মমিনক কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই শাৰিৰীকভাৱে কৰা আক্ৰমণৰ ঘটনাক কেন্দ্ৰ কৰি হামৰেণত আজি পশ্চিম কাৰ্বি আংলং জিলা বিজেপিৰ অনুসূচিত জনজাতি মৰ্চাৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কংগ্ৰেছী বিধায়ক নুৰুল হুদাৰ আচৰণে অসম বিধানসভাৰ গৰিমাত কালিমা সানি সংসদীয় বিধিকো সম্পূৰ্ণৰূপে উলংঘা কৰা বুলি মন্তব্য কৰে জিলা বিজেপিৰ নেতৃত্বই। কংগ্ৰেছৰ গুণ্ডাৰূপী বিধায়কগৰাকীক এই দুষ্কাৰ্যৰ বাবে তদন্তৰ ব্যৱস্থা কৰি শাস্তি প্ৰদান কৰিবলৈ পশ্চিম কাৰ্বি আংলং জিলা বিজেপিয়ে দাবী জনাইছে। পশ্চিম কাৰ্বি আংলং জিলা বিজেপিৰ সভাপতি ৰদীপ ৰংহাঙৰ নেতৃত্বত অনুষ্ঠিত এই শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্যসূচীৰ পিছতেই জিলা আয়ুক্তৰ জৰিয়তে বিধানসভাৰ অধ্যক্ষলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয়।

# কলিয়াবৰ জিলা বিজেপি আৰু জনজাতি মৰ্চাৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ, পুৰণিগুদাম, ২৬ মাৰ্চঃ** নগাঁও জিলাৰ পুৰণিগুদামত থকা কলিয়াবৰ জিলা বিজেপিৰ কাৰ্যালয়ত আজি দুপৰীয়া এক প্ৰতিবাদী অৱস্থান কাৰ্যসূচী ৰূপায়ণ কৰে কলিয়াবৰ জিলা ভাৰতীয় জনতা পাৰ্টি আৰু জনজাতি মৰ্চাই। কংগ্ৰেছ দলৰ বিধায়ক নুৰুল হুদাই বিধানসভাৰ উপাধ্যক্ষ ডাঃ নুমল মমিনক শাৰিৰীকভাৱে অপদস্থ কৰাৰ ঘটনাৰ সমগ্ৰ ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ সমান্তৰালকৈ আজি কলিয়াবৰ জিলা বিজেপিৰ কাৰ্যালয়ত এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে বিজেপিৰ কৰ্মীসকলে। প্ৰতিবাদৰ অন্তত ভাৰতীয় জনতা পাৰ্টি কলিয়াবৰ জিলা অনুসূচিতজনজাতি মৰ্চাৰ তৰফৰপৰা ৰূপহীহাটৰ কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাৰ বিৰুদ্ধে তদন্তৰ ব্যৱস্থা কৰি নজিৰবিহীন শাস্তি বিহিবলৈ বিধানসভাৰ অধ্যক্ষলৈ চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে এক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰত পূৰ্ববংগীয় মূলৰ গুণ্ডাৰূপী বিধায়কগৰাকীৰ বিৰুদ্ধে কঠোৰ শাস্তি দাবী কৰাৰ উপৰিও কংগ্ৰেছ গ' বেক, নুৰুল হুদা মুৰ্দাবাদ, হুদাৰ গুণ্ডাগিৰি নচলিব, নুৰুল হুদাক গ্ৰেপ্তাৰ কৰক আদি শ্লোগান দি প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। প্ৰতিবাদ কাৰ্যসূচীত কলিয়াবৰ জিলাৰ জনজাতি মৰ্চাৰ বিষয়ববীয়াসকলৰ উপৰিও কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, সাধাৰণ সম্পাদক অৰবিন্দ চৌধুৰীকে ধৰি মণ্ডল সভাপতি, কলিয়াবৰ জিলা বিজেপিৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

# নগাঁৱত উত্তৰ-পূব হস্ততাঁত আৰু হস্তশিল্প উন্নয়ন নিগমৰ সজাগতা সভা

**ই-সংবাদ, বেৰেজীয়া, ২৬ মাৰ্চঃ** ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডৰ প্ৰতি নৱপ্ৰজন্মক আকৰ্ষণ কৰাৰ লক্ষ্যৰে এম এছ এম ই মন্ত্ৰণালয়ৰ উদ্যোগত তথা ড'নাৰ মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ-পূব হস্ততাঁত আৰু হস্তশিল্প উন্নয়ন নিগমৰ সৌজন্যত নগাঁও জিলাৰ ৰূপহী ইনষ্টিটিউট অব পেৰামেডিকেল টেকন'লজীত মঙলবাৰে এখনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। প্ৰতিষ্ঠানখনিৰ ফেকাল্টি ৰূপজ্যোতি দাসে আঁতধৰা সভাখনিত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি সাংবাদিক তথা জীৱন কৌশলৰ প্ৰশিক্ষক দিব্যজ্যোতি বৰুৱাই এম এছ এম ইৰ আৰ্থ-সামাজিক গুৰুত্ব আৰু কৰ্মসংস্থান সৃষ্টিৰ বিষয়ে আলোচনা কৰাৰ লগতে সক্ষমতা, আত্ম-নিয়ন্ত্ৰণ, সমস্যা সমাধান, যোগাযোগ, সিদ্ধান্ত গ্ৰহণ, আবেগিক নিয়ন্ত্ৰণ, সামাজিক দক্ষতা আদি জীৱন কৌশলৰ গুৰুত্বপূৰ্ণ দিশৰসমূহৰো ব্যাখ্যা আগবঢ়াই। সভাত আন এগৰাকী সমল ব্যক্তি প্ৰভাত চন্দ্ৰ দাসে কয় যে সংশ্লিষ্ট বিষয়ৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ড অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ অংশ। ই নিয়োগ সৃষ্টিৰ লগতে দেশৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশত বিশেষ ভূমিকা পালন কৰে। সভাৰ শেষত ৰূপহী ইনষ্টিটিউট অব্ পেৰামেডিকেল টেকনলজিৰ পৰিচালন সঞ্চালক আছলাম চৌধুৰীয়ে কৃষিৰ পাছতেই ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডই কম মূলধন ব্যয়ত বৃহৎ নিয়োগৰ সুযোগ সৃষ্টি কৰি ৰাজ্য তথা দেশৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত যথেষ্ট অৰিহণা যোগাই আহিছে বুলি মন্তব্য কৰি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ বৃদ্ধিত অৰিহণা যোগাবলৈ ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগীকৰণৰ জগতখন অন্বেষণ কৰি জ্ঞান, দক্ষতা আৰু প্ৰেৰণাৰে সবলীকৰণ হ'বলৈ আহ্বান জনাই। সভাত প্ৰতিষ্ঠানখনৰ অধ্যক্ষ শ্বাহিল চৌধুৰী, আৰিফ আহমেদৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## পশ্চিম দৰঙত ছাত্ৰ-ছাত্ৰীৰ মাজত 'বৌদ্ধিক জাগৰণ' শীৰ্ষক অভিযানত ব্ৰতী সাংবাদিক, লেখক

**ই-সংবাদ, দুনী, ২৬ মাৰ্চঃ** সম্প্ৰতি সামাজিক মাধ্যমৰ প্ৰভাৱে ব্যাপকভাৱে সমাজ জীৱনত ৰেখাপাত কৰাৰ ফলশ্ৰুতিতেই হয়তো গ্ৰন্থ, আলোচনী, বাতৰি কাকত অধ্যয়নৰ প্ৰৱণতা যেন ক্ৰমাগতভাৱে কমি অহা পৰিলক্ষিত হৈছে। বিশেষকৈ আশী, নৱৈ দশকলৈ গ্ৰাম্যাঞ্চলসমূহত যিটো হাৰত কাকত, আলোচনীৰ পঢ়ুৱৈৰ সংখ্যা আছিল, সম্প্ৰতি ভয়ানকভাৱে হ্ৰাস পাইছে। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত কিমান শতাংশই গ্ৰন্থ, কাকত, আলোচনী আদি অধ্যয়নৰ প্ৰতি আগ্ৰহান্বিত সেয়া লক্ষণীয় হৈ পৰিছে। এনে ক্ষণত পশ্চিম দৰং অঞ্চলত গ্ৰন্থ, কাকত অধ্যয়নৰ প্ৰতি এক জাগৰণ অনাৰ প্ৰচেষ্টাত ব্ৰতী হৈছে এগৰাকী সাংবাদিক আৰু এগৰাকী যুৱ লেখক। এওঁলোকৰ এই ব্যতিক্ৰমী প্ৰচেষ্টাত স্কুলীয়া ছাত্ৰ-ছাত্ৰী, সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান, বিদ্যালয়ত সাপ্তাহিক কাকত 'প্ৰাগজ্যোতিষ', ইংৰাজী সাপ্তাহিক কাকত 'ISHAN DARPAN', শিক্ষামূলক বাৰ্তালোচনী 'জিজ্ঞাস' ছাত্ৰ-ছাত্ৰী, বৌদ্ধিক মহলৰ হাতত তুলি দিয়া পৰিলক্ষিত হৈছে। 'বৌদ্ধিক জাগৰণ' নামকৰণেৰে সদ্যহতে বৃহত্তৰ পশ্চিম দৰং অঞ্চলত কাকত, গ্ৰন্থ অধ্যয়নৰ এক ব্যক্তিক্ৰমী প্ৰচেষ্টাৰ অংশ স্বৰূপে প্ৰথম পৰ্যায়ত বুঢ়া শংকৰদেৱ শিশু নিকেতন, বৰমপুৰ জাতীয় বিদ্যালয়, আঙ্কেৰীঘাটৰ মহৰ্ষি বিদ্যা মন্দিৰ আদি বিদ্যালয়ত 'জিজ্ঞাস', 'প্ৰাগজ্যোতিষ', 'ISHAN DARPAN', অসমীয়া, ইংৰাজী সাপ্তাহিক বাতৰি কাকত, দৈনিক কাকত ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিয়াৰ এই প্ৰচেষ্টাত Journalist Association For Assam (JAFA) ৰ গ্ৰাম্য সাংবাদিকতা বঁটা প্ৰাপক জ্যেষ্ঠ সাংবাদিক, লোক শিল্পী ঘনকান্ত কলিতা, যুৱ লেখক গৌতম কলিতাৰ অগ্ৰণী ভূমিকাক আঞ্চলিক বৌদ্ধিক মহলৰ লগতে বৰ অসম সমন্বিত সমাজ, অসম, অসম সত্ৰ মহাসভাৰ ভাতৃ সংগঠন সমন্বিত যুৱ তীৰ্থ দৰং জিলা সমিতি, দুনী আঞ্চলিক ছাত্ৰ সন্থা, দৰঙী কলা কৃষ্টি উন্নয়ন সংঘৰ বিষ্ণু-জ্যোতি আঞ্চলিক সমিতি, বানেইকুছি আদি অনুষ্ঠান-প্ৰতিষ্ঠানে ভূয়সী প্ৰশংসা কৰিছে। সাংবাদিকৰ এক সাক্ষাৎকাৰত 'বৌদ্ধিক জাগৰণ'ৰ আৰম্ভণি কৰোতা ব্যক্তি দুগৰাকীয়ে কয় যে গ্ৰন্থ, আলোচনী, কাকত অধ্যয়নৰ ধাৰাটো নৱ প্ৰজন্মৰ মাজত অনাৰ বাবে আগন্তুক দিনত আৰু অধিক নতুন কৌশল, পদ্ধতিৰে আগবঢ়াৰ পৰিকল্পনা আছে বুলি কোৱাৰ লগতে সমান্তৰালভাৱে অভিভাৱক, মাতৃসকলৰ লগত আলোচনা চক্ৰৰ জৰিয়তে এক সজাগতা অনাৰ প্ৰয়াসো অব্যাহত থাকিব বুলি কয়।

# বনঘুগিত কুখ্যাত আই পি এল জুৱাৰী নজৰুল ইছলামক গ্ৰেপ্তাৰ

**ই-সংবাদ, কলগাছিয়া, ২৬ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বনঘুগি গাঁৱৰ পৰা মঙলবাৰে নিশাৰ ভাগত কুখ্যাত আই পি এল জুৱাৰী নজৰুল ইছলামক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। জুৱা চলি থকা অৱস্থাত বনঘুগিৰ নিজ গৃহৰ পৰা হাতে-লোটে জুৱাৰী নজৰুল ইছলামক গ্ৰেপ্তাৰ কৰে যদিও নজৰুলৰ ভাতৃ ৰফিকুল ইছলাম ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চল ব্যাপী তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, কলগাছিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্য কমল দত্তৰ নেতৃত্বত এটা আৰক্ষীৰ দলে গোপনঅভিযান চলাই জুৱা খেলি থকা অৱস্থাত বনঘুগিৰ নিজ গৃহৰ পৰা হাতে লোটে গ্ৰেপ্তাৰ কৰে জুৱাৰীজনক। উল্লেখ্য যে, এনে অবৈধ জুৱা খেল চলি থকাত বনঘুগি অঞ্চলত চুৰি ডকাইতি, অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাবলৈ ধৰিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। সম্প্ৰতি কলগাছিয়া আৰক্ষীৰ এই বৃহৎ সফলতাক ভূয়সী প্ৰশংসা কৰাৰ লগতে আৰক্ষীক স্থানীয় ৰাইজে ধন্যবাদ জনাইছে। তদুপৰি এনে জুৱাৰীক কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে শীঘ্ৰে জুৱা খেল কঠোৰ হাতেৰে নিৰ্মূল কৰিবলৈ দাবী জনাইছে ৰাইজে।

# কলগাছিয়াত সাংবাদিকৰ প্ৰতিবাদী কাৰ্যসূচী

**ই-সংবাদ, কলগাছিয়া, ২৬ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া চাৰিআলি চকত বুধবাৰে বিয়লি ১.৩০ বজাত কলগাছিয়া প্ৰেছ ইউনিয়ন আৰু কলগাছিয়া প্ৰেছ ক্লাবৰ যৌথ উদ্যোগত অসম আৰক্ষীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। জ্যেষ্ঠ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক অসম আৰক্ষীয়ে অন্যায়ভাৱে গ্ৰেপ্তাৰ কৰা কাৰ্যক তীব্ৰ বিৰোধিতা কৰি সাংবাদিকগৰাকীৰ মুক্তিৰ দাবীত আৰু অসম আৰক্ষীৰ ভূমিকাৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰী সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইনক মুক্তিৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলে দিলোৱাৰ হুছেইন মজুমদাৰক মুক্তি দিয়ক, অসম চৰকাৰ হায় হায়, বিজেপি চৰকাৰ হায় হায়, বিনাচৰ্তে দিলোৱাৰ হুছেইন মজুমদাৰক মুক্তি দিয়ক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অসম আৰক্ষীৰ এই অন্যায় কাৰ্যক কলগাছিয়াৰ সাংবাদিক সমাজৰ উপৰি চি আই টি ইউৰ ফালৰ পৰাও ধিক্কাৰ আৰু তীব্ৰ গৰিহণা জনাইছে। প্ৰতিবাদী কাৰ্যসূচীত কলগাছিয়া প্ৰেছ ইউনিয়নৰ সভাপতি শ্বহিদুল ইছলাম, সম্পাদক জাহিদুল ইছলাম, কলগাছিয়া প্ৰেছ ক্লাবৰ সহঃ সম্পাদক ৰেজাউল ৰছুল হক, জ্যেষ্ঠ সাংবাদিক ৰকিবুল হাছান, চি আই টি ইউৰ নেতা চানমামুদ আহমেদৰ উপৰি সাংবাদিক স্বফিকুল হাছান, মোজাম্মেল হুছেইন, সৰবেছ আলী, আমিৰ হুছেইন, আবুল কালাম আজাদ, মহিৰ উদ্দিন আহমেদ, মগৰব আলী, মজিবৰ আলী, ৰেজাউল হক বিজুকে আদি কৰি ভালেসংখ্যক স্থানীয় সংবাদকৰ্মী উপস্থিত থাকে।

# ঐতিহ্যমণ্ডিত মতিৰাম বৰা আদৰ্শ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ

**ই-সংবাদ, মৰিগাঁও, ২৬ মাৰ্চঃ** মৰিগাঁও জিলাৰ বৰঙাবাৰীৰ ঐতিহ্যমণ্ডিত মতিৰাম বৰা আদৰ্শ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱটি আজিৰে পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা হয়। আজি প্ৰথম দিনা পুৱাৰ ভাগত এগছি বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুলাল চন্দ্ৰ নাথে। আনহাতে, এখন আটকধুনীয়া তোৰণ উন্মোচন কৰে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। ইয়াৰ পিছতে সোণালী জয়ন্তী উৎসৱৰ মূল পতাকাখন উত্তোলন কৰে সভাপতি তথা মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে আৰু আন ৪৯ খন পতাকা উত্তোলন কৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু আঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলে। আনহাতে, বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা আৰু বিকাশ সমিতিৰ সভাপতি খগেন মহন্তই। ইয়াৰ পিছতে লোকপ্ৰাণ মতিৰাম বৰাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে জাপান চন্দ্ৰ বৰা আৰু বিকুল কুমাৰ কাকতিয়ে। আনহাতে, শ্বহীদ তৰ্পণ মুকলি কৰে মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ কুমাৰ বৰা সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মনে আৰু স্মৃতি তৰ্পণ কৰে হৰিবিলাস মেধি, বিপুল বৰকাকতি আৰু প্ৰকাশ নাথে। পুৱাৰ ভাগতে বৃক্ষৰোপণ আৰু বিয়লি বিদ্যালয়খনৰ কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠান দুটাত আদৰণি ভাষণ প্ৰদান কৰে ক্ৰমে সহকাৰী শিক্ষক তুলেন চন্দ্ৰ কাকতি আৰু প্ৰধান শিক্ষক জয়ন্ত কুমাৰ হাজৰিকাই। নিশা এটি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সোণালী জয়ন্তী উৎসৱৰ কাইলৈ পুৱাৰ ভাগত এটি যোগ শিবিৰ, চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা, ন-পুৰণি ছাত্ৰ ছাত্ৰীৰ অন্তৰংগ আলাপ আৰু বিয়লি শৈক্ষিক 'উত্তৰণত সামাজিক দায়বদ্ধতা' শীৰ্ষক এখন আলোচনা সভা অনুষ্ঠিত কৰা হ'ব। খগেন মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এই অনুষ্ঠানত তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ মাধুৰ্যমণ্ডিত বৰুৱা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

## লাহোৱালৰ মোহনবাৰীত বিহু কৰ্মশালাৰ আয়োজন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৬ মাৰ্চঃ** অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ লগতে বিহুনাচসমূহ নৱপ্ৰজন্ম আগত চিনাকি কৰাই দিয়া প্ৰয়াসেৰে প্ৰতিবছৰৰ দৰে এইবছৰো সদৌ অসম ছাত্ৰ সন্থাৰ লাহোৱাল আঞ্চলিক সমিতিৰ উদ্যোগত আৰু মোহনবাৰী শাখা ছাত্ৰ সন্থাৰ আতিথ্যত আঠ দিনীয়াকৈ 'বিহু নাচ' কৰ্মশালাৰ আয়োজন কৰা হৈছে। লাহোৱালৰ মোহনবাৰী ৰাজহুৱা প্ৰেক্ষাগৃহত অহা ২৯ মাৰ্চৰ পৰা ৫ এপ্ৰিল লৈকে আঠ দিনীয়াকৈ এখনি 'বিহু নাচ' কৰ্মশালাৰ আয়োজন কৰা হৈছে। বিয়লি ২ বজাৰ পৰা হ'বলগীয়া কৰ্মশালাত মুখ্য প্ৰশিক্ষিকা হিচাপে উপস্থিত থাকিব ২০২৪ বৰ্ষৰ লতাশিল বিহুৱাণী পাহাৰী বুঢ়াগোহাঁই। কৰ্মশালাত সকলো বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। ইচ্ছুক প্ৰশিক্ষাৰ্থীয়ে সবিশেষ জানিবৰ বাবে ৯৫৭৭১২৮২৮৬/ ৯১০১৩৩৮৬৩০৯/ ৮০৯৯৮০৯৭৪৭ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

## ড০ লক্ষ্মীনন্দন বৰা সোঁৱৰণি সাহিত্য বঁটা- ২০২৫ৰ বাবে প্ৰকাশিত গ্ৰন্থ আহ্বান

**ই-সংবাদ, দুমুনিচকী, ২৬ মাৰ্চঃ** প্ৰতিবছৰৰ দৰে এইবছৰো প্ৰাগজ্যোতিষ আৰু নিৰ্মল শৈক্ষিক ন্যাসে 'ড০ লক্ষ্মীনন্দন বৰা সোঁৱৰণি সাহিত্য বঁটা'ৰ বাবে প্ৰকাশিত গ্ৰন্থ আহ্বান কৰিছে। এই বঁটা দুটা শিতানত প্ৰদান কৰা হয়। ন্যাসৰ সঞ্চালক উৎপল ভৰদ্বাজে জনোৱা অনুসৰি গল্প আৰু উপন্যাস ওপৰত ভিত্তি কৰি প্ৰতিবছৰে এগৰাকী গল্পকাৰ আৰু এগৰাকী ঔপন্যাসিকক এই বঁটা প্ৰদান কৰি আছে। জানুৱাৰী, ২০২০ চনৰ পৰা জানুৱাৰী, ২০২৫ চনৰ ভিতৰত প্ৰকাশ পোৱা গ্ৰন্থহে এই বঁটাৰ বাবে গ্ৰহণযোগ্য হ'ব। ইচ্ছুক গল্পকাৰ তথা ঔপন্যাসিকসকলে ন্যাসৰ ক্ষেত্ৰ কাৰ্যালয়ঃ প্ৰজ্ঞা কম্পিউটাৰ্ছ, দীঘিৰপাৰ, দৰং, অসম- ৭৮৪১৪৪ ডাক ঠিকনাত দুকপি গ্ৰন্থ, একপি ফটো, এখন ন্যাসৰ সঞ্চালকলৈ বুলি লিখা আবেদন পত্ৰ প্ৰেৰণ কৰিব লাগিব। উল্লেখ্য যে, এই বঁটা বাবে আবেদনৰ মাচুল ৩০০ টকা। এই মাচুল ৬০০০০৫১৫৩২ নম্বৰত Google Pay যোগে প্ৰেৰণ কৰিব লাগিব। অহা ১০ এপ্ৰিল, ২০২৫ তাৰিখৰ ভিতৰত ডাকযোগে আহি পোৱা গ্ৰন্থহে বঁটাৰ বাবে গ্ৰহণযোগ্য হ'ব। অহা জুন মাহত গুৱাহাটীত এই বঁটা প্ৰদান কৰা হ'ব। বঁটাত নগদ ধন ১০ হাজাৰ টকা, স্মাৰক, সম্বৰ্ধনা পত্ৰ, কিতাপৰ টোপোলা আদি থাকিব। ৯৬৭৮ ৪৮০৯৬৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নম্বত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

## দৰং জিলা সাহিত্য সভাৰ 'সাহিত্য দিৱস' পালন

**ই-সংবাদ বিশেষ, মঙলদৈ, ২৬ মাৰ্চঃ** "জোৰাসাকোঁৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ জীয়ৰীৰ সৈতে বিবাহপাশত আৱদ্ধ হৈয়ো সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ স্বাভিমানী অসমীয়া চিনাকিটো ঠাকুৰ পৰিয়ালৰ চিনাকিৰ লগত নিস্প্ৰভ হৈ যাবলৈ দিয়া নাছিল। বৰঞ্চ মহাপুৰুষ দুগৰাকীৰ পিছতেই অসমীয়া সাহিত্য সংস্কৃতি আৰু চিৰ চেনেহী অসমীয়া ভাষাটি নতুন ৰূপত সজাইহে তুলিছিল। তেখেতৰ সমকালীন বিশিষ্ট অসমীয়া ব্যক্তি এগৰাকীয়ে আকৌ ঠাকুৰ পৰিয়ালৰ চিনাকিৰে নিজৰ অসমীয়া চিনাকি ম্লান পৰিব বুলি আশংকা কৰি এই পৰিয়ালৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰাৰ পৰা বিৰত আছিল। আনহাতে, ব্ৰিটিছৰ শিক্ষা সংস্কৃতিৰে লালিত পালিত এচাম বিদ্বান অসমীয়া লোকে অসমৰ বাপোতিসাহোন বিহুটি অশ্লীলতাৰ দোষত নিষিদ্ধ কৰিবলৈ ব্ৰিটিছ শাসকৰ ওচৰত আৰ্জি পেশ কৰাৰ বিপৰীতে সাহিত্যৰথীয়ে বিহু নৃত্যৰ চৰ্চা, সংৰক্ষণ আৰু প্ৰসাৰৰ হকে মাত মাতিছিল। সেয়েহে প্ৰতিগৰাকী অসমীয়াই লক্ষ্মীনাথ বেজবৰুৱাৰ লিখনিসমূহ অধ্যয়ন কৰাৰ প্ৰয়োজন হৈ পৰিছে।"- সাহিত্যৰথীৰ পবিত্ৰ তিথি উপলক্ষে আয়োজিত 'সাহিত্য দিৱস'ত অংশগ্ৰহণ কৰিএইদৰে বক্তব্য আগবঢ়ায় দৰঙৰ জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাসে। দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ সহযোগত জিলা সাহিত্য ভৱনত আয়োজিত সাহিত্য দিৱসত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি সাংবাদিক দাসে অসমৰ লগতে দৰং জিলাৰ ইতিহাস নতুনকৈ উপলব্ধ তথ্যৰ ভিত্তিত পুনৰ ৰচনা কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে এক নিৰ্মোহ আৰু বিশ্লেষণাত্মক পৰ্যালোচনা আগবঢ়ায়। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ধীৰেন্দ্ৰ কুমাৰ শৰ্মাৰ সভাপতিত্বত আয়োজিত এই অনুষ্ঠানটিত সাহিত্যৰথীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক ডাঃ অমৰেন্দ্ৰ নাৰায়ন দেৱে। দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল ৰাজবংশীৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা এই অনুষ্ঠানটিত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৃথুৰাম বৰুৱা আৰু চহিৰ ভূঞা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মুকুট চন্দ্ৰ হাজৰিকা, বিশিষ্ট কবি প্ৰমোদ ৰঞ্জন সাহা, বিশিষ্ট লেখক প্ৰফুল্ল চহৰীয়া, দৰং জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ উপেন্দ্ৰ চহৰীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ উপসভাপতি খনিন্দ্ৰ ৰাজবংশী, সদৌ অসম বাৰ্তাজীৱী সংঘৰ সম্পাদক মুকুট ৰাজ শৰ্মা, লেখিকা জাহ্নৱী চক্ৰৱৰ্তী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে বিশেষভাৱে অংশগ্ৰহণ কৰে। কবিতা কুমাৰী বৰডেকা, বিজয় কুমাৰ বৰুৱা, ডিম্বেশ্বৰ ডেকা, অৰুণ বৰুৱা, প্ৰমোদ ৰঞ্জন সাহা, সন্ধ্যাৰাণী চহৰীয়া, চৰিফুল ইছলাম, মুকুন্দ নাৰায়ণ কোঁৱৰ, সোণেশ্বৰী দাস, মহেশ গোস্বামীয়ে স্বৰচিত কবিতা পাঠ কৰি সাহিত্যৰথীলৈ শ্ৰদ্ধা অৰ্পণ কৰাৰ পিছত বিৰাজ কুমাৰ ডেকা আৰু বেউলা কলিতা কোঁৱৰে স্বৰচিত গল্প পাঠ কৰে। কণ্ঠশিল্পী অনিমা চহৰীয়াই এটি গীত পৰিৱেশন কৰা এই অনুষ্ঠানটিত পঠিত কবিতাৰ ওপৰত পৰ্যালোচনা আগবঢ়ায় কবি তথা নিবন্ধকাৰ মলয় বৰুৱাই।

## লাহোৱালৰ ধৰ্মপ্ৰাণ ব্যক্তি শৰৎ হাজৰিকাৰ মৃত্যু

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৬ মাৰ্চঃ** লাহোৱাল মৌজাৰ অন্তৰ্গত বকুল মাজ গাঁও নিবাসী ধৰ্মপ্ৰাণ ব্যক্তি তথা ক্ষুদ্ৰ চাহ খেতিয়ক শৰৎ হাজৰিকা(৭৪)ৰ আজি দুপৰীয়া ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেওঁ কিছুদিন ধৰি ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰ লগতে বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। আবেলি মায়ামৰা সমাজৰ ৰীতি-নীতি, গায়ন-বায়নৰেৰে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱকলাক্ষেত্ৰ পৰিচালনা সমিতি, ডিব্ৰুগড় নৱজাগৃতি যুৱক সংঘ, মটক স্বায়ত্তশাসিত পৰিষদৰ সদস্য দীপজয় শইকীয়াকে ধৰি বহুজনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## ডিব্ৰুগড়ত মোবাইল চোৰৰ উৎপাত

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ মাৰ্চঃ** সম্প্ৰতি ডিব্ৰুগড়ত পুনৰ ম'বাইল চোৰৰ উপদ্ৰৱ বৃদ্ধি পাইছে। যোৱা দেওবাৰে চৌকিডিংগী সাপ্তাহিক বজাৰত বজাৰ কৰি থাকোঁতে একেদিনাই তিনিটাকৈ ম'বাইল চুৰিৰ ঘটনাই ৰাইজক চিন্তিত কৰি তুলিছে। এগৰাকী জ্যেষ্ঠ সাংবাদিকৰ লগতে আন দুজনৰো বজাৰ কৰি থাকোঁতে চোৰে ম'বাইল চুৰি কৰি লৈ যায়। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, এই চোৰৰ দলটোত আছে ১৫ৰ পৰা ২০ বছৰৰ ল'ৰা। চোৰৰ দলটোৱে সামগ্ৰী কিনাৰ চলেৰে গ্ৰাহকজনক চাৰিও ফালৰ পৰা জুম বান্ধি ঘেৰি ধৰি এই ম'বাইল চুৰি কাৰ্য নিমিষতে সম্পন্ন কৰে। ইতিমধ্যে এই সম্পৰ্কে মিলন নগৰ থানাত গোচৰ দিয়া হৈছে যদিও ফোন উদ্ধাৰ কৰিব পৰা নাই। মিলন নগৰ আৰক্ষীয়ে জোৰ অনুসন্ধান চলাই আছে বুলি জানিবলৈ দিয়ে। আন এক সূত্ৰৰ মতে, ১৫-২০ বছৰৰ এই ল'ৰাকেইটাক পুৱা ৩-৪ বজাতো কনভয় ৰোড অঞ্চলত ঘূৰি ফুৰা প্ৰত্যক্ষ কৰে।

## কাহিতলীত কোচ-ৰাজৰংশী সন্মীলনীৰ জিলাৰ অধিৱেশনৰ পূৰ্ণ প্ৰস্তুতি

**ই-সংবাদ, দুনী, ২৬ মাৰ্চঃ** পশ্চিম দৰঙৰ কাহিতলীত কাহিতলী আঞ্চলিক কোচ-ৰাজৰংশী সন্মীলনীৰ উদ্যোগত সদৌ দৰং জিলা কোচ-ৰাজবংশী সন্মীলনী অনুষ্ঠিত হ'ব। কাহিতলীৰ বংশীধৰ ৰাজবংশী, ধেপেলী ৰাজবংশী আৰু মধুৰী ৰাজবংশী সোঁৱৰণী সমন্বয় ক্ষেত্ৰত অহা ২৯ আৰু ৩০ মাৰ্চত অনুষ্ঠিত হ'ব উক্ত সন্মিলনী। পৰিৱেশ পৰিষ্কাৰকৰণ আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ হ'ব প্ৰথম দিনৰ অনুষ্ঠান। ইয়াৰ পাছতে গছ পুলি ৰোপণ, ভাগৱত স্থাপন, আঞ্চলিকৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ কৰা হ'ব। ইয়াৰ সমান্তৰালভাৱে মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰা হ'ব। আবেলি অধিৱেশন সম্পৰ্কে বিশেষ আলোচনা অনুষ্ঠাত অনুষ্ঠিত হ'ব। সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হ'ব। ৩০ মাৰ্চত পৰিৱেশ পৰিষ্কাৰকৰণ আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ হ'ব দ্বিতীয় দিনৰ কাৰ্যসূচী। ইয়াৰ পাছতে সদৌ দৰং জিলা কোচ-ৰাজবংশী সন্মীলনীৰ পতাকা উত্তোলন কৰা হ'ব। উত্তোলন কৰিব সদৌ দৰং জিলা কোচ-ৰাজবংশী সন্মীলনীৰ সভাপতি ৰজত চন্দ্ৰ ডেকাই। ইয়াৰ পাছত ভাগৱত পাঠ, তোৰণ উন্মোচন, ক্ষেত্ৰ উন্মোচন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পাছত সদৌ দৰং জিলা কোচ-ৰাজবংশী সন্মীলনীৰ বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত হ'ব লগতে কাহিতলী আঞ্চলিক কোচ-ৰাজবংশী সন্মীলনীৰ সভাপতি গোপাল ৰাজবংশীৰ সভাপতিত্বত অনুস্থিত হ'ব লগা বাৰ্ষিক অধিৱেশনৰ মুকলি সভা উদ্বোধন কৰিব ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব টংলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰুৱা। মুখ্য আতিথি হিচাপে থাকিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা। বিশিষ্ট আতিথি হিচাপে থাকিব ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া। সন্ধিয়া বাৰশ শিল্পীৰ দ্বাৰ পৰিৱেশন কৰা হ'ব হুদুম নৃত্যৰ লগতে স্থানীয় শিল্পীৰ দ্বাৰা বিচিত্ৰানুষ্ঠান।

## নলবাৰীৰ বগুৰিহাটীত ৭৭ সংখ্যক বাসন্তী পূজাৰ আয়োজন

**ই-সংবাদ, চামতা, ২৬ মাৰ্চঃ** নলবাৰী জিলাৰ দক্ষিণ প্ৰান্তত অৱস্থিত বগুৰিহাটী বাৰোৱাৰী শ্ৰীশ্ৰী বাসন্তী মন্দিৰত ৭৭ সংখ্যক শ্ৰীশ্ৰী বাসন্তী পূজাৰ আয়োজন কৰা হৈছে। অহা ৩ এপ্ৰিলৰ পৰা ৭ এপ্ৰিললৈ পাঁচদিনীয়া আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বাসন্তী দেৱী পূজা। আয়োজকে জনোৱা মতে, কাৰ্যসূচী অনুসৰি ধৰ্মধ্বজা উত্তোলন, ৭৭ খন পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন, দিহা নাম, আৰতি প্ৰদান, আমন্ত্ৰিত নাগাৰা নাম দলৰ নাগাৰা নাম প্ৰদৰ্শন, ওজাপালি ৰৌমাৰী ঢুলীয়া দলৰ দ্বাৰা ঢুলীয়া প্ৰদৰ্শন, ঢুলীয়াৰ দ্বাৰা নাট প্ৰদৰ্শনৰ লগতে আমন্ত্ৰিত কহিনুৰ থিয়েটাৰৰ দ্বাৰা তিনিদীনিয়াকৈ নাট প্ৰদৰ্শন কৰা হ'ব। উল্লেখ্য যে নৱমীৰ দিনা পুৱাৰ ভাগত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।বিভিন্ন প্ৰান্তৰ বিভিন্ন ক্ষেত্ৰৰ কেবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰিব পূজা মহোৎসৱত। ইতিমধ্যে নিৰেন চন্দ্ৰ বৈশ্যক সভাপতি, সুৰেশ তালুকদাৰ, নিৰ্মল তালুকদাৰক কাৰ্যকৰী সভাপতি, ৰঞ্জিত চৌধুৰী, চন্দন দাসক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হৈছে।

## মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ বিৰুদ্ধে লিখিত আবেদন কেপিপিৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৬ মাৰ্চঃ** ধুবুৰী জিলাৰ কৃষি ভূমিত অবৈধভাৱে গঢ়ি উঠা ইটা ভাটাসমূহৰ মাটিৰ শ্ৰেণী পৰিৱৰ্তন নকৰিবলৈ কালি মুখ্যমন্ত্ৰীক লিখিত আবেদন জনায় কামতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সমিতিয়ে। জানিব পৰা মতে, ধুবুৰী জিলাত কাঠফুলাৰ দৰে গঢ়ি উঠিছে ইটা ভাটা। বিভাগীয় নীতি-নিৰ্দেশনাক জলাঞ্জলি দি অবৈধভাৱে কৃষি ভূমিত স্থাপন কৰা হৈছে ইটা ভাটা। প্ৰদূষণ, স্বাস্থ্য, শিক্ষা কোনো এটা নিৰ্দেশনাই গুৰুত্ব দিয়া নাই যদিও বিশেষকৈ কৃষি ভূমিত ভাটাসমূহ অবৈধভাৱে স্থাপন কৰাত অসন্তুষ্ট হৈ পৰিছে কামতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টি চমুকৈ কেপিপিৰ ধুবুৰী জিলা সমিতি। সমিতিৰ সভাপতি নিখিল ৰায়ে বহুবাৰ বিভিন্ন মাধ্যম যোগে কৃষি ভূমিত স্থাপন কৰা ইটা ভাটাসমূহ উৎখাত কৰাৰ আহ্বান জনাই আহিছে। ইয়াৰ মূলতে হ'ল ভাটাসমূহৰ বাবে কৃষি সংকুচিত হৈ আহিছে। কাষৰীয়া খেতি পথাৰৰ মাটি কাটি ইটা ভাটাসমূহত যোগান ধৰাত খেতি উপযোগী মাটি খাল-বিলত পৰিণত হৈছে। ইয়াৰ ফলত লাহে লাহে ভূমিপুত্ৰ খিলঞ্জীয়াসকলৰ কৃষি ভূমি কৃষি কাৰ্যৰ অনুপোযুক্ত হৈ পৰিছে। এই ক্ষেত্ৰত ইটা ভাটাসমূহৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে ধুবুৰী জিলা আয়ুক্তক বাৰে বাৰে আবেদন জনাই অহাৰ মাজতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ এক নিৰ্দেশনাই চিন্তিত কৰি তুলিছে কেপিপিৰ লগতে সমাজ সচেতন ৰাইজক। যোৱা ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী শৰ্মাই নতুনকৈ মাটিৰ শ্ৰেণী বিভাজন কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। এই সন্দৰ্ভত ১৫ ফেব্ৰুৱাৰীত ধুবুৰী আয়ুক্ত কাৰ্যালয়ত জিলাৰ ইটা ভাটাৰমালিকসকলক লৈ এখন সভা অনুষ্ঠিত হয়। সভাত ইটা ভাটাসমূহৰ মাটিৰ শ্ৰেণী শীঘ্ৰে সলনি কৰাৰ নিৰ্দেশ দিয়ে। ইয়াৰ ঘোৰ বিৰোধিতা কৰি কেপিপিৰ জিলা সভাপতি নিখিল ৰায়ে যোৱা ১০ মাৰ্চত এখন আবেদন জনাইছিল। একে আবেদন পুনৰ কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি প্ৰদান কৰে। আবেদনত তেওঁ উল্লেখ কৰে যে ধুবুৰী জিলা ভূমিপুত্ৰৰ কৃষি প্ৰধান জিলা। ইয়াৰ কৃষি মাটিৰ শ্ৰেণী পৰিৱৰ্তন কৰি বাণিজ্যিক মাটি কৰি ইটা ভাটাসমূহ স্থাপন কৰাত ইন্ধন যোগালে খিলঞ্জীয়া ভূমিপুত্ৰসকল কৃষি ভূমিহীন হৈ পৰিব। সেয়ে শ্ৰেণী বিভাজনৰ নিৰ্দেশনা উঠাই দি খিলঞ্জীয়াৰ কৃষি ভূমি ৰক্ষণাবেক্ষণ দিয়াৰ বাবে নিখিল ৰায়ে মুখ্যমন্ত্ৰীক দাবী জনায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# মানৱ অধিকাৰ আয়োগত গোচৰ, দিলোৱাৰৰ গ্ৰেপ্তাৰত মানৱ অধিকাৰ উলংঘা

**ই-সংবাদ, ২৬ মাৰ্চঃ** জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে অসম মানৱ অধিকাৰ আযোগত এজাহাৰ দাখিল কৰিছে দুই মানৱ অধিকাৰ কৰ্মীয়ে। মানৱ অধিকাৰ কৰ্মী প্ৰণৱজ্যোতি চেতিয়া আৰু ঋত্বিক শইকীয়াই দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰি মানৱ অধিকাৰ উলংঘা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। মানৱ অধিকাৰ আয়োগত এজাহাৰ দাখিল কৰি শীঘ্ৰে তদন্ত কৰাৰ দাবী উত্থাপন কৰিছে। দুই মানৱ অধিকাৰ কৰ্মীয়ে মানৱ অধিকাৰ আয়োগৰ হস্তক্ষেপ আৰু তদন্ত বিচাৰি কয় যে সংবাদ মাধ্যম গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ আৰু সুস্থ গণতন্ত্ৰত সংবাদ মাধ্যমৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব থাকে। গতিকে প্ৰশ্ন কৰা, মতামত গ্ৰহণ কৰা সাংবাদিকৰ মৌলিক অধিকাৰৰ লগতে প্ৰাথমিক কৰ্তব্য। তেনে প্ৰেক্ষাপটত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰে প্ৰশ্ন কৰাটো কেনেকৈ অপৰাধ? গোচৰৰ কোনো বিতং তথ্য প্ৰদান নকৰাকৈ দিনৰ ১ বজাৰ পৰা মাজনিশা পৰ্যন্ত ভোকে-পিয়াহে সাংবাদিকগৰাকীক থানাত বহুৱাই থোৱা হ'ল। মাজনিশালৈ সাংবাদিকগৰাকীক তেওঁৰ আইনী অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ল। তেওঁৰ অধিবক্তাক সাক্ষাৎ কৰিবলৈ নিদি মাজনিশা পৰ্যন্ত থানাৰ বাহিৰতে ৰৈ থাকিবলৈ কোৱা হ'ল। কণমানি সন্তানক এৰি অহা সাংবাদিক দিলোৱাৰ হুছেইনৰ পত্নীক মাজনিশা পৰ্যন্ত সাক্ষাৎ কৰিবলৈ দিয়া নহ'ল। লগতে গোচৰ সন্দৰ্ভতো বিশেষ তথ্য প্ৰদান কৰা নহ'ল। এই বিষয়সমূহে নিশ্চয় মানৱ অধিকাৰ উলংঘন কৰিছে। সেয়েহে বিষয়টোত আয়োগে হস্তক্ষেপ কৰি তদন্ত কৰিব লাগে বুলি আৰ্জি দিয়ে দুই মানৱ অধিকাৰ কৰ্মীয়ে। এজাহাৰত মানৱ অধিকাৰ কৰ্মী দুজনে আৰু কয় যে এপেক্স বেংকৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াক প্ৰশ্ন কৰিছিল তথা মতামত জানিবলৈ চেষ্টা কৰিছিল। কৰ্তব্যৰত সাংবাদিকগৰাকীক কাৰ্যালয়লৈ ভিতৰলৈ মাতি পঠিয়ায়। কিন্তু তেওঁ সোধা প্ৰশ্নৰ উত্তৰ নিদি বাহিৰলৈ ওলাই যাবলৈ কয়। তাৰ কিছু সময় পাছতেই পাণবজাৰ আৰক্ষী থানাই ফোন কৰি তেওঁক মাতি পঠিয়ায়। আৰু দুপৰীয়া ১ বজাৰ পৰা নিশা ১২ বজা পৰ্যন্ত থানাত বহুৱাই ৰাখে। লগতে তেওঁৰ পৰিয়াল তথা অধিবক্তাকো সাক্ষাৎ কৰিবলৈ নিদিলে। এই ক্ষেত্ৰত মানৱ অধিকাৰ ভংগ কৰা হৈছে।

# বিজেপিত যোগদান কৰিব প্ৰাক্তন আলফাৰ প্ৰাঃ উপ সেনাধ্যক্ষ দৃষ্টি ৰাজখোৱাই

**গুৱাহাটী, ২৬ মাৰ্চঃ** ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিব প্ৰাক্তন আলফা নেতা দৃষ্টি ৰাজখোৱা ওৰফে মনোজ ৰাভাই। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পূৰ্বে আলফাৰ প্ৰাক্তন উপ-মুখ্য সেনাধ্যক্ষ দৃষ্টি ৰাজখোৱাৰ বিজেপিত যোগদানে তাৎপৰ্য বহন কৰিছে। ইফালে বিজেপিত যোগদানৰ কথা ঘোষণা কৰি দৃষ্টি ৰাজখোৱা ওৰফে মনোজ ৰাভাই কয় যে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ পৰামৰ্শমতে তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰিছে।প্ৰসংগক্ৰমে ১৯৮৯ চনত আলফা (স্বাঃ)ত যোগদান কৰা দৃষ্টি ৰাজখোৱা সংগঠনটোৰ সেনাপ্ৰধান পৰেশ বৰুৱাৰ অন্যতম ঘনিষ্ঠ সহযোগী আছিল। ২০১১ চনলৈকে আলফা (স্বাঃ)ৰ ১০৯ নং বেটেলিয়নৰ অধিনায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০২০ চনৰ নৱেম্বৰ মাহত সংগঠনটোৰ ডেপুটি চিফ অৱ আৰ্মী ষ্টাফৰ পদবীলৈ উন্নীত হয়। প্ৰায় তিনি দশক ধৰি সশস্ত্ৰ বিদ্ৰোহৰ অন্তত ২০২০ চনৰ নৱেম্বৰ মাহত ভাৰতীয় সেনাৰ ৰেড হৰ্ন ডিভিজনৰ ওচৰত চাৰিজন দেহৰক্ষীৰ সৈতে আত্মসমৰ্পণ কৰে। উত্তৰ-পূব ভাৰতত একাধিক আক্ৰমণত জড়িত হোৱাৰ উপৰি দৃষ্টি ৰাজখোৱা বিভিন্ন বিদ্ৰোহী গোটৰ অস্ত্ৰ যোগানকাৰী



হিচাপেও পৰিচিত আছিল। গাৰো বিদ্ৰোহীসকলৰ মাজতো তেওঁৰ যথেষ্ট প্ৰভাৱ আছিল, তেওঁ বাংলাদেশৰ এটা ঘাটিৰ পৰা দীৰ্ঘদিন ধৰি কাম কৰিছিল। আত্মসমৰ্পণ কৰাৰ পিছৰে পৰা তেওঁ খেতি আৰু সামাজিক পদক্ষেপৰ লগত জড়িত হৈ আছে। বিশেষকৈ তেওঁ নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপন সৃষ্টিৰ লক্ষ্যৰে কল, নেমু, মাছ, গাহৰি পালন আদি বিভিন্ন প্ৰকল্পত সহায় কৰি আছে।

# দিলোৱাৰ হুছেইন মজুমদাৰৰ মুক্তিৰ দাবীত বাক্সাত সাংবাদিকৰ প্ৰতিবাদ

**ই-সংবাদ, মুছলপুৰ, ২৬ মাৰ্চঃ** জ্যেষ্ঠ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক কালি মহানগৰীৰ পাণবজাৰত এপেক্স বেংকৰ এটা বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সময়তে আৰক্ষীয়ে অগণতান্ত্ৰিকভাৱে কৰা গ্ৰেপ্তাৰৰ প্ৰতিবাদ জনাই আজি মুছলপুৰত বাক্সা জিলা সাংবাদিক সন্থা আৰু মুছলপুৰ প্ৰেছ ক্লাবৰ সদস্যসকলে একত্ৰিত হৈ ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী সাংবাদিকসকলে জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ বিনাচৰ্তে মুকলিৰ দাবী কৰি আৰক্ষীৰ এই কাৰ্যক ধিক্কাৰ দিয়াৰ লগতে ভৱিষ্যতে যাতে কোনো সাংবাদিককে বিনা কাৰণত হাৰাশাস্তি কৰা নহয় তাৰ বাবে আৰক্ষী-প্ৰশাসনক সকীয়াই দিয়ে। আনহাতে, জিলাখনৰ শালবাৰী মহকুমা সাংবাদিক সন্থাইও আজি শালবাৰীত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰৰ তীব্ৰ বিৰোধিতা কৰি সাংবাদিক মজুমদাৰক শীঘ্ৰেই মুকলি কৰি দিয়াৰ দাবীত ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

# দৰঙৰ চৰাঞ্চলত উচ্ছেদিত পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

**ই-সংবাদ, খাৰুপেটীয়া, ২৬ মাৰ্চঃ** 'মানুহে মানুহৰ বাবে' কথাষাৰৰ উজ্জ্বল নিদৰ্শন দেখা গ'ল মুস্তাক আনফৰ নেতৃত্বাধীন দৰং জমিয়ত আৰু আনফৰ ফাউণ্ডেচনৰ যৌথ উদ্যোগত দুখীয়া দৰিদ্ৰ পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা কাৰ্যৰ জৰিয়তে। উল্লেখ্য যে আনফৰ নেতৃত্বাধীন দৰং জিলা জমিয়ত উলামাৰ উদ্যোগত আৰু দৰং সমাজ সংস্কাৰ আৰু দ্বিনী তালিম বৰ্ডৰ সহযোগত পৱিত্ৰ ৰমজান মাহৰ প্ৰথম ৰোজাৰ পৰা খাৰুপেটীয়া হাস্পতালত ৰোগীৰ আত্মীয়সকলৰ মাজত চেহেৰী আৰু ইফটাৰ সেৱা আগবঢ়াই থকাৰ মাজতেই দৰং জমিয়তৰ কৰ্মী বৃন্দই আজি দৰং জিলাৰ ধলপুৰৰ পৰা উচ্ছেদ কৰা তথা দৰং জিলাৰ দলগাঁও-খাৰুপেটীয়াৰ আৰিমাৰী, শ্যামপুৰ, চকতোলা, খেৰনি চাপৰি ,বদলি বৈৰালী আদি গাঁৱত গৰুখুঁটি ঢলপুৰৰ উচ্ছেদিত পৰিয়ালৰক চৰকাৰে পুনৰ সংস্থাপন কৰা ১১০০ পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। দৰং জিলা জমিয়তৰ সভাপতি মৌলানা আবু বক্কৰ চিদ্দিক, উপ-সভাপতি আলহাজ মুক্তাৰুল ইছলাম, মৌলানা আব্দুল বাতেন, মৌলানা নুৰুল আমিন, সাধাৰণ সম্পাদক ইমদাদুল ইছলাম, সম্পাদক মুফতি বাহাৰুল ইছলাম, সম্পাদক মাইনুদ্দিন আহমেদ, ইমদাদুল্লাহ প্ৰমুখ্যে ত্ৰিশ জনৰো অধিক জমিয়তৰ নেতা-কৰ্মীয়ে প্ৰখৰ ৰ'দকো নেওচি নিষ্ঠাৰে ঘৰে ঘৰে গৈ খাদ্য সামগ্ৰী বিতৰণ কৰে। পৱিত্ৰ ঈদৰ প্ৰকমুহূৰ্তত পুনৰ সংস্থাপিত পৰিয়ালসমূহক খাদ্য সামগ্ৰী বিতৰণ কৰাৰ বাবে আনফৰ ফাউণ্ডেচন আৰু জমিয়ত উলামা-ই-হিন্দৰ কৰ্ম-কৰ্তাসকলক ভূয়সী প্ৰশংসা কৰে অঞ্চলটোৰ ৰাইজে।

# দণ্ডাধীশ আদালতৰ কৰ্মচাৰী আতাউৰ ৰহমানৰ দেহাৱসান

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ মাৰ্চঃ** ডিব্ৰুগড়ৰ আমোলাপট্টিৰ শেৱালি পথ নিবাসী, ডিব্ৰুগড়ৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ কৰ্মচাৰী আতাউৰ ৰহমান(মেনু)ৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত আজি নিজ বাসভৱনত প্ৰায় ৬১ বছৰ বয়সত মৃত্যু হয়। শাৰিৰীক অসুস্থতাৰ বাবে ২০২০ চনত চাকৰিৰ পৰা স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰা ৰহমান দক্ষিণ আমোলাপট্টি নিবাসী প্ৰয়াত আৰিফুৰ ৰহমানৰ পুত্ৰ। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা অতি সহজ সৰল প্ৰয়াত ৰহমানে মৃত্যুৰ সময়ত পত্নী, এগৰাকী কন্যা আৰু এটি পুত্ৰ সন্তানৰ লগতে পৰিয়ালৰ বহুতো আত্মীয় আৰু বন্ধু-বান্ধৱক ইহ সংসাৰত এৰি থৈ যায়। আজি তেওঁৰ জানাজা অনেক গুণমুগ্ধৰ উপস্থিতিত আমোলাপট্টি কবৰস্থানত সম্পন্ন কৰা হয়।

# ৰুণডাঙাৰ জনবসতিপূৰ্ণ এলেকাৰ ইটা ভাটা বন্ধৰ দাবী আক্ৰাছুৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৬ মাৰ্চঃ** ধুবুৰীৰ গোলকগঞ্জ সমজিলাৰ অন্তৰ্গত বৰুণডাঙাৰ জনবসতিপূৰ্ণ এলেকাত নতুনকৈ অবৈধভাৱে স্থাপন কৰা ইটা ভাটা বন্ধৰ দাবী জনাইছে ধুবুৰী জিলা আক্ৰাছুৱে। শেহতীয়াকৈ বৰুণডাঙাৰ জনবসতিপূৰ্ণ এলেকাত নতুনকৈ ইটা ভাটা এটা স্থাপন হোৱাত ক্ষোভত ফাটি পৰিছে বিভিন্ন দল-সংগঠন। আক্ৰাছুৰ জিলা সভাপতি অমিত্য ৰায় আৰু সাধাৰণ সম্পাদক কৃষ্ণ কান্ত ৰায়ে এই সন্দৰ্ভত গোলকগঞ্জ সমজিলা আয়ুক্তক প্ৰদান কৰা স্মাৰক পত্ৰত উল্লেখ কৰা মতে, গোলকগঞ্জ সমজিলাত বিভাগীয় নীতি-নিয়ম উলংঘন কৰি হকে বিহকে গঢ়ি উঠিছে অবৈধ ইটা ভাটা। বৰুণডাঙাত নতুনকৈ স্থাপন হোৱা ভাটাটো অকল জনবসতিপূৰ্ণ এলেকাতে নহয় কাষতে আছে এখন চৰকাৰী বিদ্যালয়। অভিযোগ মতে, প্ৰদূষণ বিভাগৰ প্ৰমাণ পত্ৰ বিহীনভাৱে চলিছে ভাটাটো। ভাটাৰ পৰা ওলোৱা ক'লা ধোৱাই আৱৰি ধৰিছে সমগ্ৰ অঞ্চল। ইয়াৰ ফলত অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্যৰ প্ৰতিও ভাবুকিৰ সৃষ্টি হৈছে। তদুপৰি ইটা ভাটাত মাটি কঢ়িওৱা ডাম্পাৰ ট্ৰেক্টৰৰ দৌৰাত্ম্যত সাধাৰণ ৰাইজ তথা ছাত্ৰ-ছাত্ৰী চলাচলত চৰম সমস্যাৰ সন্মুখীন হৈছে। আনহাতে, স্মাৰকপত্ৰ ধুবুৰী জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু ৰাষ্ট্ৰীয় বিশ্ব হিন্দু পৰিষদৰ ধুবুৰী সমিতিৰ তৰফৰ পৰাও পৃথক পৃথকে সমজিলা আয়ুক্তক প্ৰদান কৰা হয়।



উপাধ্যক্ষ ডাঃ নোমল মমিনক আক্ৰমণৰ ঘটনা, কলিয়াবৰ জিলা বিজেপি আৰু জনজাতি মৰ্চাৰ উত্তাল প্ৰতিবাদ

# মৰিগাঁও জিলা আমছুৰ মহানুভৱতা, অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত পৰিয়ালক সাহায্য প্ৰদান

**ই-সংবাদ, লাহৰীঘাট, ২৬ মাৰ্চঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আজি লাহৰীঘাটৰ ১৩ টাকৈ পৰিয়ালক সাহায্য বিতৰণ কৰে। উল্লেখ্য যে, লাহৰীঘাটৰ তিনিচুকীয়াত যোৱা দেওবাৰে এক ভয়াৱহ অগ্নিকাণ্ডত ১৩ টা দৰিদ্ৰ পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হৈছিল। পৰিয়াল কেইটা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত সৰ্বস্বান্ত হৈ তিনিচুকীয়া জামে মছজিদৰ কাষতে দীৰ্ঘদিন ধৰি বসবাস কৰি আহিছিল। অগ্নিকাণ্ডটোত নিমিষতে সৰ্বস্বান্ত হৈ পৰিছিল ইজ্জত আলী, স্বমৰ্ত ভানু, নুৰ উদ্দিন আহমেদ, ৰফিক উদ্দিন, ইন্তাজ আলী, ছামছুল হক, কোৰবান আলী, ফৈজুদ্দিন, মোহাম্মদ আলী, নুৰুন নেহাৰ,আব্দুল খালেকৰ লগতে আন দুটা পৰিয়াল। অগ্নিকাণ্ডটোত ক্ষতিগ্ৰস্ত এইকেইটা পৰিয়ালক আজি আমছুৰ লাহৰীঘাট আৰু বগলিপৰা আঞ্চলিক সমিতিৰ সহযোগত মৰিগাঁও জিলা আমছুৱে সহায়ৰ হাত আগবঢ়ায়। অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত পৰিয়াল কেইটাক বাচন-বৰ্তন, খাদ্য সামগ্ৰী, কাপোৰৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক কিতাপ, বহী আগবঢ়ায় আমছুৱে। আমছুৰ সঁজাতিৰ দলটোত উপস্থিত থাকে আমছুৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক ছাদ্দাম হুছেইন, মৰিগাঁও জিলা সমিতিৰ সভাপতি এডভোকেট হাৰুন অল ৰশ্বিদ, সহঃ সম্পাদক এডভোকেট ইজাজুৰ ৰহমান, আনাৰুল ইছলাম, শিক্ষা সম্পাদক নিজাম উদ্দিনৰ লগতে লাহৰীঘাট আঞ্চলিক সমিতি আৰু বগলিপৰা আঞ্চলিক সমিতিৰ উপদেষ্টা, সভাপতি, সম্পাদকৰ লগতে আন আন বিষয়ববীয়াসকল। আমছুৰ এনে পদক্ষেপক স্থানীয় সচেতন ৰাইজে প্ৰশংসা কৰে।

# চাবুৱাৰ তিয়হঁজলীয়াত অগ্নিকাণ্ড, ভয়ংকৰ দুৰ্যোগৰ পৰা ৰক্ষা পৰিল অঞ্চল

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৬ মাৰ্চঃ** চাবুৱাৰ হাতীআলি সেনা চাউনী সমীপত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত চাঞ্চল্যৰ সৃষ্টি হয়। হাতীআলি সেনা চাউনীৰ সমীপৰ তিয়হঁজলীয়া গাঁৱত সংঘটিত অগ্নিকাণ্ডত কথমপি ৰক্ষা পৰে গাঁওখন। তিয়হঁজলীয়া গাঁৱৰ মুকুল গগৈৰ বাঁহনিত সংঘটিত হয় অগ্নিকাণ্ড। শুকান বাহঁনিত অগ্নিকাণ্ড সংঘটিত হোৱাত তাৎক্ষণিকভাৱে অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। সময় মতে অগ্নিনিৰ্বাপক বাহিনী আহি নোপোৱা হ'লে বৃহৎ অঞ্চলটো ভয়ংকৰ দুৰ্যোগৰ সন্মুখন হৈ ক্ষতি হোৱাৰ লগতে সেনাবাহিনীৰ চাউনীলৈ ভাবুকিৰ সৃষ্টি কৰিলহেঁতেন। জানিব পৰা মতে, মুকুল গগৈয়ে পিতৃৰ সমাধি পৰিস্কাৰ কৰি বাঁহপাত জ্বলাই থকাৰ সময়তে অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। কম সময়ৰ ভিতৰতে ৪০-৫০ ফুট ওপৰলৈ বাঁহনি বাৰিৰ জুই জ্বলি উঠে। এই ঘটনাত কোনো মানুহৰ ঘৰ-দুৱাৰৰ ক্ষয়-ক্ষতি হোৱা নাই। ঘটনাস্থলীত চাবুৱা আৰক্ষীৰ লগতে অগ্নিনিৰ্বাপক বাহিনী তাৎক্ষণিকভাৱে উপস্থিত হৈ জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়।

# পুত্ৰৰ টেবলেট আনিবলৈ গৈ প্ৰাণ গ'ল মঙলদৈৰ ৭০ বছৰীয়া বৃদ্ধৰ

**ই-সংবাদ, দুনী, ২৬ মাৰ্চঃ** উত্তৰ প্ৰদেশৰ বাৰানসীত অধ্যয়নৰত পুত্ৰই লাভ কৰা টেবলেট পিচি আনিবলৈ গৈ মঙলদৈৰ এগৰাকী ৭০ বছৰীয়া লোকে প্ৰাণ হেৰুওৱাৰ দৰে কৰুণ ঘটনা সংঘটিত হৈছে। পৰিয়ালে প্ৰকাশ কৰা অনুসৰি, ধৌৱাপাৰাৰ লাহন ডেকাৰ কনিষ্ঠ পুত্ৰই বাৰানসীৰ ড০ শকুন্তলা মিশ্ৰ পুনঃ সংস্থাপন কেন্দ্ৰৰ পৰা স্নাতক শ্ৰেণীত অধ্যয়ন কৰিছিল। লাহন ডেকাৰ জন্মান্ধ পুত্ৰ হৰমোহন ডেকাই পোনতে বিহপুৰীয়াৰ বিশেষ বিদ্যালয়ৰ পৰা লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল আৰু হৰমোহনে শাৰীৰিক প্ৰতিবন্ধতা নেওচি উচ্চ শিক্ষাৰ বাবে বানাৰসৰ উক্ত কেন্দ্ৰত ভৰ্তি হয়। সময়ত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈ স্নাতক শাখাত নামভৰ্তি কৰি অধ্যয়ন কৰে। শেহতীয়াভাৱে ২ মাহ পূৰ্বে হৰমোহন নিজগৃহলৈ আহিছিল যদিও পহিলা মাৰ্চত পিতৃ লাহন ডেকাক লৈ উত্তৰ প্ৰদেশলৈ যাত্ৰা কৰে। পুত্ৰৰ অসুবিধাৰ বাবেই অন্ধপুত্ৰক সংগ দি উত্তৰ প্ৰদেশ চৰকাৰৰ পৰা পাবলৈ সক্ষম হোৱা টেবলেট পিচি আনিবলৈ যাত্ৰা কৰে। পিতা-পুত্ৰই, ৪ মাৰ্চত টেবলেট পিচি লৈ পুনৰ বানাৰসলৈ ঘূৰি যায়। বানাৰসলৈ গৈয়েই হৰমোহনে ৰাজস্থান যোৱাৰ সিদ্ধান্ত লৈ পিতৃক ৰে'ল আস্থানলৈ আহি দুয়োৱে ৰে'লৰ বাবে অপেক্ষা কৰে। কিন্তু, দুৰ্ভাগ্যৰ বিষয় যে, অসমীয়াক বাদে অন্য ভাষা নজনা লাহন ডেকা লক্ষ্ণৌ ৰে'ল আস্থানতে হেৰাই যায় আৰু পুত্ৰৰে সংযোগ বিচ্ছিন্ন হয়। লগে-লগে পুত্ৰই ৰে'ল আৰক্ষীৰে যোগাযোগ কৰি পিতৃ লাহনক বিচৰাৰ চেষ্টা চলায় যদিও উদ্ধাৰ নহ'ল। বিষয়টো হৰমোহনে পৰিয়ালক অৱগত কৰাৰ পাছত মঙলদৈ থানাই বিষয়টো লক্ষ্ণৌৰ ডিচিপিক অৱগত কৰে। কিন্তু ১৫ মাৰ্চ পৰ্যন্ত পিতৃৰ কোনো শুং-সূত্ৰ উদ্ধাৰ নোহোৱাত ঘৰলৈ উভতি আহি হৰমোহনে স্থানীয় বিধায়কৰ ঘনিষ্ঠ যুৱনেতা বিপুল ডেকা আৰু জ্যোতি প্ৰসাদ ডেকাৰে যোগাযোগ কৰি মঙলদৈৰ বিধায়কক সাক্ষাৎ কৰি সবিস্তাৰে অৱগত কৰে। বিধায়কৰ তৎপৰতাত বিষয়টো ৰে'লৱে আৰক্ষীৰ ওপৰ মহল পায় আৰু সষ্টম হৈ পৰে ভাৰতীয় ৰে'লৱে। বিগত সপ্তাহজুৰি ৰে'ল বিভাগে সকলো আস্থানলৈ লাহনৰ আলোকচিত্ৰ প্ৰেৰণ কৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে ২২ মাৰ্চত বিধায়ক তথা পৰিয়ালে লাহনৰ মৃত্যুৰ বাতৰিহে লাভ কৰে। মধ্য প্ৰদেশৰ জব্বলপুৰ ৰে'লৱে আস্থানৰ সমীপৰ পিপেৰীয়াত লাহনৰ মৃতদেহ উদ্ধাৰ হয়। লাহনৰ সৈতে থকা আধাৰকাৰ্ড, ভোটাৰ আই ডি আদিৰ যোগেদি চিনাক্ত কৰে। কিন্তু জব্বলপুৰলৈ গৈ শেষকৃত্য সম্পাদনৰ বাবে প্ৰয়োজনীয় ধনৰ অভাৱত পৰা পৰিয়ালটোৰ কাষত থিয় দিয়ে মঙলদৈৰ বিধায়ক বসন্ত দাস। বিধায়ক দাসে সকলো ব্যয় বহন কৰাৰ পাছত পিপেৰীয়া ৰাজহুৱা শ্মশানত লাহন ডেকাৰ শেষকৃত্য সম্পাদন কৰে।

# ৰাণীত ৰাইজে গৰু চোৰক উত্তম-মধ্যম দি গতালে আৰক্ষীক

**ই-সংবাদ, মিৰ্জা, ২৬ মাৰ্চঃ** দক্ষিণ কামৰূপৰ ৰাভা হাছঙৰ অন্তৰ্গত বৰদুৱাৰ বাগান অঞ্চলৰ উমচুৰ, গাড়ীলিক আৰু মহানগৰীৰ ৰাণী আদি ঠাইৰে মেঘালয় হৈ বাংলাদেশলৈ গৰুৰ ছিণ্ডিকেট চলি থকাৰ সমান্তৰালভাৱে বৰ্তমান সমগ্ৰ দক্ষিণ কামৰূপৰ ছয়গাঁও, পলাশবাৰী, ৰাণী, জজী, কাহাৰপাৰা, মাজকুছি আদি বিভিন্ন ঠাইত দিনত পথাৰ আৰু নিশাৰ ভাগত গৃহস্থৰ ঘৰৰ পৰা গৰু চুৰি হৈ আহিছে। এনে সময়তে ৰাইজে কালি পুৱতি নিশা কাহাৰপাৰাত তিনিজন গভাইত গৰুচোৰক আটক কৰে। এই গৰুচোৰকেইটা জোনাল মিঞা, নয়ন আলী আৰু জয়দুৰ আলী বুলি জানিব পৰা গৈছে। এই তিনি গৰু চোৰক ৰাইজে উত্তম-মধ্যম দিয়ে। লগতে গৰু চুৰি কৰিবলৈ তেওঁলোকে লৈ অহা বাহনখনৰ ক্ষতিসাধন কৰে। আনহাতে, আৰু দুজন গৰুচোৰ ঘটনাস্থলীৰ পৰা পলাই যাবলৈ সক্ষম হয়। পিছত ৰাইজে এই তিনি গৰু চোৰক ৰাণী আৰক্ষীক গতাই দিয়াৰ লগতে জব্দ কৰা বাহনখনো আৰক্ষীক চমজাই দিয়ে। আনহাতে, যোৱা নিশা পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত মাজকুছিতো কেইবাটাও গৰু চুৰি কৰি নিয়ে দুৰ্বৃত্তই। কিন্তু কাণসাৰ নাই আৰক্ষী প্ৰশাসনৰ। গুৰুত্বপূৰ্ণ যে, এই অঞ্চলবোৰৰ লগতে দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে। ইতিমধ্যে দক্ষিণ কামৰূপ বিভিন্ন প্ৰান্তৰ লগতে ৰাণী অঞ্চলটোৰ ৩০ টা কৃষক পৰিয়ালৰ পৰা এটা দুষ্টচক্ৰই গৰু চোৰ কৰাৰ কথা পোহৰলৈ আহিছে। এই গৰু চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাত কৃষক পৰিয়ালবোৰ বিপাঙত পৰি নিশাৰ ভাগত যুৱকসকলে পহৰা দিয়া আৰম্ভ কৰিছে। ৰাইজৰ এই তৎপৰতাত এই চোৰকেইটাক আটক কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বেও এই অঞ্চলত এটা গৰু চোৰক আটক কৰে যদিও এই চোৰজন বোবা হোৱা বাবে ৰাইজে সবিশেষ তথ্য লাভ নকৰিলে। উল্লেখ্য যে, এই অঞ্চলবোৰত ধাৰাবাহিকভাৱে গৰু চুৰি হৈ আহিছে। ইয়াৰ ভিতৰত গুইমাৰীৰ ৰমেশ নাথ, হলিৰাম দাসৰ এজনী, মহেশ দাসৰ দুজনী, পূৰ্বৰী দাসৰ এজনী গাই, নাৰগাঁৱৰ সৰু এজনী গাই, গণপতিৰ সকীয় মাৰাকৰ এহাল বলধ, কাহাৰপাৰাৰ খনিল দাসৰ এজনী গাই গৰু চোৰে লৈ যায়। লগতে ৰাজাপানীচান্দা, বাকাৰাপাৰাৰ পাঁচ ঘৰৰ পৰা গৰু লৈ যায়। উল্লেখ্য যে গণপতিত ঘৰজোঁৱাই হৈ বাহৰ পাতি থকা বাদেং নামৰ সৰু জিৰাঙৰ খাচি যুৱক এজনে দীৰ্ঘদিন ধৰি গৰু ব্যৱসায় কৰি আছিল। গণপতি গাঁৱৰ ৰাইজে সোধা-পোছা কৰাত বাদেং বোলাজনে উক্ত গাঁৱৰে আৰু চাৰিজনৰ যুৱক এই গৰু চুৰি কাৰ্যত জড়িত বুলি স্বীকাৰ কৰে। অৱশ্যে ৰাণী আৰু পলাশবাৰী আৰক্ষীয়ে এই গৰু চুৰিৰ সন্দৰ্ভত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। যাৰ বাবে গৃহস্থ তথা কৃষক ৰাইজ বিপাঙত পৰিছে। এই গৰুৰ ছিণ্ডিকেট আৰু গৰু চুৰি কাৰ্য বন্ধ কৰাৰ বাবে আৰক্ষীক দাবী উত্থাপন কৰিছে সদৌ অসম কৃষক শ্ৰমিক সংঘৰ সম্পাদক দীনেশ দাসে। অন্যথা গৰু চোৰ তথা এই গৰুৰ ছিণ্ডিকেট উৎখাত কৰাৰ দাবীত গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়াই দিয়ে।

# নলবাৰীত 'আনটাইড ফান্দ'ৰ আঁচনিত লক্ষ লক্ষ টকাৰ শৰাধ, তদন্তৰ দাবী ৰাইজৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৬ মাৰ্চঃ** গাঁও পঞ্চায়ত ভংগৰ সুযোগ লৈ নলবাৰীত একাংশ বি ডি অ' আৰু পঞ্চায়ত সচিবে ৰাজত্ব চলোৱাৰ অভিযোগ উঠিছে। লক্ষণীয়ভাৱে ৰাজ্যৰ পঞ্চায়তৰ কাৰ্যকাল উকলি যোৱাৰ পিছত পঞ্চায়ত পৰ্যায়ৰ বিভিন্ন আঁচনিৰ নামত জমা থকা লক্ষ লক্ষ টকা যিকোনো প্ৰকাৰে উলিয়াই নিয়াৰ বাবে নলবাৰীত এচাম খণ্ড উন্নয়ন বিষয়া, পঞ্চায়ত সচিব আৰু আঁচনিৰ দায়িত্বত থকা অভিযন্তা উঠি পৰি লগাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি জিলাখনৰ মুঠ ৬৫ খন গাঁও পঞ্চায়তৰ গৰিষ্ঠ সংখ্যক গাঁও পঞ্চায়তত শেহতীয়াভাৱে পঞ্চদশ বিত্তীয় আয়োগৰ দ্বিতীয় কিস্তিৰ ধনৰ আঁচনি আৰু 'আনটাইড ফাণ্ড'ৰ ধনৰ আঁচনিত ব্যাপক অনিয়ম -দুৰ্নীতি সংঘটিত হৈছে। প্ৰাপ্ত তথ্য মতে ২০২৩-২৪ বৰ্ষৰ আইটাইড ফাণ্ডৰ দ্বিতীয় কিস্তিৰ ধনেৰে বিভিন্ন গাঁও পঞ্চায়ত এলেকাৰ ভিতৰুৱা কেঁচা পথত চেইণ্ড গ্ৰেভেল আঁচনি আবণ্টন দেখুওৱা চৰকাৰী লক্ষ লক্ষ টকা শৰাধ কৰা হৈছে। অভিযোগ অনুসৰি নলবাৰী জিলাৰ বিশেষকৈ নলবাৰী আৰু ধৰ্মপুৰ (নতুন সমষ্টি টিহু) সমষ্টিৰ বহু কেইখন গাঁও পঞ্চায়তত সম্প্ৰতি আনটাইড আঁচনি, পঞ্চদশ বিত্তীয় আয়োগৰ ধনৰ আঁচনি ৰূপায়ণত অনিয়ম হোৱাৰ পিছতো স্থানীয় বিধায়কে বিশেষ নজৰ নিদিয়া বুলি সচেতন নাগৰিকৰ মাজত চৰ্চা হৈছে। ইয়াক লৈ পঞ্চায়তে পঞ্চায়তে প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। শেহতীয়া অভিযোগঅনুসৰি জিলাখনৰ পূব নলবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত একাংশ গাঁও পঞ্চায়ত এলেকাত আনটাইড ফাণ্ড আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধনেৰে ধাৰ্য কৰা আঁচনিত খেলিমেলিৰ সৃষ্টি হয়। তথ্য মতে বিভিন্ন মন্দিৰ, নামঘৰ তথা ৰাজহুৱা স্থানত পঞ্চদশ বিত্তীয় আয়োগ আবণ্টিন ধনেৰে জাৱৰ ব্যৱস্থাপনাৰে 'ডাষ্টবিন' নিৰ্মাণ আঁচনি ৰূপায়ণ কৰা হয় যদিও নিৰ্মাণ কাৰ্যত বহু অনিয়ম সংঘটিত হয়। জানিব পৰা মতে, পঞ্চদশ বিত্তীয় আয়োগৰ ২০২২-২৩ বৰ্ষৰ (১ম কিস্তি) প্ৰতিটো মিনি এম চি এফ(Mini M C F) ডাষ্টবিন নিৰ্মাণৰ নামত ৩২,৫০০ টকা আৰু ডাঙৰটোত লক্ষাধিক টকা ধাৰ্য কৰা হয়। কিন্তু এই ডাষ্টবিন অতি পালমৰা ধৰণে নিৰ্মাণ কৰাক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। অকল এখন দুখন পঞ্চায়ত এলেকাত নহয়, বহু পঞ্চায়ত এলেকাত নিৰ্মাণ কৰা এনে ডাষ্টবিন এতিয়া বিড়ম্বনা হৈ পৰিছে। অতি নিম্নমানৰ হোৱা এনে ডাষ্টবিন এতিয়ালৈকে পঞ্চায়তসমূহত ব্যৱহাৰ নোহোৱাকৈ পৰি আছে। ৰাইজে উক্ত আঁচনিসমূহৰ তদন্তৰ বাবে জিলা আয়ুক্তৰ হস্তক্ষেপ বিচাৰিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# বঙাইগাঁও জিলাত পঞ্চায়ত নিৰ্বাচনৰ তৎপৰতা আৰম্ভ

**ই-সংবাদ, অভয়াপুৰী, ২৬ মাৰ্চঃ** চলিত বৰ্ষত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনক লৈ বঙাইগাঁও জিলাত তৎপৰতা আৰম্ভ হৈছে। জিলাখনৰ বিভিন্ন জিলা পৰিষদ সমষ্টি, পঞ্চায়তৰ খণ্ডসমূহত প্ৰতিদ্বন্দ্বিতা কৰিব খোজা প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলে ভোটাৰসকলৰ মাজত বিভিন্ন কৌশলেৰে সোমাই পৰা পৰিলক্ষিত হৈছে। আনকি প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলে প্ৰাৰ্থিত্ব তথা নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ যোগাৰ কৰিবলৈ লোৱাত পঞ্চায়ত নিৰ্বাচনৰ বতাহ বলিবলৈ লৈছে। জিলাখনৰ টাপাট্টাৰী জিলা পৰিষদ সমষ্টিত নিৰ্বাচনত কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বাবে চাৰিগৰাকী প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে প্ৰাৰ্থিত্ব বিচাৰি জিলা কংগ্ৰেছৰ সভাপতি আবুল কাশেমক আবেদন জনাইছে। কালি প্ৰাৰ্থিত্বৰ বাবে আবেদন জনোৱাসকলৰ ভিতৰত আছে অভয়াপুৰী কলেজৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা প্ৰবীণ কংগ্ৰেছী নেতা ড০ আক্ৰাম আলী ভুট্টো, টাপাট্টাৰী আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি ছিৰাজুল হক প্ৰামাণিক, টাপাট্টাৰী ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি কেৰামত আলি আৰু ডুমুৰীয়া-মেৰেৰচৰ সমবায় সমিতিৰ প্ৰাক্তন সভাপতি তাহাজউদ্দিন আহমেদ। প্ৰাৰ্থিত্বৰ বাবে আবেদন কৰাৰ পাছত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ দিনতে কংগ্ৰেছ দলত যোগদান কৰা ড০ আক্ৰাম আলী ভুট্টোৱে কালি শতাধিক সমৰ্থনক লগত লৈ প্ৰাৰ্থিত্বৰ বাবে আবেদন জনোৱাৰ পাছত সমষ্টিটোৰ ভোটাৰ ৰাইজৰ কাষ চপা পৰিলক্ষিত হৈছে। ইপিনে, বিজেপি, অগপ তথা অন্যান্য ৰাজনৈতিক দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাবে কুচ-কাৱাজ চলোৱা বুলি জানিব পৰা গৈছে।

# সাংবাদিকক গ্ৰেপ্তাৰ, চেলেংহাট প্ৰেছ ক্লাৱৰ প্ৰতিবাদ

**ই-সংবাদ, মৰিয়নি, ২৬ মাৰ্চঃ** অসমৰ ৰাজহুৱা খণ্ডৰ এপেক্স বেংকত শেহতীয়াকৈ সংঘটিত হোৱা কোটি কোটি টকীয়া কেলেংকাৰীৰ বাতৰি পৰিৱেশনৰ তথ্য বিচাৰি বেংক কৰ্তৃপক্ষক প্ৰশ্ন কৰি গ্ৰেপ্তাৰ হ'ল জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰ। জ্যেষ্ঠ সাংবাদিকজনক দাগী অপৰাধীৰ দৰে দীৰ্ঘ সময় ধৰি পাণবজাৰ আৰক্ষী থানাত আৱদ্ধ কৰি ৰখাৰ অন্তত সাংবাদিক মজুমদাৰক ষড়যন্ত্ৰমূলকভাৱে মাজনিশা গ্ৰেপ্তাৰ কৰে। এই ঘটনা বৰ্তমান সময়ত গণতন্ত্ৰৰ বাবে ভাবুকি বুলি উল্লেখ কৰে চেলেংহাট প্ৰেছ ক্লাৱে। এই ঘটনাক চেলেংহাট প্ৰেছ ক্লাৱে তীব্ৰ গৰিহণা দিয়াৰ লগতে সাংবাদিকজনক শীঘ্ৰে মুকলি কৰিব দিবলৈ দাবী উত্থাপন কৰে।

## হাগ্ৰামা মহিলাৰী-হীৰা শৰণীয়াৰ বিৰুদ্ধে সৰৱ

# মুছলপুৰত ইউপিপিএলৰ মুখপাত্ৰ ৰাকেশ ব্ৰহ্মৰ সংবাদমেল

**ই-সংবাদ, মুছলপুৰ, ২৬ মাৰ্চঃ** অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত বিটিচি পৰিষদীয় নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি কৰা ঘোষণাৰ পিছতে ক্ৰমাৎ সলনি হৈছে বিটিচিৰ ৰাজনৈতিক প্ৰেক্ষাপট। অলপতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তথা ৰাজনৈতিক দল জিএছপিৰ মুৰব্বী নৱ কুমাৰ শৰণীয়া ওৰফে হীৰা শৰণীয়াই বিপিএফৰ সৈতে মিত্ৰতা হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু আজিকোপতি বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ পৰা অহা নাই সিদ্ধান্ত চূড়ান্ত হোৱাৰ ইংগিত। তেনে সময়তে আজি বাক্সাৰ মুছলপুৰত এক সংবাদমেল সম্বোধন কৰি ইউপিপিএল দলৰ মুখপাত্ৰ তথা বিটিচিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই কয় যে, হীৰা শৰণীয়া মোৰ বাবে ব্যক্তিগতভাৱে দাদা স্বৰূপ, তেওঁৰ মই বেয়া চিন্তা নকৰো। হীৰা শৰণীয়াই বিপিএফৰ বিৰুদ্ধে থাকি দুবাৰকৈ সাংসদ হৈছিল। গতিকে হীৰা শৰণীয়াই আগৰ স্থিতিত থাকিব লাগে। বিপিএফৰ বিৰুদ্ধে থাকিলে হীৰা শৰণীয়াৰ জিএছপি দল জীয়াই থাকিব। নহ'লে বিপিএফে জিএছপি ধ্বংস কৰাটো নিশ্চিত। এতিয়াও বিপিএফে জিএছপিৰ সদস্য নিজৰ দলত যোগদান কৰোৱাই আছে। সংবাদমেলত মুখপাত্ৰগৰাকীয়ে হাগ্ৰামা মহিলাৰী আৰু বিপিএফ দলক কঠোৰভাৱে সমালোচনা কৰে। তেওঁ কয় যে হাগ্ৰামা মহিলাৰীয়ে নিজৰ কথাৰে সমাজক বিপথে পৰিচালিত কৰিব বিচাৰিছে আৰু অবাস্তৱ পৰিৱেশ গঢ়িব বিচাৰিছে। সোতৰ বছৰ শাসন কৰি হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফে আমাৰ মূৰত তিনি হাজাৰ কোটি টকাৰ বোজা জাপি দিছে। বৰ্তমানেও ঠিকাদাৰসকলক ধমকি প্ৰদান কৰি আহিছে হাগ্ৰামা মহিলাৰীয়ে। সংবাদমেলতে ৰাকেশ ব্ৰহ্মই ভ্ৰষ্টাচাৰী, কমেডিয়ান, চাইকো ইত্যাদি আখ্যা দি অতি সোনকালে চিকিৎসকৰ সহায় লৈ জিৰণি ল'বলৈ হাগ্ৰামা মহিলাৰীক আহ্বান জনায়। ইফালে, মহিলাৰীয়ে সম্পত্তিৰ পাহাৰ গঢ়িছে বুলিও কয় ইউপিপিএল দলৰ মুখপাত্ৰগৰাকীয়ে। তেওঁ কয় যে হাগ্ৰামা মহিলাৰীয়ে কেৱল কমিচনৰাজ চলাইছিল। তেওঁ হস্পিটেল দিছে কিন্তু তাত ডাক্তৰ নাই। প্ৰমোদ বড়োৰ নেতৃত্বতহে বিটিআৰত উন্নয়ন হৈছে। বিগত সময়ত হাগ্ৰামা মহিলাৰীয়ে ই এম-জি এমসকলক ৰূমত বন্দী কৰি কোবাইছিল। ছেক্ৰেটেৰীসকলকো বন্দুক দেখুৱাই ভয় খুৱাইছিল আৰু টকা আত্মসাৎ কৰিছিল। আমি কিন্তু সময়ৰ কাম সময়ত কৰি আছো আৰু আঠঅনা টকাও আমি পকেটত ৰখা নাই। তেওঁ পুনৰ কয় যে হাগ্ৰামা মহিলাৰীয়ে কেৱল ইউপিপিএলৰ চৰকাৰ ভাঙিব বুলি কৈ ফুৰে। কিন্তু পাঁচ বছৰ সম্পূৰ্ণ হ'বৰ হ'ল পিছে চৰকাৰ নাভাঙিল। ইফালে, বড়ো-অবড়ো সৃষ্টি কৰি ৰাজনীতি কৰাৰ আঁৰৰ মানুহ দুজন যে হাগ্ৰামা মহিলাৰী আৰু হীৰা শৰণীয়া সেয়া ৰাইজে বুজিবলৈ বাকী নাই বুলিও ব্ৰহ্মই মন্তব্য কৰে। কিন্তু হীৰা শৰণীয়াই সম্প্ৰতি নিলাজৰ দৰে হাগ্ৰামা মহিলাৰীৰ হাতত ধৰি গাদীৰ লোভত দৌৰিছে যদিও সেয়া অনৰ্থক বুলি সজোৰে উল্লেখ কৰে ইউপিপিএলৰ মুখপাত্ৰ ৰাকেশ ব্ৰহ্মই।

# প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত ধন সংগ্ৰহ একাংশ জীৱিকাসখীৰ

**ই-সংবাদ, মোৰাঝাৰ, ২৬ মাৰ্চঃ** চৰকাৰী প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ নামত একাংশ দালাল প্ৰকৃতি লোকৰ সহযোগত জীৱিকা সখীয়ে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিৰ জীৱিকা সখী ইমৰানা বেগমে চামৰালি পঞ্চায়তৰ বিভিন্ন ৱাৰ্ডত চৰকাৰী আৱাসৰ নামত জিঅ' টেগিঙৰ নামত ১০০/২০০ টকাকৈ সংগ্ৰহ কৰাৰ ৰাজহুৱা অভিযোগ উঠিছে। দৰিদ্ৰক বঞ্চিত কৰি টকাৰ বিনিময়ত তেওঁ জিঅ' টেগিং কৰাত ভুক্তভোগীয়ে তীব্ৰ অসন্তুষ্টি আৰু প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। যিসময়ত চৰকাৰে সম্পূৰ্ণ বিনামূলীয়াকৈ আৱাস দৰিদ্ৰ লোকক দি আহিছে তেনে সময়ত ধন সংগ্ৰহটো কিমান সমিচীন? একাংশ দৰিদ্ৰ লোকক বঞ্চিত কৰি ধনী লোকক পজাঁঘৰৰ সন্মুখত থিয় কৰাই জিঅ' টেগ কৰি আহিছে। অঞ্চলটোৰ একাংশ নামদাৰী দালালৰ কথা মতে উঠা-বহা কৰা ইমৰানাই শাসক পক্ষৰ সদস্যৰ হতুৱাই ধন সংগ্ৰহ কৰি আহিছে। ধন নিদিলে ভয় ভাবুকি দেখুৱাই হাৰাশাস্তি কৰি আহিছে। উল্লেখ্য যে চামৰালি পঞ্চায়তৰ লগতে সমষ্টিটোৰ যমুনা গাঁও পঞ্চায়ত, কৰৈয়নি গাঁও পঞ্চায়ত, চাংমাজি গাঁও পঞ্চায়তো একেধৰণৰ ধন সংগ্ৰহৰ অভিযোগ উঠিছে। পঞ্চায়তে পঞ্চায়তে এনেদৰে ব্যাপক অনিয়ম সংঘটিত হৈছে। এইবোৰৰ বিৰুদ্ধে বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়াক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন ৰাইজে।

# আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন সাংবাদিক, কণ্ঠশিল্পী দিলীপ নাথ

**ই-সংবাদ, গুৱাহাটী, ২৬ মাৰ্চঃ** যোৱা প্ৰায় ৪ মাহ ধৰি অৰ্শ ৰোগত ভুগি থকা ৰাজ্যখনৰ অগ্ৰণী কণ্ঠশিল্পী, সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ কামৰূপ জিলা সমিতিৰ সভাপতি দিলীপ নাথ জালুকবাৰীত অবস্থিত আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়ত বৰ্তমান
চিকিৎসাধীন হৈ আছে। অপাৰেচন হলৰ ২০১ নম্বৰ কোঠাত তেওঁ বৰ্তমান আছে। শিল্পী তথা সাংবাদিক দিলীপ নাথৰ আশু-আৰোগ্য কাম না কৰিছে বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মা, অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী, সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, পৰাগজ্যোতি প্ৰকাশন, স্বেচ্ছাসেৱী সংগঠন 'ৰং' আদি দল-সংগঠনে।

# খামছা বিলত বেদখল গভীৰ নিদ্ৰাত প্ৰশাসন

**ই-সংবাদ, দুনী, ২৬ মাৰ্চঃ** অস্তিত্বৰ সংকটত ভুগিছে পশ্চিম দৰঙৰ ঐতিহাসিক বিল খামছা। পাথৰিঘাট ৰাজহ চক্ৰৰ ভেৰুৱাদলস্থ এসময়ত প্ৰায় ৪০ বিঘা মাটিকালিৰে আগুৰি থকা বিলখন এতিয়া সংকুচিত হৈ অস্তিত্বৰ সংকটত পৰিছে। কিছুসংখ্যক লোকে পৈতৃক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিবলৈ লৈছে বিলখন। বেদখলৰ কবলত এতিয়া ঐতিহাসিক বিলখন। চৌপাশে আৱৰি ধৰিছে বেদখলকাৰীয়ে। খৰস্ৰোতা দিমীলা নদীৰ সৈতে সংযুক্ত হৈ থকা ঐতিহাসিক বিলখনত প্ৰতিবছৰে শীত কালত দেশী-বিদেশী বিভিন্ন পৰিভ্ৰমী পক্ষীৰে ভৰি পৰে। বিভিন্ন প্ৰজাতিৰ এই পক্ষীৰ বিচৰণ ভূমিলৈ পৰিৱৰ্তন হয় আৰু পক্ষীসমূহৰ জলকেলিৰ নান্দনিক দৃশ্যত উৎফুল্লিত হৈ পৰে প্ৰকৃতিপ্ৰেমী। আনহাতে, বাৰিষা কালত বিভিন্ন প্ৰজাতিৰ মাছেৰে উভৈনদী হোৱা এই বিলখনত অঞ্চলটোৰ হিন্দু-মুছলমান সমন্বিতে মাছ মৰা দৃশ্যই মিলন তীৰ্থত পৰিণত কৰে। হাতত জাল, জাকৈ লৈ কেইবাখন গাঁৱৰ শ শ লোকে মাছ মৰা দৃশ্য আৰু পৰিভ্ৰমী পক্ষীৰ আগমন আজি নষ্টালজিয়া। ক্ৰমাৎ হেৰাই যাবলৈ ধৰিছে তাহানিৰ সেই মনোৰম দৃশ্য। ঐতিহাসিক বিলখনৰ অস্তিত্ব আজি একপ্ৰকাৰ বিপদাপন্ন। অভিযোগ অনুসৰি বিলখনৰ সমীপৰ থকা মাটিৰ একাংশ গৰাকীয়ে তীব্ৰগতিত বেদখল কৰি আহিছে বিলখনৰ মাটি। যেন চৰকাৰী ভূমি বেদখলৰ প্ৰতিযোগিতাহে চলিছে। বেদখলকাৰীৰ কৱলত পৰি নিঃশেষ হ'ব ধৰা বিলখনৰ অস্তিত্ব ৰক্ষাৰ বাবে পদক্ষেপ গ্ৰহণ নকৰাত আশ্চৰ্য প্ৰকাশ কৰিছে ৰাইজে। উল্লেখ্য যে বিলখন বেদখল সম্পৰ্কত বহুবাৰ সবিস্তাৰে বিভিন্ন কাকতত বাতৰি প্ৰকাশ পাইছিল। তথাপি কুম্ভকৰ্ণ নিদ্ৰাত প্ৰশাসন। যাৰ বাবে দৰঙৰ ঐতিহাসিক বিলখনত বৃদ্ধি পাইছে বেদখল। তদুপৰি পথাৰ পানী পৰিবাহী বাঁজী জানটো বেদখলৰ কবলত পৰি নিঃশ্চিহ্ন হৈ পৰাৰ উপক্ৰম হৈছে। পানীৰ সোঁত বাধাপ্ৰাপ্ত হোৱাৰ বাবে প্ৰভাৱ পৰিছে কৃষিক্ষেত্ৰত।

# জনজাতিকৰণৰ দাবীত মৰিগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ স্মাৰক পত্ৰ

**ই-সংবাদ, মৰিগাঁও, ২৬ মাৰ্চঃ** কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ আহ্বান মৰ্মে আজি মৰিগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনে জনজাতিকৰণকে ধৰি এলানি দাবীৰ সমৰ্থনত মুখ্যমন্ত্ৰীলৈ জিলা আয়ুক্তৰ জৰিয়তে এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সাধাৰণ সম্পাদক ভদ্ৰেশ্বৰ কলিতাৰ নেতৃত্বত এই কাৰ্যসূচীত বহু সংখ্যক লোকে অংশ লয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# চেন্নাইত শেষ নিশ্বাস ত্যাগ কামপুৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী বীৰেন ৰাজবংশীৰ

## মাদ্ৰাজ চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰভাৱে দেহদান

**ই-সংবাদ, কামপুৰ, ২৬ মাৰ্চঃ** নগাঁও জিলাৰ কামপুৰ অঞ্চলৰ পূব গুইমাৰী গাঁৱৰ বাসিন্দা, অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজ সচেতক বীৰেন চন্দ্ৰ ৰাজবংশীৰ যোৱা ২৪ মাৰ্চত বিয়োগ ঘটে। তামিলনাডুৰ চেন্নাইস্থিত এখন ব্যক্তিগত চিকিৎসালয়ত এক জটিল অস্ত্ৰোপচাৰৰ পিছত শেষ নিশ্বাস ত্যাগ কৰা বীৰেন ৰাজবংশীৰ মৃত্যুৰ সময়ত বয়স আছিল ৭২ বছৰ। কাৰ্বি আংলং জিলাৰ ভকচং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ২০১৩ চনত অৱসৰগ্ৰহণ কৰা ৰাজবংশীয়ে অৱসৰৰ পিছৰে পৰা বিভিন্ন সামাজিক কাম-কাজৰ লগতে আধ্যাত্মিক ক্ষেত্ৰখনতো নিজকে নিয়োজিত কৰি আহিছিল। ইয়াৰ উপৰিও স্থানীয় কেবাগৰাকী ছাত্ৰ-ছাত্ৰীক অৱসৰৰ পিছত তেওঁ বিনামূলীয়াকৈ ইংৰাজীকে ধৰি বিভিন্ন বিষয়ত ঘৰতে পাঠদান কৰিছিল। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ কন্যা, জোঁৱাই আৰু নাতিক এৰি যায়। উল্লেখ্য যে সমাজসচেতক অৱসৰপ্ৰাপ্ত



শিক্ষকগৰাকীয়ে মৃত্যুৰ পূৰ্বে মৰণোত্তৰ দেহদানৰ ইচ্ছা প্ৰকাশ কৰি গৈছিল। সেয়ে পৰিয়ালৰ লোকে তেওঁৰ নশ্বৰদেহ যোৱা ২৫ মাৰ্চত চেন্নাইস্থিত মাদ্ৰাজ চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে আনুষ্ঠানিকভাৱে দান কৰে। অসমৰ ভিতৰুৱা গ্ৰামাঞ্চলৰ এগৰাকী সমাজসচেতক, অৱসৰপ্ৰাপ্ত শিক্ষকে এইদৰে মৰণোত্তৰভাৱে দেহদান কৰা কাৰ্যক ভূয়সী প্ৰশংসা কৰিছে মাদ্ৰাজ চিকিৎসা মহাবিদ্যালয়ৰ এনাটমী বিভাগে। বিভাগটোৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়াত বীৰেন ৰাজবংশীৰ এনে মহানুভৱতাৰ শলাগ লোৱাৰ লগতে তেওঁৰ একমাত্ৰ কন্যাৰ এনে সাহসী আৰু বিজ্ঞানমনস্ক সিদ্ধান্তৰো শলাগ লয়। মাদ্ৰাজ চিকিৎসা মহাবিদ্যালয়ৰ এনাটমী বিভাগৰ সঞ্চালক ডাঃ আৰ কুমাৰে এই সন্দৰ্ভত কয়, দক্ষিণ ভাৰতত মৰণোত্তৰ দেহদানে ইতিমধ্যে এক বিশেষ গতি লাভ কৰিছে। এতিয়া অসমৰ দৰে এখন ৰাজ্যতো এনে লোকৰ সংখ্যা বৃদ্ধি পোৱা বুলি জানি আমি সুখী হৈছো। আশা কৰিছো বীৰেন ৰাজবংশী আৰু তেওঁৰ পৰিয়ালৰ এনে সিদ্ধান্তই এই আন্দোলনটোক ৰাজ্যখনত নতুন মাত্ৰা প্ৰদান কৰিবলৈ সমৰ্থ হ'ব।

# ঘগ্ৰাপাৰত চোতালে চোতালে কংগ্ৰেছ কাৰ্যসূচী

**ই-সংবাদ, নলবাৰী, ২৬ মাৰ্চঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পোৱা স্বাভাৱিক। সকলো ৰাজনৈতিক দলৰ তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। কংগ্ৰেছ দলো পিছপৰি থকা নাই এইক্ষেত্ৰত। বিৰোধী দল কংগ্ৰেছেও নিজৰ দলীয় সংগঠন শক্তিশালী কৰি জনসাধাৰণক ৰাজনৈতিকভাৱে সজাগ কৰি তোলাৰ বাবে গ্ৰহণ কৰিছে বিভিন্ন কাৰ্যসূচী। পঞ্চায়ত নিৰ্বাচনৰ লগতে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছ দলে ৰাইজৰ কাষ চাপিবলৈ লৈছে নতুন কৰ্মসূচী। দলীয় সংগঠন শক্তিশালী কৰাৰ বাবে কংগ্ৰেছ দলে গ্ৰহণ কৰিছে চোতালে চোতালে কংগ্ৰেছ শীৰ্ষক কাৰ্যসূচী। ইতিমধ্যে অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ নিৰ্দেশমৰ্মে নলবাৰী জিলা কংগ্ৰেছ সমিতিয়ে নলবাৰী সমষ্টিৰ ৰাইজৰ মাজত শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰাৰ উদ্দেশ্যে আৰম্ভ কৰিছে নতুন নতুন ৰাজনৈতিক কৌশল। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি পুৱাৰেপৰা সমষ্টিটোৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ সমীপৰ নৱগঠিত ১৮ নং শিলপোটাবড়ী-লাটিমা পঞ্চায়তৰ এলেকাধীন চিলিং গাঁৱৰ প্ৰায় প্ৰতিটো পৰিয়ালৰ মানুহৰ ঘৰে ঘৰে গৈ নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ন-কংগ্ৰেছী নেতা অশোক শৰ্মাসহ এটি সঁজাটি দলে চোতালে চোতালে কংগ্ৰেছ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়। এই কাৰ্যসূচীত উপস্থিত থাকি প্ৰাক্তন বিধায়ক তথা কংগ্ৰেছ নেতা অশোক শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে চোতালে চোতালে কংগ্ৰেছ শীৰ্ষক কাৰ্যসূচীৰ জৰিয়তে গাঁৱে গাঁৱে, ঘৰে ঘৰে গৈ ৰাইজৰ সমস্যাবিলাকৰ বুজ লোৱা তথা ৰাইজৰ মনৰ কথা জানিবৰ বাবে কংগ্ৰেছ দলে চেষ্টা কৰিব। অসমৰ সকলো ঠাইতে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈ আছে। ৰাইজৰ সমস্যাসমূহ ৰাইজৰ চোতালতে উপস্থাপন কৰাৰ সুবিধা পাব বুলি মন্তব্য কৰে। লগতে অশোক শৰ্মাই নলবাৰী সমষ্টিৰ চিলিং গাৱঁকে ধৰি এতিয়াও নলবাৰী সমষ্টিৰ বহু অঞ্চল আছে য'ত আজিও উন্নয়ন হোৱা নাই বুলি উল্লেখ কৰি উন্নয়ন আৰু পৰিৱৰ্তনৰ নামত বিজেপি চৰকাৰখনে বিজ্ঞাপন আৰু বেনাৰ লগাই প্ৰচাৰহে চলিছে বুলি অশোক শৰ্মাই সদৰী কৰে। ইফালে, অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সম্পাদক দিব্যজ্যোতি হালৈয়েও কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিজেপিৰ দল আৰু চৰকাৰক দুৰ্নীতিগ্ৰস্ত বুলি তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পিতৃগৃহৰ পঞ্চায়ততে ৰাইজে বাট-পথৰ সমস্যাকে ধৰি গৃহ খোৱাপানী আদি সমস্যাত ককবকাই আছিছে যদিও ইয়াৰ পাছতো চৰকাৰে উন্নয়ন হোৱা বুলি জয়ঢোল বজাই আহিছে বুলি নেতাগৰাকীয়ে তীব্ৰ সমালোচনা কৰে। লগতে আগন্তুক পঞ্চায়ত নিৰ্বাচন তথা জনসম্পৰ্ক বৃদ্ধি কৰাৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি আহিছে বুলিও নেতাগৰাকীয়ে সদৰী কৰাৰ উপৰি পঞ্চায়ত নিৰ্বাচনত দলটোৱে ভাল ফলাফল দেখুৱাব বুলি কয়।

# সাংবাদিক নিগ্ৰহৰ ঘটনাক গৰিহণা আপকুৰ

**ই-সংবাদ, হাওৰাঘাট, ২৬ মাৰ্চঃ** ৰাজ্যত সাংবাদিক নিগ্ৰহৰ ঘটনাৰ পুনৰাবৃত্তি ঘটাই শেহতীয়াকৈ ঘটা এক ঘটনাই সম্প্ৰতি সমগ্ৰ সাংবাদিক মহলৰ ভিতৰচ'ৰাত জোঁকাৰি গৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ বিৰুদ্ধে উত্থাপন হোৱা দুৰ্নীতিৰ বিৰুদ্ধে বাতৰি সংগ্ৰহ কৰিবলৈ যাওঁতে জ্যেষ্ঠ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক বেংকৰ পৰিচালন সঞ্চালকগৰাকীয়ে ভিতৰলৈ মাতি নি আৰক্ষীৰ দ্বাৰা ষড়যন্ত্ৰমূলকভাৱে আটক আৰু গ্ৰেপ্তাৰ কৰোৱা কাৰ্য তীব্ৰ গৰিহণাযোগ্য। এই সন্দৰ্ভত আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি ছামছিং ক্ৰ' আৰু সম্পাদক ধৰ্মেন্দ্ৰ খাখলাৰীয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে কৰ্তব্যৰত সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক অভিসন্ধিমূলকভাৱে আটক কৰা আৰু গ্ৰেপ্তাৰ কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে সাংবাদিকগৰাকীক বিনাচৰ্তে মুকলি কৰি দিবৰ বাবে ডিজিপি আৰু অসম চৰকাৰৰ গৃহ বিভাগৰ মন্ত্ৰীক আহ্বান জনায়। লগতে অনাগত দিনত এনেধৰণৰ সাংবাদিক নিগ্ৰহৰ ঘটনা বন্ধ কৰাৰ লগতে সাংবাদিকসকলৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈও আহ্বান জনাই বিজেপি নেতৃত্বধীন চৰকাৰক।

# বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিক, অভিযোগকাৰীক প্ৰাণেমৰাৰ ভাবুকি চিকিৎসকৰ

**ই-সংবাদ, শিমলীতোলা, ২৬ মাৰ্চঃ** নিজৰ জীৱনক তুচ্ছ কৰি বাতৰি পৰিৱেশন কৰিবলৈ কুণ্ঠাবোধ নকৰাৰ সাংবাদিক পূৰ্বৰেপৰা একাংশ দুৰ্নীতিগ্ৰস্ত ব্যক্তিৰ আক্ৰোশৰ বলি হ'বলগা হোৱাটো নতুন কথা নহয়। তাৰ জলন্ত উদাহৰণ শেহতীয়াকৈ দিলোৱাৰ হুছেইন মজুমদাৰৰ দৰে সাংবাদিকৰ কণ্ঠৰুদ্ধ কৰাৰ চেষ্টা কৰাটো। সাংবাদিকৰ কণ্ঠৰুদ্ধ কৰাৰ তেনে এক ঘটনা পোহৰলৈ আহিছে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ নৈপৰীয়া প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ভাৰপ্ৰাপ্ত স্বাস্থ্যবিষয়া ডাঃ আফজাল ৰেজ্জাৰ শেহতীয়া কৰ্মকাণ্ডৰ জৰিয়তে। বাতৰি পৰিৱেশন কৰাৰ বাবেই অভিযোগকাৰী আৰু সাংবাদিকৰ ওপৰত এজাহাৰ দিয়াক লৈ এতিয়া চাঞ্চল্যৰ সৃষ্টি হৈছে। বিজেপি চৰকাৰখনে উন্নয়নৰ ধাৰা অব্যাহত ৰাখিলেও ডাঃ আফজাল ৰেজ্জাৰ দৰে একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়াৰ কাৰণে বদনামি হ'বলগা হৈছে গোটেই বিভাগটো। চৰকাৰে দিয়া সুবিধাগ্ৰহণ কৰিবলৈ নাপাই একাংশই বিতৰ্কিত ডাঃ আফজাল ৰেজ্জাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাই কাল হল সাধাৰণ জনতাৰ। একমাত্ৰ চিকিৎসক হৈও সপ্তাহত তিনিদিন উপস্থিত নথকা, ৰোগীৰপৰা চিকিৎসাৰ নামত পইচা খোজা, ডেলিভাৰীৰ নামত ঘৰত হোৱা ডেলিভাৰী চিকিৎসালয়ত দেখুওৱাই বুজন পৰিমাণৰ টকা সংগ্ৰহ কৰাৰ অভিযোগ আৰু জন্ম চাৰ্টিফিকেটৰ নামত বৃহৎ খেলেমেলিৰে বুজন পৰিমাণৰ টকা সংগ্ৰহ কৰাৰ লগতে স্বাস্থ্য মন্ত্ৰীয়ে দিয়া নিৰ্দেশনাকো কেৰেপ নকৰা বিতৰ্কিত ডাঃ ৰেজ্জাই স্বাস্থ্যকেন্দ্ৰত নথকা ঔষধ লিখাৰ লগতে কাগজত নিজৰ নম্বৰ লিখি দিয়ে যাতে পৰৱৰ্তী সময়ত যোগাযোগ কৰিব পাৰে, চিকিৎসক-নাৰ্ছ থকাৰ পিছত চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰে ইনজেকশন দিয়া, ইচ্ছা হ'লে ৰোগী চোৱা নহ'লে নাই, চিকিৎসালয়ৰ নামত সোমোৱা আন্তঃগাঁথনিৰ টকা নিজ ইচ্ছাৰে খৰচ কৰি সৰহসংখ্যকেই আত্মসাৎ কৰা ইত্যাদি বিভিন্নজনে বিভিন্ন সময়ত অভিযোগ উত্থাপন কৰি আহিছে ডাঃ ৰেজ্জাৰ বিৰুদ্ধে। ডাঃ ৰেজ্জাৰ শেহতীয়া কৰ্মকাণ্ডই বৃহত্তৰ বাঘমাৰা চৰৰ লগতে পাৰ্শ্বৱৰ্তী কেইবাটাও অঞ্চলৰ ৰোগীসকলৰ মাজত সৃষ্টি হৈছে এক হাহাকাৰ পৰিস্থিতিৰ। চিকিৎসালয়খনত নিতৌ পাৰ্শ্বৱৰ্তী কেবাটাও অঞ্চলৰ শ শ ৰোগীয়ে চিকিৎসা কৰিবলৈ আহে যদিও চিকিৎসকৰ অনিয়মীয়া উপস্থিতিৰ বাবে বিনাচিকিৎসাই ঘূৰি যাবলগীয়া হোৱা বুলি সাংবাদিকৰ আগত ৰোগীসকলে সদৰী কৰা কথা বাতৰি আকাৰে পৰিৱেশন কৰাক লৈ স্থানীয় দুই-এজন কমিচন খোৱা দালাল লগলাগি অভিযোগকাৰী তথা সাংবাদিকৰ নামত এজাহাৰ দাখিল কৰাৰ লগতে প্ৰাণেমৰাৰ ভয় ভাবুকি দিয়ে। এতিয়া প্ৰশ্ন হয় দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপন হৈ অহা দুৰ্নীতিগ্ৰস্ত চিকিৎসক ডাঃ আফজাল ৰেজ্জাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কিয় সাহস নহয় বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষৰ? নে বিভাগীয় উচ্চপৰ্যায়ৰ বিষয়াৰে গোপন বুজাবুজিৰে এনে দুৰ্নীতি কৰি আছে বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰে। অৱশ্যে বৰপেটা জিলাৰ স্বাস্থ্যসেৱাৰ যুটীয়া সঞ্চালক নতুনকৈ যোগদান কৰা ডাঃ কামেশ্বৰ লহকৰে বিষয়টো কেনেদৰে লয় সেয়া হ'ব লক্ষণীয়। এনেদৰে আৰু কিমানদিন চিকিৎসা অবিহনে জীয়াই থাকিব লাগিব চৰাঞ্চলৰ ৰাইজে? স্বাস্থ্য বিভাগে শ শ ৰাইজৰ চিকিৎসা সেৱাক লৈ হেতালি খেলা চিকিৎসকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি অঞ্চলবাসী ৰাইজক নিয়মীয়াকৈ চিকিৎসা প্ৰদান কৰিবলৈ সক্ষম হ'ব নে সেয়া হ'ব লক্ষণীয়।

# প্ৰেৰণা পুথিভঁৰালৰ উদ্যোগত নাগৰিক, সংবিধান আৰু ভাৰতবৰ্ষ' শীৰ্ষক সভা

**ই-সংবাদ, নলবাৰী, ২৬ মাৰ্চঃ** নলবাৰী জিলাৰ বানেকুছিস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ৰ পয়ষষ্ঠিজনীয়া ছাত্ৰ-ছাত্ৰীৰ এটি দলে কালি পশ্চিম নলবাৰীৰ প্ৰেৰণা পুথিভঁৰালৰ ক্ষেত্ৰী-ধৰ্মপুৰ শাখালৈ আহি তাত থকা সুশীলা নাৰ্চাৰী, আদৰ্শ কৃষি পাম আৰু কৃষি গৱেষণা ক্ষেত্ৰ পৰিদৰ্শন কৰে। বিদ্যালয়খনৰ শিক্ষক জাহেৰুল ইছলাম শিকদাৰ, ৰিংকুলমণি ঠাকুৰীয়া আৰু পংকজ চৌধুৰীৰ নেতৃত্বত অহা ছাত্ৰ-ছাত্ৰীৰ দলটোৱে পাছত অন চিটিজেনশ্বিপ স্কিল, সাংবাধানিক প্ৰমূল্য আৰু ভাৰতবৰ্ষৰ জ্ঞান শীৰ্ষক এক আলোচনাত মিলিত হয়। ইয়াত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰেৰণা পুথিভঁৰালৰ ক্ষেত্ৰী-ধৰ্মপুৰ শাখাৰ প্ৰতিষ্ঠাপক তথা মুখ্য পৰিচালক ড০ মৃণাল বৰ্মনদেৱে কয় যে কৃষিয়েই হ'ল ভাৰতৰ মেৰুদণ্ড। কিন্তু ইয়াৰ নাগৰিকসকলৰ কৃষি-দক্ষতা বিকাশৰ বাবে গুৰুত্ব দিয়া হোৱা নাই। ফলস্বৰূপে আজিও কৃষকসকলে আন্দোলন কৰিবল'গা হৈছে। ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সমবিকাশেহে সাংবিধানিক প্ৰমূল্য নিশ্চিত কৰিব। ভাৰতবৰ্ষৰ জ্ঞান বুলি ক'লে কেৱল এচাম মানুহৰ জীৱন-জীৱীকাকে নুবুজায়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে বক্তব্য প্ৰদান কৰি প্ৰেৰণা পুথিভঁড়ালৰ প্ৰতিষ্ঠাপক তথা মুখ্য পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাই কয় যে ভাৰতবৰ্ষৰ এগৰাকী সৎ আৰু দক্ষ নাগৰিক হ'বলৈ হ'লে দেশখনৰ সংবিধানৰ প্ৰমূল্য আৰু শিকনিসমূহৰ বিষয়ে জানিব লাগিব। শিক্ষাৰ উদ্দেশ্য সম্পৰ্কে ক'বলৈ গৈ তেওঁ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এটি বাক্য ব্যাখ্যা কৰি শুনায় য'ত কোৱা হৈছে যে শিক্ষাৰ উদ্দেশ্য হ'ল সকলো কথাৰ অলপ অলপ জনাটো আৰু কিবা এটা বিষয় ভালকৈ জনাটো। তেওঁ সংবিধানৰ প্ৰস্তাৱনাত থকা সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য এই শব্দকেইটাৰ অৰ্থ বুজাই কোৱাৰ লগতে সকলোকে ভাৰতবৰ্ষৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। সভাত পৰিৱেশকৰ্মী ভূপেন কুমাৰ দাসে গ্ৰেটা থুনবাৰ্গৰ আৰ্হি ল'বলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিয়ে। শিক্ষক জাহেৰুল ইছলাম শিকদাৰে আঁতধৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই কলা-শিক্ষক পংকজ চৌধুৰীয়ে।

# বটলিফ ফেক্টৰীৰ মইমতালিৰ বিৰুদ্ধে প্ৰতিবাদ

**ই-সংবাদ, মথুৰাপুৰ, ২৬ মাৰ্চঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ চৰাইদেউ জিলা সমিতিৰ নৱগঠিত প্ৰথমখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা বুধবাৰে সোণাৰি সমলয় গোষ্ঠী প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। উক্ত সভাত কেঁচা চাহপাতৰ উচিত মূল্য নিৰ্ধাৰণ কৰাৰ সন্দৰ্ভত এক বিশদ আলোচনা কৰা হয়। ইতিমধ্যে কেঁচা চাহপাত চিঙা কাৰ্য চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰপৰা আৰম্ভ হৈছে। কিন্তু এই কেঁচা চাহপাতৰ মূল্য বটলিফ ফেক্টৰীসমূহে একপক্ষীয়ভাৱে অতি নিম্নমানৰ মূল্য নিৰ্ধাৰণ কৰি ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ পেটৰ ভাত কাঢ়িছে। এনে বটলিফ ফেক্টৰীসমূহৰ মইমতালী কাৰ্য্যক অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা, চৰাইদেউ জিলা সমিতিয়ে ঘোৰ প্ৰতিবাদ জনোৱাৰ লগতে কম মূল্য দিয়া ফেক্টৰীসমূহক কেঁচা চাহপাত নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। চাহ খেতিয়কৰ উৎপাদনৰ ব্যয়ৰ সামঞ্জস্য ৰাখি কেঁচা চাহপাতৰ উচিত সমৰ্থন মূল্য দিবৰ বাবে কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্তমৰ্মে এন অ' চি আৰু চাহপাত ফেক্টৰীসমূহৰ উচিত মূল্য নিৰ্ধাৰণৰ সন্দৰ্ভত যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ উদ্দেশ্যে চৰাইদেউ জিলা আয়ুক্তক জিলা সমিতিৰ তৰফৰ পৰা এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয়।

# নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ বাৰ্ষিক আলোচনী উদয় উন্মোচন

**ই-সংবাদ, পশ্চিম নগাঁও, ২৬ মাৰ্চঃ** নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'উদয়'ৰ আজি ৬৯ সংখ্যক সংখ্যাটি বুধবাৰে উন্মোচন কৰা হয়। শিক্ষানুষ্ঠানখনৰ উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি, বিশিষ্ট অধিবক্তা তথা প্ৰাক্তন ছাত্ৰ ধ্ৰুৱজ্যোতি শৰ্মা, বৰদোৱা মহাবিদ্যালয়ৰ জ্যেষ্ঠ সহযোগী অধ্যাপক, বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ড° ত্ৰিদিৱ কুমাৰ গোস্বামী আৰু ঐতিহ্যমণ্ডিত শিক্ষা প্ৰতিষ্ঠানখনৰ আন এগৰাকী প্ৰাক্তন ছাত্ৰ তথা জ্যেষ্ঠ সাংবাদিক প্ৰাঞ্জল বৰদলৈৰ দ্বাৰা এক গাম্ভীৰ্যপূৰ্ণ সভাত বছৰেকীয়া আলোচনীখন উন্মোচন কৰা হয়। আলোচনীৰ তত্বাবধায়ক, শিক্ষক ছাইফুল ইছলামে আঁতধৰা সভাখনিৰ আৰম্ভণিতে অধ্যক্ষ বসন্ত কুমাৰ গোস্বামীয়ে অভ্যাগতসকলক উদ্দেশ্যি আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ পিছতে ২০২৪-২৫ শিক্ষাবৰ্ষৰ উদয়ৰ ছাত্ৰ সম্পাদক সুদিপ ভূমিজে মনৰ অনুভৱ প্ৰকাশ কৰি তেওঁক এইক্ষেত্ৰত সহায় কৰা শিক্ষকদ্বয় অংকিতা শৰ্মা আৰু ছাইফুল ইছলামৰ লগতে আন শিক্ষাগুৰুসকলৰ বিষয়ে উল্লেখ কৰাৰ পিছতে উদয়ৰ উন্মোচকৰূপে অংশগ্ৰহণ কৰা প্ৰাক্তন ছাত্ৰ ত্ৰয়ৰ ভিতৰত বৰ্তমান বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই অধ্যয়নৰ যোগেদি ছাত্ৰসকলে লাভ কৰিব পৰা জ্ঞানাৰ্জনৰ বিষয়ে প্ৰদান কৰা মন্তব্যৰ বিপৰীতে আনগৰাকী বৰ্তমানৰ কৰ্তব্যৰত অধ্যাপক ড° ত্ৰিদৱ কুমাৰ গোস্বামীয়ে বিদ্যালয়খনত পঢ়ি থকা দিনৰ স্মৃতি ৰোমন্থন কৰি হায়াৰ ছেকেণ্ডাৰীৰ ফাইনেল পৰীক্ষাত তিনি নম্বৰৰ বাবে স্থান লাভ কৰিব নোৱাৰাত শিক্ষকসকলৰ মাজত বিৰাজ কৰা দুখ আৰু আনন্দৰ সুমধুৰ স্মৃতি ৰোমন্থন কৰি আবেগিক হৈ পৰে। আনহাতে, উদয়ৰ আনগৰাকী উন্মোচক তথা ঐতিহ্যমণ্ডিত নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ একালৰ ছাত্ৰ তথা বৰ্তমানৰ সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে সমৱেত ছাত্ৰসকলক উদ্দেশ্যি দুটা আকৰ্ষণীয় কাহিনীৰ দ্বাৰা জীৱনত অভাৱ-অনাটনৰ মাজতো কেনেকৈ জীৱন গঢ়িব পাৰি সেই বিষয়ে উল্লেখ কৰি ছাত্ৰসকলক অনুপ্ৰাণিত কৰাৰ সমান্তৰালভাৱে শিক্ষাগুৰুসকলেও ছাত্ৰসকলৰ মাজৰ কোনোজনে কেতিয়াবা ভুল পথে পৰিচালিত হোৱা দেখিলে তেনে ছাত্ৰক কেনেকৈ শুদ্ধপথলৈ ঘূৰাই আনি প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব পাৰি সেই সন্দৰ্ভতো এক মনপৰশা কাহিনী উপস্থাপনৰ জৰিয়তে সমৱেত সকলোকে আপ্লুত কৰে। উল্লেখ্য যে অসমৰ এগৰাকী লব্ধপ্ৰতিষ্ঠিত সাহিত্যিক, প্ৰান্তিক আলোচনীৰ মুখ্য সম্পাদক ড° ভৱেন্দ্ৰনাথ শইকীয়াই নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ বাৰ্ষিক আলোচনী উদয়ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে সেৱা আগবঢ়োৱা আলোচনীখনৰ এই সংখ্যাত জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, নগাঁৱৰ ৰত্ন খ্যাত কৰ্মদক্ষ বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথৰ শুভেচ্ছাবাণী সংলগ্ন এই এই সংখ্যাৰ আলোচনীখন বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ সদ্যপ্ৰয়াত বিমল চন্দ্ৰ বৰা, প্ৰাক্তন শিক্ষক ভাৰত চন্দ্ৰ নাথ আৰু সদ্য প্ৰাক্তন ছাত্ৰ তথা ৰামধেনু যুগৰ স্বনামধন্য কথাশিল্পী ভদ্ৰেশ্বৰ ৰাজখোৱালৈ শ্ৰদ্ধাঞ্জলি নিবেদনেৰে আগবঢ়োৱা হৈছে। ডিম্বেশ্বৰ শৰ্মা, হিৰণ্য শৰ্মা, কুলদ্বীপ কুমাৰ বৰা, ৰঞ্জিত হাজৰিকা, ৰাতুল বৰা, কল্পনা নাথ, চয়নিকা দেৱী, অলংকৃতা বৰুৱা, জয়ন্ত কুমাৰ ডেকা, তন্নীপনা পণ্ডিত, জুৰি দাস, গংগোত্ৰী শইকীয়া, সুনীতা লস্কৰ, চন্দন বৰা, ৰেণুকা কুমাৰী সাহ, ৰাহিদুৰ ৰহমান, নিবেদিতা চন্দা, ড° প্ৰত্যাশী ফুকন, মণিকা ডেকা, চাৰমিন বেনজিৰ, শশীকান্ত শ্বাহ, পৰিস্মিতা বৰা, দেবাহুতি দেউৰী, জুপিতৰা পৰাশৰ শৰ্মা, ভাস্কৰ কৈৱাল প্ৰমুখ্যে সভাত উপস্থিত শিক্ষকসকলৰ উপৰি প্ৰফুল্ল কুমাৰ ভুঞা, শিৱশংকৰ শীল, নোমল কলিতা, অবনী মহন্ত, অঞ্জীৱ বৰো, জয়ন্ত মালাকাৰ, পুষ্পা গিৰী, জান মহম্মদ আলীকে ধৰি বিদ্যালয়খনৰ কৰ্মচাৰীসকল উপস্থিত থকা আলোচনী উন্মোচনী সভাখন অধ্যক্ষ বসন্ত গোস্বামীৰ শলাগৰ শৰাইৰে সামৰণি পৰে।

# কুমাৰীকাটাত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশ-আজিৰ প্ৰত্যাহ্বান শীৰ্ষক আলোচনা-চক্ৰ সম্পন্ন

**ই-সংবাদ, তামুলপুৰ, ২৬ মাৰ্চঃ** অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আযোগ আৰু সতীৰ্থ ফাণ্ডেচনৰ যুটীয়া উদ্যোগত, তামুলপুৰ জিলা প্ৰশাসনৰ সহযোগত কুমাৰীকটা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশ- আজিৰ প্ৰত্যাহ্বান বিষয়ক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী হৰিৰাম উপাধ্যায়ে সভাপতিত্ব কৰা সভাত আয়োগৰ সদস্য ফণীন্দ্ৰ কুমাৰ বুজৰ বৰুৱাই সভাৰ উদ্দেশ্য বাখ্যাৰ লগতে তেখেতৰ ৰসাল বক্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক তথা অভিভাৱকসকলকো বিষয়টো সন্দৰ্ভত সচেতন কৰি তোলে। সভাত আয়োগৰ অধ্যক্ষ ডঃ শ্যামল শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিশুসকলৰ এই প্ৰত্যাহ্বান সন্দৰ্ভত অয়োগে লোৱা বিভিন্ন পদক্ষেপৰ কথা ব্যক্ত কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কুমাৰীকাটা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষা বিভাৰানী নাৰ্জাৰীয়ে শিশুৰ সৰ্বাংগীণ বিকাশত অভিভাৱকৰ দায়িত্ব আৰু ছাত্ৰ-ছাত্ৰীৰ তিনিকোণীয়া প্ৰচেষ্টাৰ কথা উল্লেখ কৰি কয় যে এই তিনিটাৰ সহযোগিতা নথকাৰ বাবে আজি আনকি বিদ্যালয়সমূহতে শিশুৰ ব্যৱহাৰিক পৰিৱৰ্তন দেখা যায়। সভাত কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ অমৰজ্যোতি গায়নে আন এগৰাকী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিশুৰ মানসিক স্থিতি সন্দৰ্ভত ব্যখ্যা কৰাৰ লগতে তেওঁলোকৰ মানসিক শক্তি বিকাশত অভিভাৱকৰ দায়িত্ব সম্পৰ্কে বক্তব্য ৰাখে। আয়োগৰ পৰামৰ্শদাতা মৃদুখীতা দত্তই সঞ্চালনা কৰা সভাত তামুলপুৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী উপস্থিত থাকি জিলাখনত শিশুসকলৰ কল্যাণৰ বাবে আগবঢ়াই থকা বিভিন্ন আঁচনি সম্পৰ্কে বক্তব্য প্ৰদান কৰাৰ উপৰি জিলাখনত শিশুসকলৰ প্ৰত্যাহ্বান বিশেষকৈ ধঁপাত বা আন বিভিন্ন নিচাযুক্ত দ্ৰব্য সেৱন সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত আয়োগৰ আন এগৰাকী সদস্য জানকী খাউণ্ডে শিশুসকলৰ মাজত অধিক মোবাইলৰ ব্যৱহাৰেই শিশুসকলৰ ব্যৱহাৰিক মানসিক তথা চাইবাৰ ক্ৰাইমৰ কবলত পৰাৰ দিশটোও বিতংভাৱে বাখ্যা কৰে। সতীৰ্থ ফাণ্ডেচনৰ সম্পাদক হৰিহৰ ডেকাই সভাত উপস্থিত থকা সকলোকে তেখেতসকলৰ আমন্ত্ৰণ ৰক্ষা কৰি সভাখন সাফল্যমণ্ডিত কৰাৰ বাবে সতীৰ্থ ফাণ্ডেচনৰ তৰফৰপৰা ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰা সভাৰ আৰম্ভণীতে আয়োগৰ দ্বাৰা নিৰ্মিত চাইবাৰ ক্ৰাইম সম্বন্ধীয় চুটী ছবি উন্মাদনা প্ৰদৰ্শন কৰা হয়। সভাত স্থানীয় ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকৰ লগতে তামোলপুৰ জিলাৰ কেইবাগৰাকীয়ো চৰকাৰী বিষয়াকে ধৰি ২৫০ ৰো অধিক ব্যক্তি উপস্থিত থাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# আজিৰেপৰা নতুন খেলুৱাত সপ্তদশ শ্ৰীশ্ৰী কালী পূজা আৰু সভা মহোৎসৱ আৰম্ভ

**ই-সংবাদ, চামতা, ২৬ মাৰ্চঃ** পশ্চিম নলবাৰী অঞ্চলৰ নতুন খেলুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আনবাৰৰ দৰে এইবাৰো কাইলৈৰপৰা ৩১ মাৰ্চলৈ পাঁচদিনীয়া বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰী কালী পূজা আৰু সভা মহোৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। মহোৎসৱখন সুকলমে পৰিচালনা কৰাৰ বাবে খৰ্গেশ্বৰ দাসক সভাপতি আৰু দ্বিজেন বৰ্মনক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্য্যসূচী অনুসৰি ২৭ মাৰ্চৰ পুৱা ৮ বজাত স্বচ্ছতা অভিযান। ৯ বজাত পতাকা উত্তোলন কৰিব নতুন খেলুৱা গাঁও উন্নয়ন সমিতিৰ সভাপতি লোহিত পাটোৱাৰীয়ে। ১০.৩০ বজাত সমূহীয়া বৃক্ষৰোপণ। ১১ বজাত বিগত বৰ্ষৰ প্ৰতিমা ৰাইজৰ সহযোগত পৰিভ্ৰমণ আৰু বিসৰ্জন। আবেলি ৪ বজাত স্থানীয় আয়তীৰ দ্বাৰা নাম পৰিৱেশন। সন্ধিয়া ৭ বজাত পূজাৰ মুখ্য দ্বাৰ উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী বাণীকান্ত ভূঞাই। সন্ধিয়া ৭.৩০ বজাত স্থানীয় ৰাইজৰ সহযোগত বন্তি প্ৰজ্বলন। নিশা ৮ বজাত ৰাজগুৰু মিনি থিয়েটাৰৰ দ্বাৰা নাট প্ৰদৰ্শন। নাট উদ্বোধন কৰিব ভাৰতীয় জনতা যুৱ মৰ্চা অসম প্ৰদেশৰ উপ-সভাপতি জয়ন্ত শইকীয়াই। ২৮ মাৰ্চৰ পুৱা ৮ বজাত স্বচ্ছ অভিযান। ১০ বজাত প্ৰতিমা পৰিভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা। সন্ধিয়া ৬ বজাত পূজা মণ্ডপৰ মূল দ্বাৰ উন্মোচন কৰিব গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাই। সন্ধিয়া ৬.৪৫ বজাত প্ৰতিমা মাল্যাৰ্পণ। ৭.১৫ বজাত প্ৰতিমা স্থাপন। ৭.৩০ বজাত ৰাইজৰ মংগলাৰ্থে বন্তি প্ৰজ্বলন। ৭.৪৫ শিৱ পূজা। নিশা ৮ বজাত ওজাপালি প্ৰদৰ্শন। ৮.২৫ বজাত মা কালি ডাকিনী, যোগিনী মহাকাল আদিৰ পূজা আৰম্ভ। নিশা ৮.৩০ বজাত মহাস্নান। ৮.৪৫ আৰতি প্ৰদান। ৯ বজাত বলি শান্তি। ৯.৩০ বজাত বলি প্ৰদান। ১০.৪৫ হোম আৰম্ভ। ১১.৩০ বজাত পুষ্পাঞ্জলী প্ৰদান। নিশা ১২ বজাত প্ৰসাদ বিতৰণ। ১২.৩০ বজাত সমূহ ভক্তিপ্ৰাণ ৰাইজৰ মাজত সমূহীয়া ভোগ বিতৰণ। ২৯ মাৰ্চৰ ৰাতিপুৱা ৮ বজাত স্বচ্ছ অভিযান। ১০ বজাত ভাগৱত পাঠ। আবেলি ৪ বজাত নাগাৰা নাম প্ৰদৰ্শন। সন্ধিয়া ৭.৩০ বজাত সভা মণ্ডপত বন্তি প্ৰজ্বলন। ১০ বজাত ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদল দ্বাৰা নাট প্ৰদৰ্শন। ৩০ মাৰ্চৰ ৰাতিপুৱা ৮ বজাত স্বচ্ছ অভিযান। ১০ বজাত আয়তীৰ দিহানাম প্ৰদৰ্শন। দিহানামৰ প্ৰথম পুৰস্কাৰ ৫৫০১২ টকা, দ্বিতীয় পুৰস্কাৰ ৪৫০১ টকা আৰু তৃতীয় পুৰস্কাৰ ৩৫০১ টকা। দুপৰীয়া ১২ বজাত সভাৰ হোম। দুপৰীয়া ১২.৩০ বজাত পুষ্পাঞ্জলী প্ৰদান। দুপৰীয়া ১ বজাত প্ৰসাদ বিতৰণ। ১.৩০ বজাত সমূহ ভক্তিপ্ৰাণ ৰাইজৰ মাজত ভোগ বিতৰণ। সন্ধিয়া ৭.৩০ বজাত বন্তি প্ৰজ্বলন। ৮ দ্যা নিনজা ডান্স একাডেমীৰ দ্বাৰা নাট প্ৰদৰ্শন। নিশা ১০ বজাত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী বিপুল দাসে লগতে মৰ্মিতা মিত্ৰৰ গীতৰ শৰাই। ৩১ মাৰ্চৰ ৰাতিপুৱা ৮ বজাত স্বচ্ছ অভিযান। ১০ বজাত ভাগৱত পাঠ। আবেলি ৩ বজাত স্থানীয় আয়তিৰ দ্বাৰা নাম প্ৰদৰ্শন। সন্ধিয়া ৬ বজাত ৰাজহুৱা সত্য নাৰায়ণ পূজা। ৬.৩০ বজাত অংকুৰ নাগাৰা নাম দলৰ দ্বাৰা নাম প্ৰদৰ্শন। নিশা ৮ বজাত প্ৰসাদ বিতৰণ। ৯ বজাত সমূহ ভক্তিপ্ৰাণ ৰাইজৰ মাজত ভোগ বিতৰণেৰে মহোৎসৱৰ সামৰণি পৰিব।

## হেলমেট পৰিধান নকৰাকৈ বাহন চলোৱা লোকৰ বিৰুদ্ধে ব্যাপক অভিযানৰ নিৰ্দেশ আয়ুক্তৰ

# মৰিগাঁও জিলা উন্নয়ন সমিতিৰ এই মাহৰ বৈঠক

**ই-সংবাদ, লাহৰীঘাট, ২৬ মাৰ্চঃ** মৰিগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন সমিতিৰ এই মাহৰ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত জিলা আয়ুক্তগৰাকীয়ে প্ৰতিটো বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ সম জিলা ঘোষণা হোৱাৰ লগে লগে জিলাসমূহক উন্নয়নৰ আধাৰ হিচাপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই প্ৰতিটো বিভাগক পাৰস্পৰিক সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ জলসিঞ্চন বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি জল শক্তি মন্ত্ৰালয়ে শেহতীয়াকৈ জল সংৰক্ষণৰ বাবে অব্যৱহৃত হৈ থকা পুখুৰী পুনৰুজ্জীৱিতকৰণ অথবা জন অংশীদাৰীত্বৰে স্বেচ্ছাই এই দিশত কাম কৰাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়। আনহাতে, লোকনিৰ্মাণ (গৃহ) বিভাগৰ কামৰ পৰ্যালোচনা কালত বিভাগৰ কাৰ্যবাহী অভিযন্তাগৰাকীয়ে জিলা আয়ুক্তগৰাকীক অৱগত কৰায় যে অহা জুলাই-আগষ্ট মাহত নতুন আৱৰ্ত ভৱনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা যাব। লগতে এহেজাৰ মানুহ বহিব পৰা প্ৰেক্ষাগৃহটোৰ বাবেও প্ৰয়োজনীয় প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ জিলা আয়ুক্তগৰাকীয়ে বুজ লয়। ২০২৬ চনৰ মাৰ্চ মাহত নিৰ্মীয়মাণ মৰিগাঁও চিকিৎসা মহাবিদ্যালয়ৰ বহিঃ ৰোগ বিভাগ আৰম্ভ কৰিব পৰা যাব বুলিও তেওঁক অৱগত কৰোৱা হয়। জিলা আয়ুক্তগৰাকীয়ে বিদ্যুৎ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি প্ৰস্তাৱিত এহেজাৰ বিঘা মাটিৰ ঔদ্যোগিক পামত হ'বলগীয়া বিদ্যুতৰ চাহিদা পূৰণ কৰাৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা সন্দৰ্ভত এ পি ডি চি এলৰ জিলা মুৰব্বীগৰাকীৰ সৈতে আলোচনা কৰে। আনহাতে, লাহৰীঘাট সম জিলাৰ অন্তৰ্গত শগুনপাৰাত ভূমি অধিগ্ৰহণ সংক্ৰান্তীয় এটা বিষয় লৈ প্ৰায় ২০০ ঘৰ মানুহে বিদ্যুৎ সংযোগ নোপোৱাৰ বিষয়টোত উদ্বিগ্নতা প্ৰকাশ কৰি অহা মাহৰ জিলা উন্নয়ন সমিতিৰ বৈঠকৰ পূৰ্বে ইয়াৰ সমাধান কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। সভাত জিলা আয়ুক্তগৰাকীয়ে পৰিবহণ বিভাগক মৰিগাঁও জিলাখনত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰা ই-ৰিক্সাসমূহক কিছু নিয়ন্ত্ৰণ কৰাৰ নিৰ্দেশ দিয়ে। লগতে হেলমেট পৰিধান নকৰাকৈ দুচকীয়া বাহন চলোৱা লোকৰ বিৰুদ্ধে ব্যাপক অভিযান চলোৱাৰ নিৰ্দেশ দিয়ে। তেওঁ পশুপালন আৰু পশুচিকিৎসা বিভাগক পবিতৰা অভয়াৰণ্যত অনিয়ন্ত্ৰিতভাৱে জাকে জাকে গৰাকীবিহীন গৰুৱে বিচৰণ কৰি ফুৰা বিষয়টোত উদ্বিগ্নতা প্ৰকাশ কৰে। এইসমূহ গৰুৰ কুকুৰে কামোৰা আদি দিশ গুৰুত্বসহকাৰে লৈ কাম কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। শিক্ষা বিভাগৰ কাম-কাজৰ পৰ্যালোচনাকালত তেওঁ বিদ্যাঞ্জলি কাৰ্যসূচীৰ অধীনত প্ৰতিটো বিভাগৰ বিষয়াসকলক আৰু জনসাধাৰণক বিদ্যালয়সমূহলৈ সৰু সৰু সামগ্ৰী হ'লেও বৰঙণি আগবঢ়াবলৈ আহ্বান জনায়। লগতে অৱসৰৰ দিনাই যাতে কৰ্মচাৰী এগৰাকীক অৱসৰকালীন সা-সুবিধাসমূহ প্ৰদান কৰিব পৰা যায় তাৰবাবে সকলো বিভাগক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ স্বাস্থ্য বিভাগৰ পৰ্যালোচনাকালত প্ৰতিগৰাকী বিষয়াক যক্ষ্মা ৰোগীসকলৰ সহায় হোৱাকৈ সামান্য বৰঙণিৰে নিক্ষয় মিত্ৰ হ'বলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগক ধান ক্ৰয়ৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে ব্যাপক তৎপৰতাৰে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ বৈধ পৰিমাপ বিভাগক জিলাখনৰ সকলো পেট্ৰ'ল পাম্পত সময়ে সময়ে অভিযান চলাই সম্ভাব্য অনিয়ম ৰোধ কৰাৰ নিৰ্দেশ দিয়ে। আজিৰ সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ কুমাৰ বৰাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ এম জি এনৰেগা, আধাৰ সংযোগ, প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ, পঞ্চদশ বিত্ত আয়োগ আদিৰ কাম-কাজ আৰু অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। সভাত লোকনিৰ্মাণ, জলসম্পদ, জনস্বাস্থ্য কাৰিকৰী, কৃষি, পৰিৱেশ আৰু বন বিভাগ, মীন, ভূমি সংৰক্ষণ আদি প্ৰায় সকলো বিভাগৰে কাম-কাজৰ পৰ্যালোচনা কৰা হয়। আজিৰ এই সভাত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, জাগীৰোড সম জিলা আয়ুক্ত বিমান দাস, লাহৰীঘাট সম জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত আছিল।

# শ্বহীদ দিলীপ কুমাৰ দাসৰ পৰিয়ালৰ অৱস্থাৰ বুজ ল'লে চিআৰপিএফৰ শীৰ্ষ বিষয়াই

**ই-সংবাদ, ভৱানীপুৰ, ২৬ মাৰ্চঃ** আজি বিয়লি প্ৰায় ৫ বজাত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী অৰ্থাৎ চি আৰ পি এফৰ নামনি অসমৰ বঙাইগাঁওস্থিত মুখ্য কাৰ্যালয়ৰ আৰক্ষী মহাপৰিদৰ্শক সুনন্দ কুমাৰ আৰু বাহিনীটোৰ ১০ নং বেটেলিয়নৰ সহঃ অধিনায়ক দীপক কুমাৰৰ নেতৃত্বত ১৫ জনীয়া এটা দলে সৰুপেটাৰ সমীপৰ ভাৰেগাঁৱৰ শ্বহীদ দিলীপ কুমাৰ দাসৰ বাসগৃহত উপস্থিত হয়। উল্লেখ্য, চি আৰ পি এফৰ ১১০ নং ক'ব্ৰা বেটেলিয়নৰ পৰিদৰ্শক দিলীপ কুমাৰ দাসৰ সৈতে কেইবাগৰাকীও জোৱান ২০২১ চনৰ ৩ এপ্ৰিল তাৰিখে চত্তিশগড়ৰ বীজাপুৰ সংৰক্ষিত বনাঞ্চলত কৰ্তব্যৰত অৱস্থাতে মাওবাদীৰে হোৱা সংঘৰ্ষত নিহত হৈছিল। ইয়াৰ পিছতেই দিলীপ কুমাৰ দাসক বাহিনীটোৰ তৰফৰপৰা ৰাষ্ট্ৰীয় শ্বহীদ হিচাপে ঘোষণা কৰা হৈছিল। আনহাতে, চি আৰ পি এফৰ দলটো ৰাষ্ট্ৰীয় শ্বহীদগৰাকীৰ গৃহত



উপস্থিত হোৱাৰ পিছতে শ্বহীদগৰাকীৰ পিতৃবনমালী দাস, মাতৃ ময়না দাস আৰু শ্বহীদ দিলীপ কুমাৰ দাসৰ সহধৰ্মিনী প্ৰাঞ্জলী দাসৰ সৈতে পৰিয়ালৰ আন সদস্যসকলৰ স্বাস্থ্য আৰু আৰ্থিক অৱস্থাৰ বুজ লয়। পৰিয়ালৰ সদস্যসকলৰ সৈতে ভাৰেগাঁও উন্নয়ন সমিতিৰ সম্পাদক বিশ্বজিৎ পাঠকে তেওঁলোকে গাঁওখনৰ সোঁমাজেৰে উত্তৰা-দক্ষিণাকৈ যোৱা মূল পথটো ৰাষ্ট্ৰীয় শ্বহীদগৰাকীৰ নামেৰে নামকৰণ কৰাৰ বাবে বাহিনীটোৰ লগতে প্ৰশাসনৰ ওচৰত স্মাৰক-পত্ৰ প্ৰদানৰ বিষয়টোলৈ আঙুলিয়াই দিয়ে। তদুপৰি গাঁওখনৰ মাজেৰে পুবা-পশ্চিমাকৈ যোৱা গোঁহাই কমল আলিৰ কাষতে নিৰ্মীয়মাণ ৰাষ্ট্ৰীয় শ্বহীদগৰাকীৰ সমাধিস্থলীৰ নিৰ্মাণ আৰু আবক্ষ মূৰ্তি স্থাপনৰ বিষয়টোও আলোচনা কৰে।

# মাজুলীৰ ভকতিদুৱাৰত বিহু কৰ্মশালা

**ই-সংবাদ, মধ্য মাজুলী, ২৬ মাৰ্চঃ** হেপাঁহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিনহে থকাত এতিয়া ৰাজ্যৰ চৌদিশে বিহুৰ আখৰাত ব্যস্ত হৈ পৰিছে বিহুৱা ডেকা-গাভৰু। সমান্তৰালভাৱে ব'হাগৰ আগতীয়া এক উন্মাদনাই বিৰাজ কৰিছে মাজুলীৰ বৃহত্তৰ ভকতিদুৱাৰ অঞ্চলত। ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত 'সৃষ্টি-এক সমন্বয় যাত্ৰা, মাজুলী'ৰ উদ্যোগত আৰু বিহু শিল্পী সংস্থা, মাজুলীৰ সহযোগত যোৱা ২২ মাৰ্চৰ পৰা অনুষ্ঠিত ৭ দিনীয়া বিহু কৰ্মশালাত শতাধিক কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰিছে। বিহু শিল্পী সংস্থাৰ অভিজ্ঞ প্ৰশিক্ষক ক্ৰমে মৃদুল দাস, নৱজ্যোতি দাস, পাৰ্থ দাস, মৃদুপৱন দাসৰ লগতে কেইবাগৰাকীও অভিজ্ঞ নাচনীয়ে

ভকতিদুৱাৰৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বিহু নাচ আৰু ঢোলবাদনৰ প্ৰশিক্ষণ প্ৰদান কৰি আছে। এই বিহু আখৰাৰ জৰিয়তে বৃহত্তৰ ভকতিদুৱাৰ অঞ্চলৰ কিশোৰ-কিশোৰীসকলে বিহুনাচ আৰু ঢোলবাদনৰ এক সুন্দৰ শিক্ষা লাভ কৰিছে বুলি সৃষ্টিৰ সম্পাদক প্ৰাঞ্জল খাউণ্ডে জানিবলৈ দিয়ে। যোৱা ২২ মাৰ্চৰ বিয়লি ২ বজাত সৃষ্টিৰ সাংস্কৃতিক সভাপতি যোগেন হাজৰিকাৰ বন্তি প্ৰজ্বলনৰ পিছতেই সৃষ্টিৰ সভাপতি পংকজ দত্তই সকলো শিক্ষাৰ্থীকে আদৰণি জনাই ভাষণ প্ৰদান কৰে। বিহুশিল্পী সংস্থাৰ সভাপতি প্ৰদীপ বৰুৱাই সৃষ্টিৰ উদ্যোগক শলাগ লোৱাৰ লগতে বিহু নাচৰ নীতি-নিয়মৰ কিছু আভাস দাঙি ধৰে। প্ৰথমদিনাৰ আৰম্ভণি কাৰ্যসূচীত উপস্থিত হৈ যুৱনেতা বিতুপন দলেই আমাৰ সংস্কৃতিৰ শিপাৰ সৈতে শিশু-কিশোৰসকলক পৰিচয় কৰি দিয়াত আগভাগ লোৱা 'সৃষ্টি-এক সমন্বয় যাত্ৰা'ৰ পদক্ষেপক শলাগ লয়। উক্ত শুভাৰম্ভ কাৰ্যসূচীত সৃষ্টিৰ সাধাৰণ সম্পাদক ৰঞ্জন মহন্ত, উপদেষ্টা দুলাল বৰুৱা, বিহুশিল্পী সংস্থাৰ সাধাৰণ সম্পাদক ভৰত হাজৰিকা, ৰবিন খাউণ্ড, বিশ্ব বৰাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে, সৃষ্টিৰ উদ্যোগত অব্যাহত থকা উক্ত কৰ্মশালা পৰিচালনা কৰিছে সৃষ্টিৰ উপ-সভাপতি অপূৰ্ব শইকীয়া আৰু লুহিত শইকীয়াই। বৃহত্তৰ ভকতিদুৱাৰ অঞ্চলৰ প্ৰায় ২০ খন গাঁৱৰ ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাকৈ আয়োজন হোৱা এই কৰ্মশালাই অঞ্চলটোত ব'হাগৰ এক উন্মাদনা সৃষ্টি কৰিছে বুলি অঞ্চলবাসীয়ে মন্তব্য কৰে।

# শিক্ষক মনোমোহন বৰ্মনৰ মৃত্যুত চামতাত শোক

**ই-সংবাদ, চামতা, ২৬ মাৰ্চঃ** পশ্চিম নলবাৰীৰ চামতা ৰূপীয়াবাথান কৈৱৰ্ত চুবুৰী নিৱাসী তথা ধৰ্মপুৰ জ্ঞানদায়িনী হাইস্কুলৰ শিক্ষক মনোমোহন বৰ্মন (৫৫)ৰ আজি জি এম চি এইচত চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। ১৯৯৯ চনত চামতা ৰূপীয়াবাথানৰ কাশীনাথ বিদ্যামন্দিৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰ চাকৰিত যোগদান কৰা বৰ্মন পিছত পুব গামাৰিমুৰী প্ৰাথমিক বিদ্যালয়, ৯৮২ নং গামাৰিমুৰী বালিকা প্ৰাথমিক বিদ্যালয়ত আৰু শেষত ধৰ্মপুৰ জ্ঞানদায়িনী হাইস্কুললৈ বদলি হৈছিল। মধুমেহ ৰোগ আৰু উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা বৰ্মন ছদিন পূৰ্বে হঠাৎ ব্ৰেইন ষ্ট্ৰোকত আক্ৰান্ত হয়। প্ৰথমে তেওঁক নলবাৰী নৱদ্বীপ হস্পিতালত ভৰ্তি কৰা হয় যদিও পিছদিনাই উন্নত চিকিৎসাৰ বাবে তেওঁক গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয় অৰুণা মেমৰীয়েলত ভৰ্তি কৰা হৈছিল। ভেণ্টিলেচনত থকা বৰ্মনক আজি জি এম চি এইচলৈ নিবলৈ যো-জা কৰাত চিকিৎসকে বৰ্মনৰ মৃত্যু হোৱাৰ কথা ঘোষণা কৰে। চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ লগতে চামতা অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত বৰ্মনে মৃত্যুৰ সময়ত পত্নী, এক পুত্ৰ আৰু বহুতো আত্মীয়-স্বজনক এৰি যায়। আজি সন্ধিয়া ৮ বজাত বৰ্মনৰ শৰদেহ চামতাৰ ঘৰ আহি পোৱাত ঘৰখনৰ লগতে অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়।

# আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত বিদায় সভা

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ মাৰ্চঃ** আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত আজি অনুষ্ঠিত সভাত তিনি দশকৰো অধিককাল ধৰি সেৱা আগবঢ়াই অহা দুগৰাকী অংশকালীন ঘোষক-ঘোষিকা তথা প্ৰসাৰণ সহযোগী চন্দন দাস আৰু অৰুণিতা দেৱীক বিদায় সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত কেনিয়েলো কেন্ট ৰেংমা, উপ-সঞ্চালক প্ৰধান, আকাশবাণী আৰু দূৰদৰ্শনৰ কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকা, অনুষ্ঠান কাৰ্যবাহী অৰুণ মৰাং, ইন্দিৰা মৰাং, প্ৰসাৰণ কাৰ্যবাহী পৰশা কোঁৱৰ, জিণ্টু চেতিয়া আৰু অৰ্ধশতাধিক অংশকালীন ঘোষক-ঘোষিকা, প্ৰসাৰণ সহযোগী, প্ৰযোজনা সহযোগী উপস্থিত থাকে। উল্লেখ্য যে অৰুণিতা দেৱীয়ে ১৯৮৪ চনতে শিশু অনুষ্ঠানত জৰিয়তে প্ৰথম আকাশবাণীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। তাৰপাছত তেওঁ ক্ৰমে সেউজী চ'ৰা, যুৱবাণীত ঘোষিকা, মূল অনুষ্ঠানৰ ঘোষিকা, আঞ্চলিক বাতৰিৰ পৰিৱেশক আৰু প্ৰসাৰণ সহযোগী হিচাপে সুদীৰ্ঘকাল সেৱা




আগবঢ়াইছিল। চন্দন দাসে ১৯৯৪ চনত যুৱবাণীৰ ঘোষক হিচাপে আকাশবাণীৰ সৈতে যুক্ত হয় আৰু ক্ৰমে মূল অনুষ্ঠানৰ ঘোষক, সংগীত মালঞ্চ অনুষ্ঠানৰ প্ৰযোজনা সহযোগী, প্ৰসাৰণ সহযোগী হিচাপে কাৰ্যনিৰ্বাহ কৰে। এই বিদায়ী অনুষ্ঠানত তেওঁলোকক সম্বৰ্ধনা, শৰাই আৰু গ্ৰন্থ আগবঢ়োৱা হয়। একেটা অনুষ্ঠানতে প্ৰায় ২৪ বছৰ সেৱা আগবঢ়াই দুবছৰ পূৰ্বে অৱসৰগ্ৰহণ কৰা এম হাছিম আলীকো ফুলাম গামোচা আৰু গ্ৰন্থ আগবঢ়াই বিদায় সম্ভাষণ জনোৱা হয়। অনুষ্ঠানত আৰম্ভণিতে আকাশবাণী আৰু দূৰদৰ্শনৰ মুৰব্বী লোহিত ডেকাই সকলোৱে আকাশবাণীৰ প্ৰতি দেখুওৱা মৰম আৰু দায়বদ্ধতাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। অনুষ্ঠানৰ আঁতধৰে আৰু বিশেষভাৱে সহযোগিতা আগবঢ়াই ঘোষক অনুপ শৰ্মা আৰু দিলজিৎ কুমাৰ বৰুৱা। অৱসৰপ্ৰাপ্ত ঘোষক তথা প্ৰসাৰণ কাৰ্যবাহী ভুপেন গগৈয়েও অংশগ্ৰহণ কৰে।

## টাই আহোম নৃত্য-গীতৰ কৰ্মশালা



**ই-সংবাদ, মৰিয়নি, ২৬ মাৰ্চঃ** চেলেংহাটৰ বৰনগঞ্জা যুৱ সংঘৰ পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহত অসম চৰকাৰৰ টাই আহোম উন্নয়ন পৰিষদৰ উদ্যোগত টাই আহোম নৃত্য-গীতৰ দহদিনীয়া এক কৰ্মশালা আজিৰপৰা আৰম্ভ হৈছে। কৰ্মশালাৰ আৰম্ভণীৰ অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবঢ়াই টাই আহোম উন্নয়ন পৰিষদৰ সদস্য সুৰেশ চন্দ্ৰ ৰাজখোৱা, দিগন্ত বুঢ়াগোঁহাই লগতে ভাৰপ্ৰাপ্ত মহকুমা কল্যান বিষয়া কাৰ্তিক কমল বৰুৱাই। কৰ্মশালাখনিৰ আৰম্ভণী অনুষ্ঠানত টাই আহোম উন্নয়ন পৰিষদৰ সদস্য মহেন্দ্ৰ দিহিঙীয়াৰ লগতে আহোম জাতীয় গণমঞ্চৰ শিৱসাগৰ জিলাৰ সম্পাদক মাধুৰ্য গগৈ, সাংগঠনিক সম্পাদক দিপু দিহিঙিয়া, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ যোৰহাট জিলাৰ সাংগঠনিক সম্পাদক অনুৰঞ্জন দুৱাৰা আৰু প্ৰচাৰ সম্পাদক প্ৰদীপ গগৈ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উমাচৰণ বৰুৱাৰ লগতে বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে। অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব লগীয়া টাই আহোম নৃত্য-গীতৰ কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব বৰীতা ফুকন, কংকী গগৈ আৰু প্ৰাণজিৎ গগৈয়ে।

## চামতাত ৩০ মাৰ্চত মঞ্চস্থ হ'ব নৰেন পাটগিৰিৰ 'কৰ্ণ কথা'

**ই-সংবাদ, চামতা, ২৬ মাৰ্চঃ** অহা ৩০ মাৰ্চত নলবাৰী জিলাৰ চামতাত মঞ্চস্থ হ'ব বিশিষ্ট নাট্যকাৰ, পৰিচালক নৰেন পাটগিৰিৰ 'কৰ্ণ কথা'। চামতাৰ আগশাৰীৰ নৃত্যানুষ্ঠান দেৱদাৰুৰ উদ্যোগত আমৃখোৱা সুকুমাৰ কলা সংঘৰ ন-পুৰণি শিল্পীসকলে চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদ প্ৰেক্ষাগৃহত ৩০ মাৰ্চৰ সন্ধিয়া ৬.৩০ বজাত মঞ্চস্থ কৰিব নাটকখন। নাটকখনৰ পৰিকল্পক, পৰিচালক তথা নাটকখনৰ নাম ভূমিকাত অভিনয় কৰা বিশিষ্ট অভিনেতা সুকুমাৰ বৰ্মনে আজি চামতাস্থ পশ্চিম নলবাৰী প্ৰেছ ক্লাবত এক সংবাদ মেল সম্বোধন কৰি নাটকখনৰ প্ৰযোজনা, পৰিকল্পনা আদিৰ কথা সদৰি কৰে। সংবাদ মেলত উপস্থিত থাকে দেৱদাৰুৰ অধ্যক্ষ ভূপেশ প্ৰিয়ম, বিশিষ্ট সাংস্কৃতিক কৰ্মী গিৰীন্দ্ৰ দাস, সুকুমাৰ কলা সংঘৰ বিষয়ববীয়া সুমন ৰাজবংশী। নাটকখনত অভিনয় কৰিব সুকুমাৰ বৰ্মন, অনুপ দাস, সুমন ৰাজবংশী, হিমাংশু ভাৰতী, হিমাংশু ডেকা, মণ্টু ডেকা, প্ৰাঞ্জল ডেকা, কপিল ৰয়, মধুস্মিতা তামুলী আৰু নিকি বৰ্মনে। সংগীতত আছে বেবি কুইন, জিষ্ণুৰাজ বৰ্মন, হৰেকৃষ্ণ ডেকা, চিন্ময় পাঠক। পোহৰত আছে হেমন্ত ৰাজকোঁৱৰ, বিকাশ ভট্টাচাৰ্য। চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদ প্ৰেক্ষাগৃহত দেওবাৰে সন্ধিয়া ৬.৩০ বজাত নাটকখন উদ্বোধন কৰিব অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ উপাধ্যক্ষ ডাঃ আলেক্ষ বৰুৱাই। বন্তি প্ৰজ্বলন কৰিব নাট্যকাৰ নৰেন পাটগিৰিয়ে। নাটকখন মঞ্চস্থ কৰাৰ যাৱতীয় খৰচৰ বাবদ দৰ্শকৰপৰা এশ টকাকৈ শুভেচ্ছামূলক বৰঙণি লোৱা হ'ব বুলিও সংবাদ মেলত ঘোষণা কৰে।

## সাংবাদিক নিগ্ৰহ কাণ্ডক জাজৰি প্ৰেছ ক্লাবৰ গৰিহণা

**ই-সংবাদ, বেবেজীয়া, ২৬ মাৰ্চঃ** অসম কো-অপাৰেটিভ এপেক্স বেংকৰ দুৰ্নীতিৰ সন্দৰ্ভত বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাৰ সময়তে জ্যেষ্ঠ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক দিলৱাৰ হুছেইন মজুমদাৰক এপেক্স বেংকৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াই ষড়যন্ত্ৰমূলকভাৱে গোচৰ জাপি দি আৰক্ষীৰ দ্বাৰা গ্ৰেপ্তাৰ কৰোৱা কাৰ্যত জাঙুৰ খাই উঠিছে সাংবাদিক সমাজ। তদ্ৰুপ সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰক ঘটনাক নগাঁৱৰ জাজৰি প্ৰেছ ক্লাবে গৰিহণা দিছে। জাজৰি প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত মুদৈ আৰু সম্পাদক ৰাহুল দেৱ বৰদলৈয়ে এক বিবৃতিৰ জৰিয়তে কৰ্তব্যৰত সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰক অভিসন্ধিমূলকভাৱে আটক কৰি পৰৱৰ্তী সময়ত গ্ৰেপ্তাৰ কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে। লগতে অনাগত দিনত এনেধৰণৰ সাংবাদিক নিগ্ৰহৰ ঘটনা বন্ধ কৰাৰ লগতে সাংবাদিকসকলৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈও চৰকাৰৰ প্ৰতি অনুৰোধ জনাইছে।

# সাংবাদিক দিলোৱাৰ হুছেইনক গ্ৰেপ্তাৰৰ তীব্ৰ গৰিহণা ওদালগুৰি প্ৰেছ ক্লাবৰ

**ই-সংবাদ, ওদালগুৰি, ২৬ মাৰ্চঃ** গুৱাহাটীৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক আৰক্ষীয়ে আটক কৰি গ্ৰেপ্তাৰ কৰা কাৰ্যক আজি গৰিহণা জনায় ওদালগুৰি প্ৰেছ ক্লাবে। ক্লাবৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত আৰক্ষীয়ে এনে কাৰ্যৰ জৰিয়তে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ বাকৰুদ্ধ কৰাৰ চেষ্টা চলোৱা বুলি উল্লেখ কৰে নৱ-নিৰ্বাচিত সভাপতি গুণজিৎ দাসে। ইয়াৰ লগতে শীঘ্ৰে সাংবাদিকগৰাকীক বিনাচৰ্তে মুক্তিৰো দাবী কৰে সভাপতি দাসে। উল্লেখ্য যে ওদালগুৰি প্ৰেছ ক্লাবৰ ২০২৫-২৭ বৰ্ষৰ নতুন সমিতিক আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ প্ৰদান কৰা হয়। ওদালগুৰি প্ৰেছ ক্লাবৰ সভাপতি ধীৰেন বৈশ্য সভাপতিত্বত অনুষ্ঠিত কাৰ্যভাৰ অনুষ্ঠানৰ আঁতধৰে সম্পাদক গুণজিৎ দাসে। সম্পাদক দাসে অনুষ্ঠিত হৈ যোৱা প্ৰেছ ক্লাবৰ অধিৱেশনৰ হিচাপ-নিকাচ দাঙি ধৰে। ইয়াৰ পিছতেই ওদালগুৰি প্ৰেছ ক্লাবৰ ভৱিষ্যত কাৰ্যপন্থা সন্দৰ্ভত বিভিন্ন কৰ্মসূচীৰ গ্ৰহণ সম্পৰ্কে গৌতম জ্যোতি তালুকদাৰ, সহদেৱ গৌতম, ৰেৱতী ৰমণ সাপকোটা, অখিল কলিতা আদিয়ে বক্তব্য ৰাখি সাংবাদিক কৰ্মশালা, আলোচনা-চক্ৰ, মীট দ্যা প্ৰেছ, গ্ৰন্থমেলা, গ্ৰন্থ উন্মোচনী সভা আদি অনুষ্ঠিত কৰাৰ মতপোষণ কৰা হয়। পিছত পুৰণি সমিতিৰ হৈ সভাপতি ধীৰেন বৈশ্যই নৱ-নিৰ্বাচিত সভাপতি গুণজিৎ দাস আৰু সম্পাদক অখিল কলিতাৰ হাতত ২০২৫-২৭ বৰ্ষৰ বাবে যাৱতীয় নথি-পত্ৰৰে কাৰ্যভাৰ অৰ্পণ কৰে। উক্ত সভাতেই সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক অযুক্তিকৰভাৱে গ্ৰেপ্তাৰ কৰা কাৰ্যক ওদালগুৰি প্ৰেছ ক্লাব, ওদালগুৰি জিলা বাৰ্তাজীৱী সংঘই তীব্ৰ গৰিহণা জনায়। ওদালগুৰি প্ৰেছ ক্লাবৰ সভাপতি গুণজিৎ দাস সম্পাদক অখিল কলিতা আৰু ওদালগুৰি বাৰ্তাজীৱী সংঘৰ সভাপতি মোচ্ছাদিক হুচেইন আৰু সম্পাদক অজয় কলিতাই আজি এনে গ্ৰেপ্তাৰৰ তীব্ৰ বিৰোধিতা কৰি সাংবাদিকৰ প্ৰতি এনে আক্ৰোশমূলক মনোভাব এৰিবলৈ দুয়োটা সংগঠনে দাবী জনায়।

## দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক ৰাজুমণি গগৈৰ পিতৃৰ মৃত্যু



**ই-সংবাদ, দুলীয়াজান, ২৬ মাৰ্চঃ** দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক ৰাজুমণি গগৈৰ পিতৃ তথা অৱসৰপ্ৰাপ্ত শিক্ষক সূৰ্য কুমাৰ গগৈৰ (৮০) আজি পুৱতি নিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। বুকুৰ বিষ আৰু শ্বাস-প্ৰশ্বাসজনিত সমস্যাত ভুগি চিকিৎসাধীন হৈ থকা প্ৰয়াত গগৈৰ ঘৰ দুলীয়াজানৰ কমলাবাৰী পথৰ শংকৰদেৱ নগৰত। তেখেতে ১৯৬৪ চনতে ডিব্ৰুগড়ৰ হনুমান বক্স কানৈ মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত স্নাতক ডিগ্ৰী লাভ কৰি পৰৱৰ্তী সময়ত লক্ষীপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। পৰৱৰ্তী সময়ত অৰুণাচল প্ৰদেশত শিক্ষকতা কৰি ২০০৪ বৰ্ষত অৱসৰ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত তেখেতে পত্নী, পুত্ৰ-বোৱাৰী, দুগৰাকী জী আৰু নাতি-নাতিনী আৰু আত্মীয়-স্বজনক এৰি যায়।

## মৰিগাঁৱত ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ উদ্যোগত সামগ্ৰী বিতৰণ

**ই-সংবাদ, লাহৰীঘাট, ২৬ মাৰ্চঃ** অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ উদ্যোগত আজি মৰিগাঁও জিলাৰ ৫৪৬ গৰাকী হিতাধিকাৰীৰ মাজত প্ৰেছাৰ কুকাৰ আৰু পানীৰ ফিল্টাৰ বিতৰণ কৰা হয়। মৰিগাঁৱৰ আই টি ডি পিৰ অতিথিগৃহত আয়োজিত এই সামগ্ৰী বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে নিজৰ ভাষণত অসম চৰকাৰৰ জনকল্যাণমূলক পদক্ষেপসমূহৰ বিষয়ে বৰ্ণনা কৰে। তেওঁ কয় যে সংখ্যালঘু জনগোষ্ঠীৰ কল্যাণৰ বাবে অসম চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। আগন্তুক দিনতো চৰকাৰ অধিক সুযোগ-সুবিধা প্ৰদানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ কয়। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত তথা মহকুমা কল্যাণ বিষয়া সুলক্ষণা বৰপাত্ৰগোহাঁইয়ে ভাষণ প্ৰদান কৰি কয় যে এনেধৰণৰ কল্যাণমূলক কাৰ্যসূচীয়ে অসমৰ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত এক সুস্থ পৰিৱেশ গঢ়ি তুলিব। সংখ্যালঘু জনগোষ্ঠীক উন্নয়নৰ মূল সুঁতিত চামিল কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ এই পদক্ষেপ অতি গুৰুত্বপূৰ্ণ বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশিস শৰ্মা, অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ শীলাদিত্য দেৱসহ বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল।

## বাইহাটা সাহিত্য সভাৰ উদ্যোগত সাহিত্য দিৱস উদযাপন

ই-সংবাদ, বাইহাটা চাৰিআলি, ২৬ মাৰ্চঃ আজি অসমীয়া ভাষা-সাহিত্যৰ জনক সাহিত্যৰথী, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু তিথি। প্ৰতি বছৰে এই দিনটো সাহিত্য দিৱস হিচাপে সমগ্ৰ অসমতে উদযাপন কৰা হয়। এই উপলক্ষে আজি বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ উদ্যোগত আৰু বাইহাটা চাৰিআলি বি-এড মহাবিদ্যালয়ৰ সহযোগত এই দিৱস উদযাপন কৰা হয়। সাহিত্য দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ১০.৩০ বজাত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ৰমেশ চন্দ্ৰ মেধিয়ে। লগতে বেজবৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বাইহাটা চাৰিআলি বি-এড কলেজৰ অধ্যক্ষ ড° আব্দুল চামাদ আৰু বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ উপ-সভাপতি নজিম আহমেদে। স্মৃতি তৰ্পণ কৰে বাইহাটা চাৰিআলি সাহিত্য সভাৰ সভাপতি কৃষ্ণকান্ত কলিতাই। ১১ বজাৰপৰা মুকলি সভা আৰম্ভ হয়। মুখ্য অতিথি হিচাপে অসমীয়া ভাষা-সাহিত্যৰ ঐতিহ্য সম্প্ৰীতিৰ ওপৰত বহুমূলীয়া ভাষণ ৰাখে বিশিষ্ট সাহিত্যিক অধ্যাপক ইছমাইল হুছেইনে। সভাত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে কামৰূপ জিলা সাহিত্য সভাৰ বিদায়ী সভাপতি ড° নৃপেন্দ্ৰ নাথ তালুকদাৰে। মুকলি সভাত বাইহাটা চাৰিআলিৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে বহুসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# ব্যৰ্থ ৰাজস্থান! বৰ্ষাপাৰাত কেকেআৰৰ সহজ জয়

**গুৱাহাটী, ২৬ মাৰ্চ ২০২৫ঃ** আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আইপিএলৰ ষষ্ঠখন মেচত কলকাতা নাইট ৰাইডাৰ্ছে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ৮ উইকেটৰ শক্তিশালী জয় লাভ কৰিছে। গুৱাহাটীৰ মাটিত অনুষ্ঠিত এই নৈশ মেচত কেকেআৰে টছত জয়ী হৈ প্ৰথমে বলিঙৰ সিদ্ধান্ত লৈছিল। ৰাজস্থানে ২০ অ'ভাৰত ৯ উইকেট হেৰুৱাই ১৫১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত কলকাতাই মাত্ৰ ১৭.৩ অ'ভাৰত ২ উইকেট হেৰুৱাই ১৫৩ ৰানৰ লক্ষ্যত উপনীত হয়। মেচৰ নায়ক হৈ পৰে কেকেআৰৰ অ'পেনাৰ কুইন্টন ডি কক। তেওঁ ৬১টা বলত অপৰাজিত ৯৭ ৰানৰ দৰ্শনীয় ইনিংছ খেলি কেকেআৰক বিজয় লক্ষ্যত উপনীত কৰোৱায়। মেচখনৰ 'প্লেয়াৰ অৱ দ্য মেচ' হয় ডিকক। অংকৃশ ৰঘুবংশীয়ে ১৭ বলত ২২ ৰানৰ অপৰাজিত ইনিংছ খেলি ডি ককৰ সৈতে জয়ৰ পথ মসৃণ কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে বেটিং কৰি আজি কোনো বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম নহয়। ৰাজস্থানৰ হৈ আজি সৰ্বাধিক ৩৩ ৰান কৰে ধ্ৰুৱ জুৰেলে। অধিনায়ক ৰিয়ানে ১৫টা বলত ২৫ ৰান কৰি পেভিলিয়নমুখী হয়। একেদৰে আজি ৰাজস্থানৰ প্ৰতিগৰাকী বেটাৰেই উন্নত প্ৰদৰ্শনত ব্যৰ্থ হয়। লক্ষ্যণীয় যে, আইপিএলৰ এই ছিজনত ৰাজস্থানৰ হৈ প্ৰথম তিনিখন মেচৰ নেতৃত্ব দিছে ৰিয়ান পৰাগে। ইয়াৰ পূৰ্বে অনুষ্ঠিত হোৱা প্ৰথমখন মেচতো পৰাজয়ৰ সন্মুখীন হৈছিল দলটো। এইবাৰ দ্বিতীয়খন মেচত পৰাজিত হোৱাৰ পিছত পৰৱৰ্তী অহা ৩০ মাৰ্চত চেন্নাইৰ বিৰুদ্ধে পুনৰ গুৱাহাটীৰ খেলপথাৰত নামিব ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ।



আইপিএল ২০২৫: ১৫ বলত ২৫ ৰান কৰি পেভিলিয়নমুখী ৰিয়ান পৰাগ



গুৱাহাটীত অনুষ্ঠিত আইপিএলৰ কলকাতাৰ বিৰুদ্ধে মেচত এটা ছুইপ শ্বট ৰাজস্থানৰ যশস্বী জয়ছৱালৰ

## ভাৰতত অনুষ্ঠিত হ'ব 'দ্য গ্ৰেটেষ্ট শ্ব' অন আৰ্থ'খ্যাত অলিম্পিক

# ২০৩৬ত অলিম্পিক আয়োজনৰ বাবে ভাৰতৰ খৰচ হ'ব ৬৪ হাজাৰ কোটি

**নতুন দিল্লী, ২৬ মাৰ্চঃ** ভাৰতত ২০৩৬ চনত অলিম্পিক আয়োজনৰ সপোন এতিয়া সাৰ্থক হোৱাৰ পথত। ভাৰতীয় অলিম্পিক সংস্থাই ইতিমধ্যে আন্তৰ্জাতিক অলিম্পিক সমিতিক এই মেগা ক্ৰীড়া প্ৰতিযোগিতা আয়োজনৰ বাবে আনুষ্ঠানিকভাৱে চিঠি প্ৰেৰণ কৰিছে। চিঠি প্ৰেৰণৰ পিছৰে পৰা দেশত প্ৰস্তুতিৰ কাম আৰম্ভ হৈছে তীব্ৰ গতিত। কিন্তু 'দ্য গ্ৰেটেষ্ট শ্ব' অন আৰ্থ' খ্যাত এই টুৰ্ণামেণ্ট আয়োজনৰ বাবে ভাৰতৰ ৰাজভঁৰালৰ ধনৰ খৰচ কম নহ'ব। সূত্ৰৰ খবৰ অনুসৰি, এই বিশাল আয়োজনৰ খৰচ ৬৪ হাজাৰ কোটি টকা পৰ্যন্ত হ'ব পাৰে। চলিত সপ্তাহত গান্ধীনগৰত অলিম্পিক সম্পৰ্কীয় এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হৈছে। সেই বৈঠকত উত্থাপিত হৈছে যে অলিম্পিক আয়োজনৰ বাবে ভাৰতৰ খৰচ ৩৪ হাজাৰ ৭০০ কোটিৰ পৰা ৬৪ হাজাৰ কোটি টকাৰ ভিতৰত হ'ব পাৰে। এক সৰ্বভাৰতীয় সংবাদমাধ্যমৰ সূত্ৰৰ মতে, যোৱা বছৰ পেৰিছত অনুষ্ঠিত অলিম্পিকত মুঠ খৰচ হৈছিল ৩২ হাজাৰ ৭৬৫ কোটি টকা। কিন্তু ভাৰতে ২০৩৬ চনৰ অলিম্পিক আয়োজন কৰিবলৈ গ'লে খৰচ তাৰ দুগুণতকৈও অধিক হ'ব পাৰে। উল্লেখযোগ্য যে, অলিম্পিকৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ভাৰতে এই মেগা ইভেণ্টৰ বাবে বিড কৰিছে। সকলো ঠিকে-ঠাকে থাকিলে আগন্তুক ১১ বছৰৰ পিছত ভাৰতৰ মাটিত বহিব অলিম্পিকৰ আখৰা। ইয়াৰ পূৰ্বে ২০১০ চনত ভাৰতে কমনৱেলথ গেমছৰ দৰে এটা বৃহৎ টুৰ্ণামেণ্ট আয়োজনৰ দায়িত্ব লৈছিল। খবৰ অনুসৰি, আহমেদাবাদত প্ৰস্তুতিৰ কাম আৰম্ভ হৈ গৈছে। এই চহৰতেই গেমছ ভিলেজ স্থাপনৰ সম্ভাৱনা আছে। ইয়াৰ উপৰিও বেছিভাগ ইণ্ড'ৰ ইভেণ্ট এই চহৰৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব পাৰে। আন আন চহৰতো ষ্টেডিয়ামৰ পৰিকাঠামো উন্নত কৰাৰ দিশত গুৰুত্ব দিয়া হৈছে। উদাহৰণস্বৰূপে, ওড়িশাত হকী ইভেণ্ট, ভোপালত ৰ'ইং আৰু পুণেত কেনোইং আৰু কায়াকিৰ আয়োজন হ'ব পাৰে। ক্ৰীড়া মন্ত্ৰণালয়ে ক্ৰিকেট, কুস্তি আৰু বেডমিণ্টনৰ ভেন্যুৰ বিষয়েও আলোচনা চলাইছে। জানিব পৰা গৈছে, ক্ৰিকেটৰ আয়োজন দিল্লী, মুম্বাই আৰু আহমেদাবাদৰ ষ্টেডিয়ামত হ'ব পাৰে। ভাৰতে এই সুযোগ লাভ কৰিলে ক্ৰীড়া জগতত এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হ'ব দেশবাসী।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি